
সুস্মিত

প্রয়াত অচ্যুত গোস্বামীলৈ শ্রদ্ধার্ঘ্য








সুস্মিত

প্রয়াত অচ্যুত গোস্বামীলৈ শ্রদ্ধার্ঘ্য



জন্ম ঃ ১ মার্চ, ১৯৬৬ চন

মৃত্যু ঃ ১১ নৱেম্বৰ, ২০২৬ চন

SUSMIT : A collection of articles written by different writers in honour and memory of Late Achyut Goswami and published by Bhagharbari Greenland Unnayan Samiti and family members.

সম্পাদনা ঃ ধ্রুৱজিৎ শর্মা
প্রশান্ত গোস্বামী

প্রকাশক ঃ বাঘৰবড়ি গ্রীণলেণ্ড উন্নয়ন সমিতি
আৰু পৰিয়ালবর্গ

প্রথম প্রকাশ ঃ ২১ নৱেম্বৰ, ২০২৬ চন

অক্ষৰ বিন্যাস ঃ প্রশান্ত বৰঠাকুৰ

মুদ্রণ ঃ কাজিৰঙা প্রিণ্টিং হাউচ
গুৱাহাটী - ৭৮১০২১

স্মৃতিগ্রন্থখনিৰ ডিজিটেল সংস্কৰণটো তলৰ URL আৰু QR codeত উপলব্ধ হ'ব।
https://storytoday.in/article/biography-of-achyut-goswami/

ড° হিমন্ত বিশ্ব শর্মা
Dr. Himanta Biswa Sarma

সত্যমেব জযতে

মুখ্যমন্ত্রী, অসম
Chief Minister, Assam

দিছপুৰ
১ আঘোণ, ১৪৩৩ ভাস্কৰাব্দ
১৮ নৱেম্বৰ, ২০২৬ ইং

শ্ৰদ্ধেয়া গোস্বামী ডাঙৰীয়ানী,

বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী জিলাৰ উপ-সভাপতি, বিশিষ্ট সমাজ সংগঠক তথা বিভিন্ন সামাজিক-সাংস্কৃতিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত আপোনাৰ পূজনীয় স্বামী শ্ৰদ্ধেয় অচ্যুত গোস্বামীদেৱৰ বিয়োগত মই গভীৰভাৱে মৰ্মাহত হৈছোঁ। এই শোকাকুল মুহূৰ্তত আপোনাৰ লগতে সমগ্ৰ পৰিয়ালবৰ্গলৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰাৰ লগতে তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি আৰু সদগতিৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

সমাজৰ প্ৰতি থকা দায়বদ্ধতা, সাংগঠনিক নিষ্ঠা আৰু ধৰ্মীয়-সাংস্কৃতিক চেতনাৰে সমৃদ্ধ অচ্যুত গোস্বামীদেৱে সমাজ জীৱনলৈ আগবঢ়াই গৈছে এক উল্লেখযোগ্য অৱদান। বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী জিলাৰ উপ-সভাপতি হিচাপে দায়িত্ব পালন কৰাৰ উপৰি বাঘৰবৰী গ্ৰীণলেণ্ড উন্নয়ন সমিতি, হিন্দু সম্মিলনকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সক্ৰিয়ভাৱে জড়িত থাকি তেখেতে সমাজৰ ঐক্য, সংহতি আৰু সাংস্কৃতিক মূল্যবোধ সুদৃঢ় কৰাৰ ক্ষেত্ৰত নিষ্ঠাৰে কাম কৰিছিল। তেখেতৰ কৰ্মস্পৃহা, সমাজমুখী চিন্তাধাৰা আৰু সাংগঠনিক অৱদানে তেখেতৰ পৰিচিত মহলৰ লগতে বৃহত্তৰ সমাজ জীৱনতো এক ইতিবাচক প্ৰভাৱ এৰি থৈ গৈছে। তেখেতৰ সমাজসেৱামূলক কৰ্মৰাজি আৰু জীৱনাদৰ্শই সদায়েই সংশ্লিষ্ট সকলোকে অনুপ্ৰেৰণা যোগাই থাকিব।

শ্ৰদ্ধেয় অচ্যুত গোস্বামীদেৱৰ বিয়োগে আপোনালোকৰ পৰিয়ালত সৃষ্টি কৰা শূন্যতা অপূৰণীয়। তথাপি তেখেতৰ সান্নিধ্য, স্নেহ আৰু কৰ্মময় জীৱনৰ স্মৃতিয়ে এই কঠিন সময়ত আপোনালোকক ধৈর্য আৰু সান্ত্বনা প্ৰদান কৰক। এই অপূৰণীয় ক্ষতি সহ্য কৰিবলৈ ভগৱানে আপোনালোকৰ পৰিয়ালৰ প্ৰতিগৰাকী সদস্যক মানসিক শক্তি আৰু সাহস প্ৰদান কৰক।

ওঁম শান্তি!

(ড° হিমন্ত বিশ্ব শর্মা)

প্ৰতি,

শ্ৰীযুতা দেৱযানী গোস্বামী
গৃহ নং - ২৫ (এ), গ্ৰীণলেণ্ড পথ,
বাঘৰবৰী, পাঞ্জাবাৰী, গুৱাহাটী
জিলা - কামৰূপ মহানগৰ (অসম)
ডাক সূচাংক- ৭৮১০৩৭
ভ্ৰাম্যভাষ - ৯৯৫৪১-৫৮০৭৬ / ৯৩৯৫৭-৪৯২৯৩

সূচীপত্ৰ

- সম্পাদকৰ দুআষাৰ ৬
- আপোনজন হেৰুওৱাৰ বেদনা — দেৱযানী গোস্বামী ৭
- দেউতা — হিমাংক গোস্বামী ৮
- ভ্ৰাতৃপ্ৰতিম অচ্যুত গোস্বামীৰ সোঁৱৰণত একাঁজলি শ্ৰদ্ধাঞ্জলি — জীৱন গোস্বামী ৯
- অচ্যুত গোস্বামীৰ বিয়োগ বন্ধুত্বৰ এক বিষাদময় অনুভৱ — হৰ্ষমোহন শৰ্মা ১২
- অচ্যুত গোস্বামীলৈ একাঁজলি শ্ৰদ্ধাঞ্জলি — ধ্ৰুৱজিৎ শৰ্মা ১৭
- স্মৃতিৰ মাজত সদায় জীয়াই থাকিব মৰমৰ অচ্যুত মামা — ভাস্কৰ শৰ্মা (বাবু) ১৯
- মৰমৰ অচ্যুতৰ শান্তি কামনাৰে — সুৰেন গোস্বামী ২২
- অচ্যুত গোস্বামীলৈ একাঁজলি চকুলো — প্ৰভাত চন্দ্ৰ ঠাকুৰীয়া ২৬
- গোস্বামী দাৰ স্মৃতিত এক শ্ৰদ্ধাঞ্জলি — বিকু ৰঞ্জন বাস্যৱ ২৮
- বিষাদে চুব নোৱৰা ব্যক্তিজনৰ সোঁৱৰণত — ভনীতা গোস্বামী ৩০
- একাঁজলি অশ্ৰুসিক্ত অঞ্জলি — হিমাংশু গোস্বামী (মণি) ৩৩
- অচ্যুতৰ সৈতে আমাৰ স্মৰণীয় মুহূর্ত — নীতামণি চক্ৰৱৰ্ত্তী ৩৪
- স্মৃতিৰ সঁফুৰাত 'অচ্যুত' — কনকেশ্বৰ গোস্বামী ৩৫
- মৰমৰ সৰু ককা — কৃষাণু গোস্বামী (জিউ) ৩৭
- গোস্বামীদাৰ স্মৃতিত — পল্লবী শৰ্মা ৩৮
- হাঁহিমুখীয়া অচ্যুৎ গোস্বামী দাদা— এক চিৰস্মৰণীয় স্মৃতি — ফুলেন কলিতা ৩৯
- শ্ৰদ্ধাঞ্জলি—অচ্যুত ভিনদেউৰ স্মৃতিত — জ্যোতি চক্ৰৱৰ্তী ৪০

• স্মৃতিৰ পাতত তোমাক সুঁৱৰি	সুৰেশ চন্দ্ৰ শৰ্মা (বন্ধু)	৪১
• অনিশ্চিত জীৱনৰ বাট	অনুস্মিতা চক্ৰৱৰ্তী	৪২
• এখন নেদেখা নদীৰ সিপাৰে	ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী	৫০
• অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি	নিলুফাৰ ৰহমান	৫৩
• হাঁহি থকা ভিনদেউ গৰাকীলৈ শ্ৰদ্ধাৰে এঁকাজলি অশ্ৰুঞ্জলি...	অন (অনঘ চক্ৰৱৰ্তী)	৫৫
• স্মৃতিৰ পাতত (অচ্যুত গোস্বামী) মামা আপোনাৰ সান্নিধ্য— গভীৰ শ্ৰদ্ধাঞ্জলি	লুনা শৰ্মা	৫৬
• শ্ৰদ্ধাঞ্জলি	মিনু গোস্বামী (সৰু বৌ)	৫৭
• শ্ৰদ্ধাঞ্জলি	প্ৰদীপ কুমাৰ গোস্বামী	৫৮
• অচ্যুত মামা স্মৃতিৰ এখিলা সোণালী পৃষ্ঠা	লুনা শৰ্মা	৫৯
• উভতি নহাৰ বাটেৰে	অঞ্জলী দেৱী	৬১
• আপোনজনৰ বিয়োগত	আদিলুৰ ৰহমান	৬২
• মোৰ শ্ৰদ্ধাৰ খুৰা (শহুৰ) স্মৃতিত	অনিমা গোস্বামী (মুনা)	৬৩
• অচ্যুত গোস্বামীক যিদৰে জানিছিলোঁ	হাছিবুৰ ৰহমান	৬৪
• অচ্যুত মামা	ধ্ৰুৱজ্যোতি গোস্বামী	৬৬
• শ্ৰদ্ধাঞ্জলিৰ একলম...	বীৰেন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী	৬৭
• অশ্ৰু অঞ্জলি	কল্যাণ শৰ্মা	৬৯
• সৎ কৰ্মীৰ বিনাশ নহয়	ড° ৰবীন্দ্ৰনাথ দেৱ শৰ্মা	৭০
• মৰমৰ ভাতৃ অচ্যুতৰ সোঁৱৰণত	বিশ্বেশ্বৰ গোস্বামী	৭৩
• শ্ৰদ্ধাঞ্জলি	ভাৰতী গোস্বামী (ডাঙৰ বৌ)	৭৫
• Memories with my Moha	Somadrita Bhattacharjee	৭৮
• খুৰা—এক আদৰণীয় ব্যক্তিত্ব	পল্লৱী গোস্বামী (পমী)	৭৯
• মৰমৰ খুৰা ককা	আয়ুস	৮১
• আপোনভোলীয়া হাঁহিটো	ৰুমী দেৱী	৮২
• Painful Loss…….	Anisul Alam Hasna Alam	৮৩
• বাল্য বন্ধু অচ্যুত গোস্বামীৰ সোঁৱৰণত	ডিম্বেশ্বৰ শৰ্মা	৮৪

- বাল্য বন্ধু অচ্যুত গোস্বামীৰ সোঁৱৰণত — ডিম্বেশ্বৰ শর্মা — ৮৫
- মৰমৰ খুৰা — দিগন্ত গোস্বামী — ৮৬
- ককা — শিৱাংগ গোস্বামী — ৮৭
- হাঁহিমুখীয়া খুৰা — ভনিতা শর্মা গোস্বামী — ৮৮
- পূজনীয় অচ্যুত গোস্বামী দাদালৈ কলমেৰে একাঁজলি শ্রদ্ধাঞ্জলি — লোহিত গগৈ, লুনা বুঢ়াগোহাঁই গগৈ — ৮৯
- অচ্যুৎ গোস্বামীদেৱৰ পৱিত্র স্মৃতিত শ্রদ্ধার্ঘ্য — ভূপেন বৰুৱা — ৯০
- In Rememberance of Achyut Goswami — Farida Zahan Hazarika — ৯২
- শ্রদ্ধাঞ্জলি — বাপন গোস্বামী (সৰু) — ৯৩
- অনুভৱৰ একলম (অচ্যুত গোস্বামীৰ স্মৃতিত) — অঞ্জলি হাজৰিকা — ৯৫
- চকলেট দিয়া ককালৈ মৰমেৰে — ৰিহাৰ্ণা গোস্বামী (নাতিনী) — ৯৭
- ভাতৃসম অচ্যুত গোস্বামীৰ সোঁৱৰণত মোৰ মনৰ কথা — সুকুমাৰ ভট্ট — ৯৯
- মামাৰ স্মৃতিত — মামণি শর্মা — ১০১
- নিজ ভাতৃ সদৃশ প্রয়াত অচ্যুত গোস্বামীৰ স্মৃতিত দুআষাৰ — গোপেশ চন্দ্র শর্মা — ১০৩
- বিদায় বেলাত মৰমৰ খুৰা — ধৃতাশ্রী গোস্বামী (মামলী) — ১০৭
- এক দৰদী জীৱনৰ সফল সমাপ্তি — ৰথীন্দ্র গোস্বামী — ১০৮
- স্মৃতিৰ বন্তি গছি — ৰমেন — ১০৯
- শ্রদ্ধাৰ খুৰাক সুঁৱৰি — প্রশান্ত গোস্বামী — ১১১

সম্পাদকৰ দুআষাৰ

অচ্যুত গোস্বামীৰ অকাল বিয়োগ। মনে মানি ল'ব নোৱৰা এটা কথা। পৰিয়াল, আত্মীয়-স্বজনৰ লগতে সমগ্ৰ গ্ৰীণলেণ্ডবাসী শোকত ম্ৰিয়মান। তাৰ মাজতেই তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা উন্মোচন কৰিবলৈ মনস্থ কৰা তেখেতৰ সোঁৱৰণী গ্ৰন্থখন প্ৰকাশ কৰাৰ তাগিদা। হাতত সময় কম। কিন্তু গোস্বামীক ভাল পোৱা আৰু আত্মীয়তাই এই গধুৰ দায়িত্ব লোৱাত উৎসাহ আৰু সাহস দিলে। বিভিন্নজনে সঁহাৰি দিলে। আটাইয়ে সময়মতে লিখনিসমূহ দিলে, যাৰ কাৰণে সময়মতে পুথিখন প্ৰকাশ কৰিব পৰা গ'ল।

খুব কম সময়ৰ ভিতৰত পুথিখনৰ বৰ্ণানুক্ৰমণ চাই দিয়াৰ বাবে গ্ৰীণলেণ্ডৰ মদন ডেকা ডাঙৰীয়ালৈ ধন্যবাদ জনালোঁ। উন্নয়ন সমিতিৰ সভাপতি শ্ৰীযুত জীৱন গোস্বামী প্ৰমুখ্যে সমূহ গ্ৰীণলেণ্ডবাসীৰ সহায়-সহযোগিতাৰ বাবে পুথিখন প্ৰকাশ কৰিব পৰা গ'ল। তাৰ বাবে সকলোকে ধন্যবাদ জনালোঁ।

'সুস্মিত' অচ্যুত গোস্বামীৰ আত্মা স্বৰ্গত বাস কৰক। গ্ৰীণলেণ্ডৰ সৰ্বাংগীণ উন্নতিৰ হকে তেওঁ তাৰ পৰাই আমাক সকলোকে আশীৰ্বাদ কৰক।

ন জায়তে ম্ৰিয়তে বা কদাচিৎ
নায়ং ভূত্বা ভৰিতা ৱা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।

ধ্ৰুৱজিৎ শৰ্মা
প্ৰশান্ত গোস্বামী

আপোনজন হেৰুওৱাৰ বেদনা

দেৱযানী গোস্বামী
পত্নী

মোৰ লিখিবলৈ মানসিক প্ৰস্তুতি নাই, তথাপি চমুকৈ কেইটামান শাৰী লিখিলোঁ। তেওঁৰ ঘৰ আছিল পাটাছাৰকুছিত আৰু মোৰ ঘৰ গৌৰীপুৰত। তেওঁ জীৱিকাসূত্ৰে গুৱাহাটীত আছিল আৰু মই শিক্ষা সমাপ্ত কৰি গুৱাহাটীত চাকৰি কৰি আছিলোঁ।

মই তেওঁক লগ পাইছিলোঁ ২০০০ চনত এখন বনভোজস্থলীত। কিন্তু সেই সময়ত APSCৰ চাকৰিৰ VIVAৰ Result ওলোৱা নাছিল বাবে তেওঁ মোক বিয়াৰ কথা কোৱা নাছিল। কিন্তু দুৰ্ভাগ্যবশতঃ চাকৰিটো তেওঁৰ নহ'ল। পাছত ২০০১ চনত আমাৰ মাজত কথা-বতৰা আগবাঢ়িল আৰু নিজে এটা ব্যৱসায় আৰম্ভ কৰিলে। ২০০২ চনৰ ২৮ এপ্ৰিল তাৰিখে পৰিয়ালৰ সন্মতিক্ৰমে বিবাহপাশত আবদ্ধ হ'লোঁ। বিয়াৰ দুবছৰ পাছত আমাৰ মাজত ল'ৰা (ধুনু)ৰ জন্ম হ'ল।

মই হেৰুৱালোঁ ভাল অন্তৰৰ, মৰমিয়াল আৰু উদ্যমী মানুহ এজনক। বিয়াৰ ২৪টা বছৰ তেওঁৰ লগত সুখে-দুখে ভালদৰে জীৱন অতিবাহিত কৰিলোঁ, কিন্তু ভগৱানে সেই সুখৰ মুহূৰ্তখিনি দুখলৈ ৰূপান্তৰিত কৰিলে।

তেওঁৰ মাজত মই এটা ডাঙৰ গুণ দেখিলোঁ— জীৱনত যিমানে ধুমুহা নাহক কিয় সকলো হাঁহিমুখে, ধৈর্য্য, শান্ত মস্তিষ্কৰে কামবোৰ সমাপন কৰিছিল। তেওঁ আজি কায়িকভাৱে আমাৰ মাজত নাই, কিন্তু তেওঁৰ হাঁহিমুখীয়া মুখ, কর্মঠ জীৱন, তেওঁৰ সৰল মন সদায় মোৰ অন্তৰত সজীৱ হৈ থাকিব। ❖

দেউতা

হিমাংক গোস্বামী (পুত্ৰ)

দেউতা, আপুনি মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ আদর্শ। আপোনাৰ মৰম, ত্যাগ আৰু কষ্টৰ মাজেৰেই আজি মই জীৱনৰ বহু কথা শিকিছোঁ। আপোনাৰ পৰা পোৱা শিক্ষাই মোক সদায় আগবাঢ়ি যোৱাত সাহস যোগাই আহিছে।

হয়তো মুখেৰে কেতিয়াও সকলো কথা ক'ব পৰা নহয়, কিন্তু আপোনাৰ প্ৰতি মোৰ মৰম আৰু সন্মান কিমান গভীৰ, সেয়া ভাষাৰে প্ৰকাশ কৰাটো কঠিন।

আপোনাৰ পুত্ৰ হ'ব পৰাটো মোৰ বাবে গৌৰৱৰ কথা। আপোনাৰ আশীর্বাদ আৰু মৰম সদায় মোৰ মূৰৰ ওপৰত থাকক।

বহুত মৰম আৰু শ্ৰদ্ধা, দেউতা। ❖



ভ্রাতৃপ্রতিম অচ্যুত গোস্বামীৰ সোঁৱৰণত একাঁজলি শ্রদ্ধাঞ্জলি

জীৱন গোস্বামী
গ্রীণলেণ্ড পথ, পাঞ্জাবাৰী

কিছুমান মানুহ থাকে যাক এবাৰ লগ পালে কোনোদিনে পাহৰিব নোৱাৰি, আৰু তেনে মানুহো যে কোনোবা দিন আমাৰ মাজত নাথাকিব সেইটো অকল্পনীয় হৈ ৰয়। তেনে মানুহৰ মৃত্যুক সেয়ে প্ৰথমে অবাস্তৱ দুঃস্বপ্ন যেন লাগে আৰু যেতিয়া আমি মানিবলৈ বাধ্য হওঁ যে মানুহজনৰ মৃত্যু এটা দুঃস্বপ্ন নহয়, বৰং ৰূঢ় বাস্তৱহে। সেই উপলব্ধিয়ে বোৱাই অনা শোকৰ বন্যাক ৰুধিবলৈ আমি অপাৰগ হৈ পৰোঁ। অচ্যুত গোস্বামী তেনে এজন মানুহৰ শাৰীতে পৰিছিল।

মই এই বছৰৰ ছেপ্টেম্বৰৰ ১০ তাৰিখে বিদেশত থকা মোৰ ল'ৰাৰ ঘৰলৈ দুমাহমানৰ কাৰণে গৈছিলোঁ। যোৱাৰ আগদিনা ৰাতি বাঘৰবড়ি গ্রীণলেণ্ড উন্নয়ন সমিতিৰ সভাপতিৰ ভাৰ শ্রদ্ধেয় হাচিবুৰ ৰহমান ডাঙৰীয়াক হস্তান্তৰ কৰাৰ লগতে সমিতিৰ যাৱতীয় নথি-পত্র শ্রীঅচ্যুত গোস্বামী আৰু শ্রীমতী ফৰিদা জাহান হাজৰিকাক দি গৈছিলোঁ, কিয়নো, সমিতিৰ সাধাৰণ সম্পাদক শ্রীধ্রুৱ শর্মা ডাঙৰীয়া সেই সময়ত স্বাস্থ্যজনিত কাৰণত ভালেমান দিন ধৰি আমাৰ মাজত অনুপস্থিত আছিল। ইপিনে সেইছোৱা সময়তে স্বচ্ছ গুৱাহাটী প্রতিযোগিতাৰ কাম-কাজৰ হেঁচা তুঙ্গত উঠিছিল। আৰু সকলোবোৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন আৰু তদাৰক কৰাৰ গুৰু দায়িত্ব আমাৰ সমিতিৰ কার্যবাহী সদস্য-সদস্যাসকলৰ ওপৰতে পৰিছিলহি। শ্রীশর্মাৰ অনুপস্থিতিত অচ্যুত গোস্বামীয়েই সাধাৰণ সম্পাদকৰ ভাৰ তেখেতৰ স্বভাৱসিদ্ধ আত্মবিশ্বাস আৰু ইতিবাচকতাৰে

চম্ভালি লৈছিল আৰু সকলো সময়তে সমিতিৰ সকলোকে সর্বতোপ্রকাৰে সহায় কৰি শ্রীধ্রুৱ শর্মাৰ দৰে সুদক্ষ সাধাৰণ সম্পাদক এজনৰ অভাৱ অনুভৱ কৰিব নিদিয়াকৈয়ে সকলোবোৰ কাম কৰি অতাইছিল। মই বিদেশলৈ যোৱাৰ আগদিনা ৰাতি বহুপৰলৈ সমিতিৰ কাম-কাজৰ খতিয়ান আৰু আনুষ্ঠানিক নথি-পত্ৰ দি যোৱাৰ লগতে অচ্যুত গোস্বামীৰ লগত বিভিন্ন কথাৰ মহলাও মাৰিছিলোঁ। তেখেতৰ লগত কথা পতাৰো বেলেগ এটা আমেজ আছিল। তেখেতৰ স্পষ্টবাদিতাৰ লগতে সততা আৰু সৰলতাৰ সংমিশ্রণটো অতিকে মধুৰ হৈ পৰিছিল। মই আৰু মোৰ পৰিবাৰ দুয়ো সেই ৰাতি তেখেতক বৰ আদৰেৰে, আৰু বিদেশৰ পৰা উভতি আহি আমাৰ কথা-বতৰা য'ত শেষ হৈছিল, তাৰ পৰাই আঁত ধৰাৰ প্রতিশ্রুতিৰে বিদায় দিছিলোঁ।

বিদেশৰ পৰা উভতি আহি তেখেতৰ লগত কথাৰ আঁত ধৰা দূৰৰ কথা, মুখামুখিকৈ এবাৰলৈও লগ নাপালোঁ। মোৰ বাবে এইটো এটা অতি বেদনাদায়ক পৰম দুর্ভাগ্য। তেখেতৰ মৃত্যুৰ দিনা তেখেত গাঁৱৰ ঘৰৰ পৰা গুৱাহাটীলৈ আহি থাকোঁতে মই ফোনত কথা পাতিছিলোঁ। তেখেত গাঁৱৰ ঘৰলৈ যোৱাৰ দিনাও কথা পাতিছিলোঁ। আহি পালেই লগ ধৰাৰ কথা আছিল। নাজানিছিলোঁ, ফোনৰ মাজেৰেই তেখেতৰ শেষ সান্নিধ্য পাম বুলি।

নিজকে পতিয়ন নিয়াব পৰা নাই যে অফুৰন্ত জীৱনীশক্তিৰ গৰাকী, সদাহাস্যময়, যিকোনো কামতে অসীম উৎসাহেৰে জঁপিয়াই পৰা মানুহজনে নিজৰ পৰিয়ালৰ লগতে আমাকো এনেকৈ নিঠৰুৱা কৰি থৈ আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যাব। চিকিৎসা কৰাৰ সুযোগকণো কাকো নিদিয়াকৈয়ে আমাক মাথোঁ তেখেতৰ ধৰুৱা কৰিয়ে এৰি থৈ গ'ল। সেই ধাৰ এতিয়া আমি গ্রীণলেণ্ডবাসীয়ে কোনোদিনেই মাৰিব নোৱাৰিম।

এতিয়া আমি আটায়ে বোধহয় ভবাটো উচিত হ'ব, কেনেকৈ তেখেতৰ পৱিত্র স্মৃতিক আমাৰ মাজত চিৰযুগমীয়া কৰি জীয়াই ৰাখিব পাৰোঁ, সেই স্মৃতিক কেনেকৈ মূর্তমান কৰি ৰাখোঁ ! আমাৰ হিয়াৰ মণিকোঠাত তেখেতৰ যি স্মৃতি অমৰ হৈ ৰ'ব। বাঘ�ৰবড়ি গ্রীণলেণ্ড উন্নয়ন সমিতিৰ উদ্যোগত, সমূহ গ্রীণলেণ্ডবাসীৰ সহযোগত আৰু সমিতিৰ

সাধাৰণ সম্পাদক শ্ৰীধ্ৰুৱজিত শৰ্মাৰ একক তত্ত্বাৱধানত প্ৰকাশিত এই স্মৰণিকা গ্ৰন্থখন তাৰেই এটি ক্ষুদ্ৰ প্ৰয়াস।

গ্ৰীণলেণ্ডক লৈ সদায় গৰ্ব কৰি অহা গোস্বামীৰ অবিহনে গ্ৰীণলেণ্ড আজি নিৰ্জীৱ, নিষ্প্ৰাণ। আটাইখনতে যেন উৰুঙা উৰুঙা ভাব এটাই বিৰাজ কৰিছে। গ্ৰীণলেণ্ডৰ যেনিয়েই চাওঁ তাতেই তেওঁৰ সত্তাৰ পৰশ। যেন ইয়াৰ মাটিয়ে-পানীয়ে তেখেতৰ দেহৰ অণু-পৰমাণুবোৰ নিমজ্জিত হৈ ৰৈছে।

নিজৰ কায়িক অস্তিত্বৰ শেষ মুহূৰ্তলৈ কাকো কষ্ট নিদিয়াকৈ পঞ্চভূততে বিলীন হৈ যাব পৰা আত্মা কিমান পৱিত্ৰ হ'ব লাগিব! তেখেতৰ সেই মহান আত্মাৰ প্ৰতি মূৰ দোঁৱাই প্ৰণাম জনাইছোঁ। য'তেই থাকে তেখেত পৰম শান্তিত থাকক। লগত পৰমেশ্বৰৰ ওচৰত মিনতি কৰিছোঁ, যেন স্বৰ্গীয় গোস্বামীদেৱৰ পৰিবাৰ আৰু একমাত্ৰ পুত্ৰক তেখেতৰ অবিহনেও জীৱন যাত্ৰাত আগুৱাই যাবলৈ সাহস যোগাই যায়। ❖

অচ্যুত গোস্বামীৰ বিয়োগ বন্ধুত্বৰ এক বিষাদময় অনুভৱ

হৰ্ষমোহন শৰ্মা
অধ্যক্ষ, কামপীঠ কলেজ, নলবাৰী
ফোন-৯৪০১০৭৭২৭১

জীৱনৰ বাটত মানুহে বহু মানুহক লগ পায়। কোনোবা চিনাকি হৈ ৰয়, কোনোবা সহযাত্ৰী হয়, কোনোবা আকৌ আত্মীয়তাৰ সম্পৰ্কেৰে ওচৰ চাপি আহে। কিন্তু এই সকলোৰে মাজত কিছুমান মানুহ থাকে, যিসকলৰ সৈতে গঢ় লৈ উঠে এক বিশেষ আত্মিক সম্পৰ্ক। সেই সম্পৰ্কৰ কোনো আনুষ্ঠানিক নাম নাথাকে, নাথাকে কোনো স্বাৰ্থৰ বান্ধোন। থাকে মাথোঁ পাৰস্পৰিক আস্থা, বিশ্বাস, আন্তৰিকতা আৰু হৃদয়ৰ এক নিভাঁজ সংযোগ। এনে মানুহ এজনক হেৰুওৱাৰ বেদনা যে কিমান গভীৰ, সেয়া অনুভৱ কৰিব পাৰে মাথোঁ তেওঁক হেৰুওৱা মানুহজনেহে। অচ্যুত গোস্বামীৰ আকস্মিক বিয়োগে মোক তেনে এক গভীৰ বেদনাৰ সন্মুখীন কৰাইছে।

২০২৬ চনৰ ১১ নৱেম্বৰ। দিনটো মোৰ জীৱনৰ স্মৃতিৰ পাতত এক বিষাদময় দিন হিচাপে ৰৈ যাব। সেইদিনাই ইহলীলা সম্বৰণ কৰে মোৰ অতি আপোন গাঁৱৰে বন্ধু অচ্যুত গোস্বামীয়ে। তেওঁৰ মৃত্যুৰ বাতৰিটো লাভ কৰাৰ পাছত প্ৰথমে যেন বিশ্বাসেই কৰিব পৰা নাছিলোঁ। মানুহজন আৰু নাই—এই কঠিন সত্যটো মনটোৱে সহজে মানি ল'ব পৰা নাছিল। জীৱনৰ কিছুমান খবৰ কেৱল কাণেৰে শুনা নাযায়, সেইবোৰে হৃদয়ৰ গভীৰতাত বৰকৈ আঘাত কৰে। অচ্যুত গোস্বামীৰ মৃত্যুৰ খবৰটো মোৰ বাবে তেনে এক আঘাত।

১৯৬৬ চনৰ ১ মাৰ্চত জন্মগ্ৰহণ কৰা অচ্যুত গোস্বামীৰ পিতৃ বাসুদেৱ গোস্বামী আৰু মাতৃ কামিনী গোস্বামী। বজালী জিলাৰ টঙাৰকুৰ চুবুৰীৰ সৈতে তেওঁৰ আছিল জন্মসূত্ৰে সম্পৰ্ক। বজালী মহাবিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰি পৰৱৰ্তী সময়ত তেওঁ ব্যৱসায়ক জীৱিকাৰ পথ হিচাপে গ্ৰহণ কৰিছিল। জীৱনৰ সাধাৰণ পৰিক্ৰমাৰ মাজেৰেই তেওঁ নিজৰ পৰিচয় গঢ়ি তুলিছিল। কিন্তু মোৰ বাবে তেওঁৰ পৰিচয় কেৱল এজন ব্যৱসায়ী বা এজন চিনাকি মানুহৰ মাজতে সীমাবদ্ধ নাছিল। তেওঁ আছিল মোৰ জীৱনৰ এক বিশেষ স্থান অধিকাৰ কৰি থকা এজন আন্তৰিক বন্ধু।

অচ্যুত গোস্বামী মোৰ তুলনাত ছয় বছৰ ডাঙৰ আছিল। সাধাৰণতে বয়সৰ ব্যৱধানে মানুহৰ মাজত একধৰণৰ দূৰত্ব সৃষ্টি কৰে। কিন্তু আমাৰ ক্ষেত্ৰত বয়সৰ এই ব্যৱধান কেতিয়াও বন্ধুত্বৰ প্ৰাচীৰ হৈ থিয় দিয়া নাছিল। আমাৰ সম্পৰ্কটো আছিল সমনীয়াৰ দৰে। তেওঁৰ সৈতে কথা পাতোঁতে বয়সৰ কথা মনলৈ অহাই নাছিল। আছিল মাথোঁ মুকলি মনৰ আদান-প্ৰদান, পৰস্পৰৰ প্ৰতি বিশ্বাস আৰু এক সহজ-স্বাভাৱিক আন্তৰিকতা।

আমাৰ আলোচনাৰ পৰিসৰো আছিল বিস্তৃত। শিক্ষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, দেশ-বিদেশৰ ৰাজনীতি, সমসাময়িক বিশ্ব পৰিস্থিতি, আনকি খেল-ধেমালিৰ বিষয়েও আমি ঘণ্টাৰ পাছত ঘণ্টা কথা পাতিব পাৰিছিলোঁ। কোনো এটা বিষয়ত আমাৰ মতৰ অমিল হ'লেও সেয়া কেতিয়াও ব্যক্তিগত সম্পৰ্কৰ মাজলৈ আহিবলৈ দিয়া নাছিলোঁ। যুক্তি, তথ্য আৰু পৰস্পৰৰ মতামতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিয়েই আলোচনা আগবঢ়াই নিছিলোঁ। বহু সময়ত তেওঁৰ কোনো এটা যুক্তিয়ে মোক নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰিছিল, আকৌ কেতিয়াবা মোৰ কোনো বক্তব্যৰ সৈতে তেওঁ একমত নহৈ নিজৰ মত প্ৰকাশ কৰিছিল। কিন্তু এই মতানৈক্যৰ মাজতো আমাৰ বন্ধুত্বৰ উষ্ণতা কেতিয়াও হ্ৰাস পোৱা নাছিল।

মই ভাবোঁ, প্ৰকৃত বন্ধুত্বৰ সৌন্দৰ্য ইয়াতেই। বন্ধুত্ব মানে কেৱল একে চিন্তাৰ মানুহ হোৱা নহয়, বৰং ভিন্ন চিন্তাৰ মাজতো ইজনে সিজনক বুজিবলৈ চেষ্টা কৰা। যাৰ ওচৰত নিজৰ মনৰ কথা ক'বলৈ দ্বিতীয়বাৰ

ভাবিব নালাগে, যাৰ সৈতে নিজৰ সফলতা, বিফলতা, আনন্দ, দুখ, ক্ষোভ আৰু সংশয় নির্দ্বিধাই ভাগ-বতোৱাৰা কৰিব পাৰি, তেওঁহে প্ৰকৃত বন্ধু। অচ্যুতৰ সৈতে মোৰ সম্পৰ্কটো আছিল তেনে এক বিশ্বাসৰ সম্পৰ্ক। মানুহৰ জীৱনত বন্ধুত্বৰ প্ৰয়োজনীয়তা কিমান গভীৰ, সেয়া বয়স বঢ়াৰ লগে লগেহে অধিক অনুভৱ হয়। জীৱনৰ এটা সময়ত মানুহে উপলব্ধি কৰে যে সকলো কথা পৰিয়ালৰ মানুহৰ সৈতে আলোচনা কৰিব নোৱাৰি, সকলো অনুভৱ আত্মীয়ৰ আগত প্ৰকাশ কৰিব নোৱাৰি। কিছুমান কথা থাকে, যিবোৰ কেৱল এজন বন্ধুৰ আগতহে মুকলিকৈ ক'ব পাৰি। বন্ধুৰ ওচৰত মানুহে মুখা পিন্ধি থাকিব নালাগে। তাত নাথাকে সামাজিক মৰ্যাদাৰ অহংকাৰ, নাথাকে প্ৰতিপত্তিৰ প্ৰতিযোগিতা। থাকে মাথোঁ দুটা মনৰ সহজ আৰু নির্ভেজাল সংযোগ।

অচ্যুত গোস্বামী মোৰ বাবে তেনে এজন মানুহ আছিল। বহু সময়ত মনৰ ভিতৰত জমা হৈ থকা কথাবোৰ তেওঁৰ সৈতে আলোচনা কৰি এক মানসিক প্ৰশান্তি লাভ কৰিছিলোঁ। কিছুমান বিষয়ত তেওঁৰ সৈতে কথা পাতিবলৈ মন গ'লে ফোনটো হাতত তুলি লৈছিলোঁ। আমাৰ মাজত যোগাযোগৰ এক সহজ অভ্যাস গঢ় লৈ উঠিছিল। আজিও কেতিয়াবা কোনো এটা বিষয় মনলৈ আহিলে স্বাভাৱিকতে তেওঁৰ সৈতে আলোচনা কৰাৰ ইচ্ছা জাগি উঠিব। কিন্তু পিছমুহূর্ততে মনত পৰিব—সেই মানুহজন আৰু এই পৃথিৱীত নাই। এই উপলব্ধিটোৱেই বুকুৰ ভিতৰত এক অসহনীয় শূন্যতাৰ সৃষ্টি কৰে।

মৃত্যুৰ আটাইতকৈ কৰুণ দিশটো হয়তো ইয়াতেই যে ই মানুহক কেৱল আমাৰ পৰা আঁতৰাই নিয়াই নহয়, তেওঁৰ সৈতে জড়িত ভৱিষ্যতৰ অসংখ্য সম্ভাৱনাবোৰো অৱসান ঘটায়। আৰু কোনো নতুন আলোচনা নহ'ব, কোনো নতুন অভিজ্ঞতা ভাগ-বতোৱাৰা নহ'ব, কোনো বিষয়ত মতৰ অমিলক লৈ নতুনকৈ যুক্তি-তর্ক নহ'ব। অতীতৰ স্মৃতিবোৰ থাকিব, কিন্তু সেই স্মৃতিবোৰৰ সৈতে জড়িত মানুহজনৰ জীৱন্ত উপস্থিতি নাথাকিব। এই বাস্তৱতাক মানি লোৱাটো বৰ কঠিন।

বন্ধু হেৰুওৱাৰ বেদনা আৰু আপোনজন হেৰুওৱাৰ বেদনাৰ মাজত কিছুমান সাদৃশ্য থাকিলেও বন্ধুত্বৰ বিচ্ছেদৰ এক সুকীয়া যন্ত্ৰণা আছে।

বন্ধুৰে আমাৰ জীৱনৰ বহু অদৃশ্য অধ্যায়ৰ সাক্ষী হৈ থাকে। আমাৰ চিন্তা, অভ্যাস, সপোন, ব্যৰ্থতা আৰু জীৱনৰ বিভিন্ন পৰিৱৰ্তনৰ সৈতে তেওঁ পৰিচিত। সেয়ে এজন ঘনিষ্ঠ বন্ধুৰ মৃত্যু মানে কেৱল এজন মানুহৰ অনুপস্থিতি নহয়; নিজৰ জীৱনৰ এটা সময়, এটা পৰিৱেশ আৰু অসংখ্য অনুভৱো হেৰাই যোৱা। বন্ধুক হেৰুওৱাৰ লগে লগে নিজৰ অতীতৰ এক অংশও যেন হেৰাই যায়।

অচ্যুতৰ বিয়োগে মোক পুনৰ এবাৰ জীৱনৰ ক্ষণস্থায়িত্বৰ কথা সোঁৱৰাই দিলে। আমি সকলোৱে ভৱিষ্যতৰ বাবে বহু পৰিকল্পনা কৰোঁ। কিমান কথা ক'বলৈ বাকী থাকে, কিমান মানুহক লগ পাবলৈ বাকী থাকে, কিমান অভিমান ভাঙিবলৈ আৰু কিমান স্মৃতি সৃষ্টি কৰিবলৈ বাকী থাকে। অথচ জীৱনে আমাক কেতিয়া কোনটো বিদায়ৰ সন্মুখীন কৰাব, তাৰ কোনো নিশ্চয়তা নাই। সেয়ে মানুহৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ সময়ত আন্তৰিকতা, মৰম আৰু বিশ্বাসক সদায় অগ্ৰাধিকাৰ দিয়া উচিত। কাৰণ শেষত আমাৰ সৈতে নাথাকে ধন-সম্পত্তি, পদবী বা প্ৰতিপত্তি; ৰৈ যায় মানুহৰ প্ৰতি কৰা ব্যৱহাৰ আৰু হৃদয়ত এৰি যোৱা স্মৃতি।

অচ্যুত গোস্বামী আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ সৈতে কটোৱা সময়বোৰ, আমাৰ অসংখ্য আলোচনা, হাঁহি-ধেমালি আৰু মনৰ আদান-প্ৰদান মোৰ জীৱনৰ এক অমূল্য সম্পদ হৈ ৰ'ব। তেওঁৰ সৈতে জড়িত স্মৃতিবোৰে হয়তো আগন্তুক দিনবোৰত বাৰে বাৰে মোক অতীতলৈ ওভতাই লৈ যাব। কেতিয়াবা কোনো এটা আলোচনাৰ কথা মনত পৰিব, কেতিয়াবা তেওঁৰ কোনো এটা মন্তব্যই মনত দোলা দিব। তেতিয়া হয়তো চকুৰ কোণ সেমেকি উঠিব। কিন্তু সেই চকুলোত কেৱল বেদনা নাথাকিব, থাকিব এজন প্ৰকৃত বন্ধুক জীৱনত লাভ কৰাৰ এক নীৰৱ কৃতজ্ঞতাও।

মই বিশ্বাস কৰোঁ, মানুহৰ প্ৰকৃত মৃত্যু তেতিয়াহে হয়, যেতিয়া তেওঁক স্মৰণ কৰিবলৈ কোনো নাথাকে। অচ্যুত গোস্বামী মোৰ স্মৃতিত, মোৰ চিন্তা-চৰ্চাত আৰু আমাৰ বন্ধুত্বৰ অসংখ্য অধ্যায়ত জীয়াই থাকিব। তেওঁৰ অনুপস্থিতিয়ে সৃষ্টি কৰা শূন্যতা কোনো নতুন সম্পৰ্কই পূৰণ কৰিব

নোৱাৰিব। কাৰণ প্ৰতিটো বন্ধুত্বৰ নিজস্বতা থাকে, প্ৰতিটো হৃদয়ৰ সম্পৰ্কৰ নিজা এক সুকীয়া স্থান থাকে।

বন্ধু অচ্যুত, তোমাৰ বিদায়ে মোৰ হৃদয়ৰ এখন চিনাকি দুৱাৰ চিৰদিনৰ বাবে বন্ধ কৰি দিলে। তথাপি তোমাৰ সৈতে কটোৱা সময়বোৰ মোৰ জীৱনৰ স্মৃতিৰ ভঁৰালত অমলিন হৈ ৰ'ব। তোমাক আৰু লগ নাপাম, তোমাৰ সৈতে আৰু নতুনকৈ কথা পাতিব নোৱাৰিম—এই সত্যই মোক ব্যথিত কৰিব। কিন্তু তোমাৰ বন্ধুত্বই মোক যি আন্তৰিকতা, বিশ্বাস আৰু আত্মিকতাৰ সমৃদ্ধি দি গ'ল, সেয়া মোৰ জীৱনৰ এক অমূল্য প্ৰাপ্তি হৈ থাকিব।

অচ্যুত গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ জনালোঁ গভীৰ সমবেদনা। ঈশ্বৰে তেওঁলোকক এই অপূৰণীয় ক্ষতি সহ্য কৰিব পৰাকৈ শক্তি আৰু ধৈর্য প্ৰদান কৰক।

বিদায় বন্ধু। জীৱনৰ বাটত তোমাৰ সৈতে যাত্ৰা ইয়াতেই শেষ হ'ল, কিন্তু হৃদয়ৰ বাটত তুমি সদায় মোৰ সহযাত্ৰী হৈ থাকিবা। তোমাৰ স্মৃতি কেতিয়াও হেৰাই নাযায়। ❖

অচ্যুত গোস্বামীলৈ একাঁজলি শ্রদ্ধাঞ্জলি

ধ্রুৱজিৎ শর্মা
গ্রীণলেণ্ড পথ, পাঞ্জাবাৰী

এক অভাৱনীয়, অপ্রত্যাশিত আৰু অকল্পনীয় বাস্তৱ। ৰূঢ় বাস্তৱ। অচ্যুত গোস্বামীৰ চিৰদিনলৈ নোহোৱা হোৱাৰ কঠিন বাস্তৱ।

মৃত্যু চিৰন্তন সত্য—আমি জানো। কিন্তু এনেকুৱা নিদাৰুণ সত্য মানি ল'ব নোৱাৰি। এনেকুৱা সত্যই ধুমুহা আনে—সমাজত, পৰিয়ালত। এনেকুৱা সত্যই সপোন ভংগ কৰে, আশা নির্বাপিত কৰে।

অফুৰন্ত শক্তি, সদা ব্যস্ত, যোগাত্মক চিন্তাধাৰাৰ গোস্বামী সঁচা অর্থত এজন সম্পূর্ণ মানুহ আছিল। নিজৰ লগতে পৰিয়ালৰ কুশলৰ হেতু তেওঁৰ অগাধ আত্মবিশ্বাস আছিল। সদায় হাঁহি-স্ফূর্তি কৰি থকা গোস্বামীদেৱৰ যে এনেকুৱা অকাল মৃত্যু হ'ব ই সপোনৰো অগোচৰ।

সমাজৰ হকে কাম কৰাৰ বাবে গোস্বামীদেৱ সদায় আগৰণুৱা। সেই হেতুকে গ্রীণলেণ্ড উন্নয়ন সমিতি, বৃহত্তৰ ছয়মাইল পাঞ্জাবাৰী নাগৰিক উন্নয়ন মঞ্চ, হিন্দু সম্মিলন ইত্যাদিকে ধৰি বহু অনুষ্ঠান-প্রতিষ্ঠানৰ লগত তেখেত জড়িত আছিল আৰু নিঃস্বার্থভাৱে তেওঁ সেৱা আগবঢ়াই আছিল।

স্বচ্ছ গুৱাহাটী প্রতিযোগিতাত গ্রীণলেণ্ডৰ পাৰদর্শিতাৰ ক্ষেত্রত গোস্বামীদেৱৰ বৰঙণি গ্রীণলেণ্ডবাসীয়ে সদায় মনত ৰাখিব।

ব্যক্তিগতভাৱে গোস্বামী মোৰ বহু ঘনিষ্ঠ আছিল। বিভিন্ন সুখ-দুখ, দিহা-পৰামর্শ ইত্যাদিৰ বাবে দুইজনেই বহু কথা পাতিছিলোঁ। তেখেতৰ লগত কথা পতাৰ মাদকতাই বেলেগ। ক'ব লগা কথাবিলাক ধুনীয়াকৈ সজাই-পৰাই তেখেতে ক'ব জানিছিল আৰু সেই হেতুকে তেওঁৰ লগত হোৱা আড্ডাত কেনেকৈ সময় পাৰ হৈছিল গমেই পোৱা নাছিলোঁ।

অচ্যুত গোস্বামীৰ অকাল বিয়োগ আমাৰ বাবে এক বৃহৎ ক্ষতি। কায়িকভাৱে তেওঁক আমি নাপাওঁ, কিন্তু তেওঁৰ চিন্তাধাৰা, কর্মৰাজি আৰু আদর্শ আমাৰ মাজত জীয়াই ৰাখিব লাগিব। গোস্বামীদেৱৰ অবর্তমানত সর্বশক্তিমান ঈশ্বৰ প্রভুৱে তেখেতৰ পৰিয়ালক শক্তি দিয়ক। তেওঁৰ ল'ৰা শ্রীমান হিমাংক এজন সুনাগৰিক হিচাপে প্রতিষ্ঠিত হওক। সর্বশেষত, গোস্বামীদেৱৰ আত্মাই সৱগত স্থান পাওক তাৰেই কামনাৰে। ❖

স্মৃতিৰ মাজত সদায় জীয়াই থাকিব মৰমৰ অচ্যুত মামা

ভাস্কৰ শর্মা (বাবু)
হায়দৰাবাদ

জীৱনত কিছুমান মানুহৰ সংস্পর্শ পোৱা যায়, যিসকল কেৱল আমাৰ জীৱনৰ এটা অংশ হৈ নাথাকে; বৰঞ্চ নিজৰ মৰম, ব্যৱহাৰ আৰু ব্যক্তিত্বৰে আমাৰ হৃদয়ত এক বিশেষ স্থান দখল কৰি লয়। তেওঁলোকৰ শাৰীৰিক উপস্থিতি এদিন নোহোৱা হৈ গ'লেও তেওঁলোকে দি যোৱা স্মৃতি, শিক্ষা আৰু ভালপোৱা কেতিয়াও হেৰাই নাযায়। অচ্যুত মামা তেনে এজন বিশেষ ব্যক্তি আছিল।

২০২৬ চনৰ ১১ নৱেম্বৰৰ দিনটো মোৰ জীৱনৰ বাবে এক অতি বেদনাদায়ক দিন হৈ ৰ'ল। সেইদিনা অচ্যুত মামাই আমাক সকলোকে এৰি চিৰদিনৰ বাবে আঁতৰি গ'ল। কিন্তু তেওঁ আমাৰ মাজত এৰি থৈ গ'ল অজস্র মধুৰ স্মৃতি, মৰম আৰু জীৱনৰ বহুতো মূল্যৱান শিক্ষা।

মামাৰ কথা মনত পৰিলেই প্রথমে মনলৈ আহে তেওঁৰ সেই সুন্দৰ হাঁহিমুখীয়া মুখখন। সদায় মুখত এটি মিঠা হাঁহি লৈ থকা মানুহজনক সকলোৱে ভাল পাইছিল। তেওঁ আছিল অতি সামাজিক, সৰল মনৰ আৰু মৰমিয়াল মানুহ। চিনাকি-অচিনাকি সকলোৰে সৈতে অতি সহজে আপোন হৈ যাব পাৰিছিল। তেওঁৰ ব্যৱহাৰত কোনো কৃত্রিমতা নাছিল। মানুহক সন্মান কৰা, সকলোৰে সৈতে হাঁহি-ধেমালিৰে কথা পতা আৰু বিপদৰ সময়ত আনৰ কাষত থিয় দিয়াটো আছিল তেওঁৰ স্বভাৱৰ এক সুন্দৰ দিশ। তেওঁ কেৱল আমাৰ পৰিয়ালৰে নহয়, বহু মানুহৰ প্রিয় আৰু আপোন ব্যক্তি আছিল।

মোৰ শৈশৱৰ দিনবোৰৰ কথা ভাবিলে মামাৰ সৈতে কটোৱা সময়বোৰে মনটো স্মৃতিৰ এখন সুন্দৰ পৃথিৱীলৈ লৈ যায়। সৰুতে তেওঁ মোক স্কুললৈ লৈ গৈছিল আৰু স্কুল ছুটীৰ পাছত ঘৰলৈ ওভতাই আনিছিল। সেই দিনবোৰ হয়তো তেতিয়া মোৰ বাবে এক সাধাৰণ দৈনন্দিন অভ্যাস আছিল, কিন্তু আজি বুজি পাওঁ যে সেই সৰু সৰু মুহূর্তবোৰৰ মাজতেই কিমান গভীৰ মৰম আৰু দায়িত্ব লুকাই আছিল।

মামাৰ সৈতে বিহু চাবলৈ যোৱাৰ স্মৃতিবোৰ আজিও মনত সজীৱ হৈ আছে। বিহুৰ আনন্দ, মানুহৰ ভিৰ, ঢোল-পেঁপাৰ মাত আৰু মামাৰ সৈতে কটোৱা সেই সুন্দৰ সময়বোৰ এতিয়া মোৰ বাবে অমূল্য সম্পদ। আত্মীয়-স্বজনৰ ঘৰলৈও তেওঁৰ সৈতে গৈছিলোঁ। তেওঁৰ সৈতে যাত্রা কৰা, বিভিন্ন মানুহক লগ পোৱা আৰু নতুন নতুন অভিজ্ঞতা লাভ কৰা সেই দিনবোৰ মোৰ শৈশৱৰ অন্যতম ধুনীয়া অধ্যায়।

সঁচা কথা ক'বলৈ গ'লে, মামাৰ সৈতে মোৰ স্মৃতি ইমানেই বেছি যে সকলোবোৰ লিখিবলৈ গ'লে হয়তো লিখি শেষ কৰিব নোৱাৰিম। প্রতিটো স্মৃতিৰ সৈতে জড়িত হৈ আছে একোটা বিশেষ অনুভৱ, একোটা হাঁহি আৰু একোটা মৰমৰ মুহূর্ত। তেওঁ মোৰ শৈশৱৰ সময়ছোৱাত আমাৰ সৈতে আছিল। জীৱনৰ বহু কথা মই তেওঁৰ পৰা শিকিছোঁ। মানুহৰ সৈতে কেনেকৈ ভাল ব্যৱহাৰ কৰিব লাগে, সকলোৰে সৈতে কেনেকৈ মিলি থাকিব লাগে, আনৰ প্রতি কেনেকৈ সহায়ৰ হাত আগবঢ়াব লাগে— এইবোৰ কথা তেওঁৰ জীৱনশৈলীৰ পৰাই শিকিবলৈ পাইছিলোঁ।

মামা, আজি আপুনি আমাৰ মাজত নাই বুলি ভাবিবলৈও বৰ কষ্ট হয়। কেতিয়াবা মন যায় আকৌ এবাৰ আপোনাৰ সেই হাঁহিমুখীয়া মুখখন চাওঁ, আপোনাৰ সৈতে আগৰ দৰে কথা পাতোঁ, শৈশৱৰ সেই দিনবোৰলৈ উভতি যাওঁ। কিন্তু সময়ে কাকো উভতি যোৱাৰ সুযোগ নিদিয়ে। জীৱনৰ এই কঠিন সত্যটো মানি লোৱাৰ বাহিৰে আমাৰ হাতত আন কোনো উপায় নাই।

তথাপিও মই বিশ্বাস কৰোঁ, এজন মানুহৰ প্রকৃত মৃত্যু তেতিয়াহে হয় যেতিয়া তেওঁৰ স্মৃতি, কর্ম আৰু ভাল গুণবোৰ মানুহৰ মনৰ পৰা হেৰাই যায়। আপুনি আমাৰ হৃদয়ত সদায় জীয়াই থাকিব। আপোনাৰ

হাঁহি, আপোনাৰ মৰম, আপোনাৰ সহযোগিতা আৰু আপোনাৰ সৰল ব্যক্তিত্ব আমাৰ বাবে সদায় এক অনুপ্ৰেৰণা হৈ ৰ'ব।

জীৱনত ধন-সম্পত্তি বা পদবীতকৈ মানুহৰ হৃদয়ত লাভ কৰা ভালপোৱা আৰু সন্মান বহু বেছি মূল্যৱান। আপুনি নিজৰ সুন্দৰ ব্যৱহাৰ আৰু মৰমেৰে মানুহৰ হৃদয়ত যি স্থান লাভ কৰি গ'ল, সেয়াই আপোনাৰ জীৱনৰ আটাইতকৈ ডাঙৰ সম্পদ।

মোৰ শৈশৱক ইমান ধুনীয়া স্মৃতিৰে ভৰাই তোলাৰ বাবে আপোনাৰ ওচৰত মই চিৰকৃতজ্ঞ। আপোনাৰ পৰা পোৱা মৰম, শিক্ষা আৰু আশীৰ্বাদ মই জীৱনৰ প্ৰতিটো খোজতে লগত লৈ আগবাঢ়িম।

অচ্যুত মামা, আপুনি য'তেই নাথাকক, শান্তিত থাকক। ঈশ্বৰৰ ওচৰত মোৰ এটাই প্ৰাৰ্থনা— আপোনাৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক।

আপুনি আঁতৰি গ'ল, কিন্তু আপোনাৰ স্মৃতিবোৰ কেতিয়াও আঁতৰি নাযায়। সময় পাৰ হ'ব, দিন সলনি হ'ব, কিন্তু আপোনাৰ সৈতে কটোৱা শৈশৱৰ সেই সোণালী দিনবোৰ মোৰ হৃদয়ত চিৰদিনলৈ অমলিন হৈ থাকিব।

আপুনি কেৱল মোৰ মামা নাছিল, আপুনি আছিল মোৰ শৈশৱৰ এক অবিচ্ছেদ্য অংশ, মোৰ মৰমৰ মানুহ আৰু জীৱনৰ এগৰাকী বিশেষ প্ৰেৰণাৰ উৎস।

অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি আৰু গভীৰ মৰমেৰে অচ্যুত মামালৈ।

ওঁ শান্তি। ❖

মৰমৰ অচ্যুতৰ শান্তি কামনাৰে

সুৰেন গোস্বামী
কলকাতা

অচ্যুত গোস্বামী মোৰ নিজৰ মামাৰ কনিষ্ঠ সন্তান হিচাপে মোৰ ভাই। কল্পনাতীতভাৱে যোৱা ১১ নৱেম্বৰত তাৰ আকস্মিক বিয়োগৰ বাতৰি শুনি মই হতভম্ব হৈ পৰোঁ। বৰ্তমান মই মোৰ শাৰীৰিক দুৰ্বলতাৰ বাবে কলকাতাত নিজৰ ছোৱালীৰ লগত আছোঁ বাবে অচ্যুতৰ অন্ত্যেষ্টিক্ৰিয়াত থকাও সম্ভৱ নহ'ল। অনবৰতে তাৰ মুখখনলৈ মনত পেলাই বিধ্বস্তপ্ৰায় হৈ পৰিছোঁ।

মাৰ মামা, অৰ্থাৎ অচ্যুতৰ পিতৃ বাসুদেৱ গোস্বামীৰ বিয়োগৰ সময়ত অচ্যুত মাকৰ কোলাত গাখীৰ খোৱা ল'ৰা। মামাৰ বিয়োগৰ আগদিনাৰপৰা মই সিহঁতৰ ঘৰতে আছিলোঁ। মই তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। মামাৰ অতিপাত জ্বৰ হোৱাৰ খবৰ পাই আমি, অৰ্থাৎ মই, মোৰ মা, পিতা আৰু আমাৰ ডাঙৰ বাইদেউ সাৱিত্ৰী বালা চৌধুৰী মামাহঁতৰ ঘৰলৈ গৈছিলোঁ। সন্ধিয়া পৰত মা আৰু পিতা আমাৰ বেজকুছি গাঁৱলৈ ঘূৰি আহিছিল যদিও মই আৰু বাইদেউ থাকি গৈছিলোঁ।

সেইসময়ত ডাক্তৰ ৰোগীৰ ঘৰলৈ গৈ চিকিৎসা কৰাৰ পৰম্পৰা আছিল। ৰোগীক চিকিৎসায়লয়লৈ নিব লগা পৰিৱেশো নাছিল, সুবিধাও নাছিল। মামাকো পাটাছাৰকুছিৰ নৰেন শৰ্মা (কম্পাউণ্ডাৰ) আৰু আন এজন ডাক্তৰে নেৰা-নেপেৰাকৈ চিকিৎসা কৰিছিল যদিও, তেওঁলোকৰ চেষ্টা বিফল হ'ল আৰু মামাই পাছদিনা ৰাতিপুৱা আঠমান বজাতে শেষ নিশ্বাস ত্যাগ কৰে।

মোৰ ৰিণি ৰিণি মনত পৰে, ঘৰখনত এটা শোকাকুল পৰিৱেশ চলি থাকোঁতেই আমাৰ ডাঙৰ বায়ে কান্দি থকা অচ্যুতক নি মাকৰ (মামীৰ)

কোলাত দিছিল। এটা নিতান্তই হৃদয় বিদাৰক পৰিস্থিতি আৰু পৰিৱেশ;— এফালে স্বামীহাৰা মামীৰ হিয়াভগা কান্দোন আৰু কোলাত গাখীৰ খোৱা সন্তান অচ্যুত। সেই দৃশ্যই আজিও মোক ব্যথিত কৰে। এই বেদনাৰ মাজতে গাঁৱৰ দুইগৰাকীমান অত্যন্ত 'পৰম্পৰাত বিশ্বাসী' বিধৰা মহিলাই মামাৰ মৃতদেহৰ কাষতে শোক-বিহ্বলা হৈ কান্দি থকা মামীৰ কপালৰ সেন্দূৰ মচি দিয়া আৰু হাতৰ খাৰু ভাঙি-খুলি দিয়াৰ দৰে এক অসহনীয় পৰিস্থিতিৰো সূচনা কৰিছিল, যিটো সময়ত মামীয়ে অচ্যুতকো কোলাত লৈ আছিল। আমি সেই পৰিস্থিতিত উদ্ভৰ হোৱা দুখ অনুভৰ কৰিছিলোঁ, কিন্তু প্রতিবাদ কৰিব জনা নাছিলোঁ। এক পৰম্পৰা বুলিয়েই মানি ল'ব লগা হৈছিল। যি কি নহওক, এতিয়া অচ্যুতৰ মৃত্যুৰ পাছত সেইবোৰ কথাই মনত ভূমুকি মৰাত নিজকে সান্ত্বনা দিবলৈ অপাৰগ হৈ পৰিছোঁ।

মামা বাসুদেৱ গোস্বামী আছিল এগৰাকী দেৱতুল্য ব্যক্তি; অতি অমায়িক, সদা-হাস্যময়, মৃদুভাষী, সকলোৰে প্রিয় আৰু অতি কষ্টসহিষ্ণু। আর্থিকভাৱে অতি দুর্বল সত্ত্বেও কোনোদিনে ভাগি পৰা দেখা নাই। মামাৰ চাৰিজনী ছোৱালী আৰু চাৰিজন ল'ৰা সন্তানৰ ভিতৰত অচ্যুত আছিল সবাতোকৈ সৰু। খেতি-বাতিয়ে আছিল মামাহঁতৰ মূল উপার্জনৰ সমল। ইয়াৰ মাজতে চাৰিওজনী কন্যাক সুযোগ্য পাত্রত বিয়া দিয়া, চাৰিওটা ল'ৰাক শিক্ষিত কৰি মানুহ কৰাৰ দায়িত্বও মামাই বাৰীখনৰপৰা হোৱা সীমিত উপার্জনেৰেই কৰিব লগা হৈছিল। ইয়াতেই নকৈ নোৱাৰিলোঁ যে মামাই অতি কষ্টেৰে ল'ৰা-ছোৱালীকেইটাক পঢ়াইছিল যদিও ডাঙৰ ল'ৰা ভূৱন দাই ১৯৬২ চনত প্রৱেশিকাত উত্তীর্ণ হৈহে মামাক সামান্য আশাৰ ৰেঙণি দেখুৱাইছিল। কিন্তু মামা নিজেই আঁতৰি গ'ল। এনে অৱস্থাত ঘৰৰ সকলো দায়িত্ব প্রায় ভূৱন দাদাৰ ওপৰতে পৰিল।

'যাৰ একো নাথাকে, তাৰ সহায় ভগৱান'— এই আপ্ত বাক্যশাৰী মামাৰ পৰিয়ালত সত্য বুলি প্রতিপন্ন হৈছে। ইয়াৰ মুখ্য কাৰণ, আমি দেখা মতে, পৰিয়ালৰ আটাইৰে মাজত মিলাপ্রীতি, মৰম-চেনেহ, সৰলতা আৰু স্বাভাৱিক হাঁহিমুখীয়া স্বভাৱ। গাঁওখনৰ ভিতৰতে এটা অন্যতম সন্মানীয় আৰু আদৰৰ পৰিয়াল এই ভূৱন-অচ্যুতৰ পৰিয়াল বুলিলেও অত্যুক্তি

নহয়। এই মহান গুণৰ বাবেই ভগৱানে পৰিয়ালটোক স্বাৱলম্বী হৈ উঠাৰ বাবে আশীৰ্বাদপুষ্ট কৰিছে।

মেট্ৰিক পাছ কৰিয়েই ভূৱন দাই ডাক-তাঁৰ বিভাগত চাকৰি পাই সামান্য মূৰ দাঙিব পৰা হ'ল। ইয়াৰ পাছত দ্বিতীয় ভ্ৰাতৃ গোপেশ্বৰেও চাহ বাগিচাত চাকৰি পোৱাৰ পাছত ক্ৰমান্বয়ে আটাইকেইটা ভ্ৰাতৃ স্বাৱলম্বী হৈ পৰিল। আমাৰ ঘৰখন মামাহঁতৰ ঘৰৰপৰা মাত্ৰ দুই কিলোমিটাৰ দূৰত হোৱাত সেইখন ঘৰ আমাৰ প্ৰায় 'ভাত ঘৰ' হেন হৈ পৰিছিল। বাল্যকালটো ভূৱনদা, গোপেশ্বৰহঁতৰ লগত উমলি-জামলি কটোৱা বুলি ক'লেও ভুল নহয়। কিন্তু অচ্যুত আছিল একেবাৰে কনিষ্ঠ; গতিকে সি আমাৰ 'খেলৰ পুতলা'ৰ দৰে আছিল যদিও আমাৰ বিশেষ সংগী নাছিল। ইতিমধ্যে আমিও স্কুল-কলেজ পাৰ কৰি, চাকৰিত ব্যস্ত হৈ পৰিলোঁ বাবে পৰিয়ালটোৰ লগত আগৰ সেই দৈনন্দিন যোগাযোগ বহুখিনি বাধাপ্ৰাপ্ত হ'ল। তদুপৰি মামাৰ ছোৱালী (বাইদেউ আৰু ভনী) কেইজনীৰ বিবাহ-মৃত্যু, ভূৱনদা, গোপেশ্বৰৰ অকাল মৃত্যুৱে আমাৰ মৰম-চেনেহৰ কঠিন বান্ধোনক স্বাভাৱিকভাৱেই ঢিলা কৰি তুলিছে। এনে সময়তে অচ্যুতৰ অকাল মৃত্যুৱে আমাক এখন শোকৰ গভীৰ সমুদ্ৰত চিৰদিনলৈ পেলাই দিলে।

মোৰ মনত পৰা হিচাপে, আমাৰ জীৱনৰ আটাইতকৈ বেছি নিকট আৰু স্থায়ী সম্পৰ্ক গঢ়ি উঠা পৰিয়ালটোৱে হ'ল, এই মামাহঁতৰ পৰিয়ালটোৰ ভাই-ভনীসকল। এনেস্থলত, এই পৰিয়ালৰ কনিষ্ঠতম সদস্য অচ্যুতৰ আকস্মিক মৃত্যুত আমি কিমান মৰ্মাহত হৈছোঁ, তাক বৰ্ণাব নোৱাৰোঁ।

অচ্যুত মোতকৈ বয়সত প্ৰায় ১৬-১৭ বছৰ সৰু। এতিয়াও সি মোৰ মানত সেই তাহানি পোৱা কেঁচুৱাৰ দৰেই হৈ আছে। বজালী কলেজৰপৰা স্নাতক হৈ ব্যৱসায়ত ভৰি দি অতি কষ্টেৰে সি স্থায়ী ঠিকনা কৰিছিল পাঞ্জাবাৰীত। মৰমৰ ভাই বুলি দুই-তিনিবাৰ মই তাৰ ঘৰলৈ গৈছোঁ, দাবী কৰি খাইছোঁ, ধেমালি কৰিছোঁ। ফোন যোগেও আমাৰ কথা-বতৰা প্ৰায়ে হৈছিল। তাৰ সেই অন্তৰ খোলা মিঠা মাত-কথা, সদায়ে লাগি থকা তাৰ মুখৰ মিঠা হাঁহিটি আজিও মোৰ চকুৰ আগত ভাঁহি উঠে। অচ্যুত আছিল

এজন সামাজিক ব্যক্তি। পাঞ্জাবাৰীৰ অঞ্চলটোৰ উন্নয়নৰ বাবে সি যথেষ্ট কাম কৰিছিল আৰু এজন জনপ্ৰিয় ব্যক্তি আছিল। সি বাঘৰবড়ি গ্ৰীণলেণ্ড উন্নয়ন সমিতি, হিন্দু সন্মিলন আদিকে ধৰি কেইবাটাও অনুষ্ঠানৰ লগত জড়িত আছিল।

শুনিবলৈ পাইছোঁ যে মৃত্যুৰ আগদিনাও সি বোলে ভাস্কৰ শর্মা ভাগিনৰ লগত কথা পাতোঁতে মোৰ কথা সুধিছিল। মই এতিয়া শাৰীৰিক দুর্বলতাৰ বাবে ঘৰতে আৱদ্ধ হোৱা বুলি জানি অচ্যুতে দুখ কৰিছিল, 'এহ, তাৰো তেনে হ'লনে !' বুলি। এই বাক্যষাৰতে কিমান গভীৰ মৰম-শ্ৰদ্ধা লুকাই আছে ধৰিব পাৰি। কিন্তু বিধাতাই কাকো সময় নিদিয়ে। কোনেও কাৰো শেষ মুহূর্তৰ খবৰ ল'বলৈ সময় নাপালোঁ। মই মাত্ৰ অনুভৱ কৰিব পাৰিছোঁ, 'যাব লাগিছিল মই; মোৰ আৰু কাম নাই; সংগীহীন'। কিন্তু বিধাতাই লৈ গ'ল অচ্যুতক; অকস্মাতে, তাৰ কোমল বয়সীয়া পত্নী আৰু শিক্ষাও সমাপ্ত নোহোৱা একমাত্ৰ সন্তানক নিঠৰুৱা কৰি থৈ। তথাপি মই পূর্ণ আশাবাদী যে যেনেদৰে ভগৱানে নিঃকিন পৰিয়ালটোক স্বাৱলম্বী হ'বলৈ শক্তি প্ৰদান কৰিছে; অচ্যুতক সংস্থাপিত হ'বলৈ শক্তি দান দিছে, তেনেকৈয়ে তাৰ পত্নী-পুত্ৰকো সহায় সহযোগ কৰি সুখ-শান্তি প্ৰদান কৰিব। শেষত পুনৰ ভগৱানে অচ্যুতৰ বিদেহ আত্মাৰ সদ্‌গতি কৰক আৰু পৰিয়ালটোক শান্তি সমৃদ্ধি প্ৰদান কৰক, এয়ে কামনা কৰিলোঁ। ❖

১৬-১১-২৬

অচ্যুত গোস্বামীলৈ একাঁজলি চকুলো

প্রভাত চন্দ্র ঠাকুৰীয়া
গুৱাহাটী

মাত্র ষাঠিটা বসন্ততে আকস্মিকভাৱে জীৱন নাটৰ যৱনিকা পেলোৱা অচ্যুত গোস্বামী আছিল এগৰাকী প্রকৃত সমাজসেৱী। তেওঁৰ মৃত্যুৰ লগে লগে হেৰুৱালোঁ আমাৰ সংগঠনৰ এগৰাকী সহযোদ্ধা। ভৱিষ্যতৰ যিকোনো কার্যক্রমতে হিন্দুত্ববাদী নেতা অচ্যুত গোস্বামীৰ শূন্যতা আমি সদায়ে অনুভৱ কৰিব লাগিব। বিশেষকৈ বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী মহানগৰৰ উপ-সভাপতি হিচাপে সংগঠনটোলৈ আগবঢ়োৱা তেওঁৰ অৱদান সদায়ে স্মৰণীয় হৈ থাকিব। কদাপি পাহৰিব নোৱাৰিম অচ্যুত গোস্বামীৰ সৈতে গঢ়ি উঠা আত্মীয়তা।

অচ্যুত গোস্বামী আছিল বিশ্ব হিন্দু মহাসংঘৰ এগৰাকী অতি নিষ্ঠাৱান জ্যেষ্ঠ কার্যকর্তা। সংগঠনটোৰ গুৱাহাটী মহানগৰৰ সন্মানীয় সভাপতিৰ পদত আসীন থকা গোস্বামীয়ে পৰৱর্তী কার্যকালৰ বাবে স্বইচ্ছাৰে আমাৰ ওপৰত সভাপতিৰ গুৰু দায়িত্ব অর্পণ কৰি নিজে উপ-সভাপতিৰ পদত থাকিবলৈ আগ্রহান্বিত হয়। অচ্যুত গোস্বামীৰ এনে বদান্যতাই উদঙাই দিয়ে সংগঠনটোৰ বয়োজ্যেষ্ঠ কার্যকর্তালৈ থকা তেওঁৰ উদাৰতা, সন্মান। বিগত কেইবা বছৰ ধৰি গোস্বামীৰ সৈতে থকা আমাৰ সম্পর্কই গঢ়ি তুলিছিল অতি ঘনিষ্ঠতা। বিগত ২৩ জানুৱাৰীত পাঞ্জাবাৰীস্থিত শিল্পগ্রামত আয়োজন কৰা ‘হিন্দু সন্মিলন’ৰ সভাপতিৰ দায়িত্ব ৰাজহুৱাভাৱে আমাৰ ওপৰত ন্যস্ত কৰাত সন্মিলনৰ সাধাৰণ সম্পাদক ৰঞ্জন কুমাৰ চক্রৱর্তীৰ সৈতে আলোচনা কৰি কোষাধ্যক্ষৰ দৰে অতি গুৰুত্বপূর্ণ পদ অর্পণ কৰা হয় অচ্যুত গোস্বামীৰ দৰে এগৰাকী হিন্দুত্ববাদী কার্যকর্তাৰ ওপৰতে। নিজৰ গধুৰ কর্তব্য নিষ্ঠাসহকাৰে ৰূপায়ণ

কৰাৰ লগতে সমগ্ৰ অনুষ্ঠানটোৰ সফলতাৰ আঁৰৰ অন্যতম ব্যক্তিজনো আছিল অচ্যুত গোস্বামী। তেওঁৰ এনে সেৱা সদায়ে কৃতজ্ঞতাৰে সুঁৱৰিব সংগঠনটোৱে। তেওঁৰ অভাৱ প্ৰতিটো মুহূৰ্ততে হয়তো আমি অনুভৱ কৰিব লাগিব। তেওঁক হঠাৎ হেৰুৱাৰ বেদনা আমি হয়তো সহজে পাহৰিব নোৱাৰিম। বয়সত কনিষ্ঠ কাৰ্যকৰ্তাগৰাকীক কম বয়সতে হেৰুৱাই আজিও আমি অতি মৰ্মাহত হৈ আছোঁ। এনে মৰ্মস্পৰ্শী সময়ত শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাবলৈও যে আজি ভাষাৰ অভাৱ অনুভৱ কৰিছোঁ। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ লৈও বাৰে বাৰে থমকি ৰৈছে কাপ। মাথোঁ পৰম শক্তিৰ ওচৰত প্ৰাৰ্থনা জনাইছো হিন্দুত্ববাদী নেতাজনৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে.....।

ওম শান্তি ! ওম শান্তি !! ওম শান্তি !!! ❖

গোস্বামী দাৰ স্মৃতিত এক শ্রদ্ধাঞ্জলি

বিকু ৰঞ্জন বাস্যৰ
গ্রীণলেণ্ড পথ, পাঞ্জাবাৰী

তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ।

আমাৰ পৰিয়ালটোৱে ১৯৯০ চনত এই ঘৰটোলৈ আহিছিল। তেতিয়া মোৰ বয়স আছিল প্রায় ৭-৮ বছৰ। সেই সময়ৰ পৰাই আমাৰ ঘৰৰ সন্মুখৰ মাটিখিনি খালী হৈ থকা দেখিছিলোঁ। বাৰিষা কালত ঠাইখিনি পানীৰে উপচি পৰিছিল আৰু শীতকালত সম্পূর্ণ শুকান হৈ পৰিছিল।

কেইবছৰমানৰ পাছত এদিনৰ কথা আজিও মোৰ স্পষ্টকৈ মনত আছে। এজন হাঁহিমুখীয়া ব্যক্তিয়ে দেউতাৰ সৈতে কথা পাতি আছিল। দেউতাই মোক তেওঁৰ সৈতে চিনাকি কৰাই দি কৈছিল, 'বিকু, এয়া গোস্বামী। এই মাটিখিনিৰ গৰাকী। অতি সোনকালেই ইয়াত ঘৰ সাজিব।'

সেইদিনাৰ পৰাই গোস্বামীদা প্রায়ে নিজৰ মাটিখিনিলৈ আহিবলৈ ধৰিলে। আমাৰ মাজত দেখা-সাক্ষাৎ আৰু কথা-বতৰা হ'বলৈ ধৰিলে। লাহে লাহে তেখেতৰ সৈতে এক আন্তৰিক সম্পর্ক গঢ় লৈ উঠিল। ময়ো তেখেতক মৰমেৰে গোস্বামী দা বুলি মাতিবলৈ ধৰিলোঁ।

কিছুদিনৰ পাছত তেখেতে নিজৰ ঘৰ নির্মাণ কৰি পৰিয়ালসহ তাত থাকিবলৈ ল'লে। এদিন আমাকো নিজৰ ঘৰলৈ নিমন্ত্রণ জনালে আৰু পৰিয়ালৰ সকলোৰে সৈতে চিনাকি কৰাই দিলে। সেইদিনাৰ পৰাই আমাৰ দুয়োটা পৰিয়ালৰ মাজত এক সুন্দৰ আৰু আত্মীয়তাপূর্ণ সম্পর্ক গঢ় লৈ উঠিল।

আজিও মোৰ মনত পৰে, এদিন ৰাতিপুৱা গোস্বামী দাই মোৰ মাক অতি আনন্দেৰে জনাইছিল যে তেখেতৰ পুত্রই এখন আয়ুর্বেদিক চিকিৎসা মহাবিদ্যালয়ত পঢ়িবলৈ নামভর্তিৰ সুযোগ লাভ কৰিছে। তেখেতৰ মুখত সেই আনন্দৰ খবৰ শুনি আমিও বৰ আনন্দিত হৈছিলোঁ।

প্রতিদিনে ৰাতিপুৱা গোস্বামী দাই নিজৰ ঘৰৰ ছাদত খোজ কাঢ়িছিল আৰু মোৰ মায়েও আমাৰ ঘৰৰ ছাদত সময় কটাইছিল। দুয়োৰে মাজত

প্ৰায়ে কথা-বতৰা হৈছিল। তেখেতে অঞ্চলটোৰ বিদ্যুৎ যোগান, ৰাস্তা-ঘাটকে ধৰি বিভিন্ন সমস্যাৰ বিষয়ে মাৰ সৈতে আলোচনা কৰিছিল।

গোস্বামী দা কেৱল এজন ভাল চুবুৰীয়া নাছিল, তেখেত আছিল এগৰাকী সমাজহিতৈষী, কর্মোদ্যমী আৰু সমাজৰ প্ৰতি দায়বদ্ধ ব্যক্তি। আমাৰ গ্ৰীণলেণ্ড অঞ্চলটোৰ উন্নতিৰ কথা তেখেতে সদায় চিন্তা কৰিছিল। স্থানীয় পাৰিষদৰ সৈতে যোগাযোগ কৰি ৰাস্তা নির্মাণৰ বাবে দাবী জনাইছিল আৰু অঞ্চলটোৰ উন্নয়নৰ হকে অহৰহ চেষ্টা চলাই গৈছিল। নিজৰ অঞ্চলটোক এখন সুন্দৰ আৰু উন্নত ঠাই হিচাপে গঢ়ি তোলাৰ প্ৰতি তেখেতৰ আন্তৰিকতা সঁচাকৈয়ে প্ৰশংসনীয় আছিল।

প্ৰতিদিনে ৰাতিপুৱা যেতিয়া মই ঘৰৰ মূল দুৱাৰখন খোলোঁ, তেতিয়াই মনৰ কোনোবা এটা কোণত এনে অনুভৱ হয়, যেন গোস্বামী দা এইবাৰো নিজৰ চিনাকি হাঁহিটোৰে মোৰ কাষলৈ আহি সুধিবহি—

'বিকু, কেনে আছা?'

হয়তো এয়াই জীৱনৰ আটাইতকৈ বেদনাদায়ক সত্য— কিছুমান মানুহে আমাৰ জীৱনত ইমান গভীৰভাৱে স্থান লয় যে তেওঁলোক আঁতৰি যোৱাৰ পাছতো প্ৰতিটো দিনৰ প্ৰতিটো মুহূর্ততে তেওঁলোকৰ উপস্থিতি অনুভৱ কৰোঁ।

সেই চিনাকি হাঁহি, আন্তৰিক কথাবোৰ আৰু একেলগে কটোৱা সময়বোৰ আমাৰ মনৰ মাজত চিৰদিন সজীৱ হৈ থাকিব।

গোস্বামী দা, আপুনি কেৱল আমাৰ এজন চুবুৰীয়া নাছিল, আপুনি আছিল আমাৰ পৰিয়ালৰ এজন আপোন মানুহ। আপোনাৰ সৈতে জড়িত প্ৰতিটো স্মৃতিয়ে আমাক আজীৱন আপোনাৰ কথা সোঁৱৰাই থাকিব।

আপুনি য'তেই নাথাকক, শান্তিত থাকক। আপোনাৰ স্মৃতি আমাৰ হৃদয়ত চিৰদিন অমলিন হৈ ৰ'ব।

পৰম কৰুণাময় ঈশ্বৰে তেখেতৰ বিদেহ আত্মাক চিৰশান্তি প্ৰদান কৰক আৰু শোকসন্তপ্ত পৰিয়ালবর্গক এই অসহনীয় দুখ সহ্য কৰিব পৰাকৈ শক্তি দিয়ক।

ওঁ শান্তি।

গোস্বামী দা, আপোনাৰ প্ৰতি আমাৰ অন্তৰৰ গভীৰতম শ্ৰদ্ধা আৰু অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি। ❖ *বিকু আৰু পৰিয়ালৰ তৰফৰ পৰা*

বিষাদে চুব নোৱৰা ব্যক্তিজনৰ সোঁৱৰণত

ভনীতা গোস্বামী
ভতিজা বোৱাৰী
পাটাছাৰকুছি

মানুহ মৰণশীল। এই চৰম সত্য জনাৰ পাছতো আমি আপোনজনৰ মৃত্যু মানি ল'বলৈ টান পাওঁ। চিনাকি-অচিনাকি যিকোনো ব্যক্তিৰ মৃত্যুৰ বাতৰিয়ে কিয় নাজানো মোক বহুত মনোকষ্ট দিয়ে। তাতে যদি আপোন কোনোবা ঢুকোৱা খবৰ মই শুনো, লগে লগে মোৰ কিছু ছেকেণ্ডৰ বাবে উশাহ-নিশাহ বন্ধ হৈ যায়।

সেইদিনা আছিল বুধবাৰ। ২০২৬ চনৰ ১১ নৱেম্বৰ। নিশা তেতিয়া প্ৰায় ২ বাজি ৫০ মিনিটমান হৈছিল। আগদিনা ৰাতি বহুত দেৰিলৈকে নাগাৰা নাম চোৱা বাবে গভীৰ টোপনি আহিছিল। ঠিক সেই সময়তে মোক কোনোবাই মাতি থকা যেন পাইছিলোঁ। টোপনিৰ পৰা খকমকাই কোনোমতে চকু দুটা মেলি দেখিছিলোঁ যে মোৰ স্বামীয়ে কঁপি কঁপি আমাৰ শোৱা কোঠাৰ দুৱাৰমুখত ৰৈ আছিল। তেওঁ মোক কিবা ক'ব বিচাৰিছিল কিন্তু ক'ব পৰা নাছিল। ভয়তে মই একেজাঁপে বিছনাত উঠি বহিছিলোঁ আৰু তেওঁক সুধিছিলোঁ—"কি হৈছে কওকচোন।" তেওঁ থোকা-থুকি মাতেৰে কৈছিল, "এটা বেয়া খবৰ আছে।" বেয়া খবৰটো শুনিবলৈ সেই মাজৰাতি মোৰ সাহস হোৱা নাছিল। কিন্তু মনত সাহস গোটাই ময়ো কঁপি কঁপি সুধিছিলোঁ, "কি? কি? কাৰ কি হ'ল?" তেওঁ কৈছিল, "অচ্যুৎ খুৰা আৰু নাই'। মই যেন কিছু সময়ৰ বাবে বাকৰুদ্ধ হৈ পৰিছিলোঁ, নিজৰ কাণ দুখনকে বিশ্বাস কৰিব পৰা নাছিলোঁ। ভাবিছিলোঁ

মানুহৰ মৃত্যু ইমান সুলভ নে? ৰাতিপুৱা আমাৰ গাঁৱৰ ঘৰৰ পৰা হাঁহিমুখে ওলাই যোৱা সুস্থ মানুহজন এনেকৈ হঠাৎ নোহোৱা হৈ যাব পাৰেনে? আজি কেইবছৰমান আগত ক'ৰবাৰ পৰা (ঠাইখনৰ নাম মোৰ মনত নাই) উভতি আহোঁতে হঠাৎ হোৱা এটা ভয়ংকৰ ৰেল দুর্ঘটনাত মৃত্যুক জয় কৰি অহা আমাৰ সাহসী খুৰাজন এনেকৈ গুচি যাব পাৰেনে? খুৰাৰ মৃত্যুৰ বাতৰিয়ে মোক ভাবিবলৈ বাধ্য কৰাইছিল যে এইবাৰ কালী পূজাত খুৰাই নিজৰ ওপজা গাঁও আৰু ঘৰখনলৈ অকল পূজা চাবলৈকে নহয়, নিজৰ আপোন মানুহখিনি, বন্ধুবৰ্গ আৰু গাঁৱৰ মানুহখিনিক মাত লগাবলৈও আহিছিল। কাৰণ এইবাৰ তেওঁ অইনবাৰতকৈ গাঁৱৰ ঘৰত দুদিনমান বেছিকৈ আছিল।

এইবাৰ খুৰা কালী পূজাত ঘৰলৈ আহোঁতে মই সুধিছিলোঁ—"খুৰা, আপুনি অলপ খীণাইছে।" খুৰাই সেই স্বভাৱসুলভ হাঁহিটো মাৰি কৈছিল—"ভনীতা, মোৰ অসুখ হা।" কি হৈছে বুলি সোধাত খুৰাই কৈছিল তেওঁৰ হেনো কেইদিনমানৰ পৰা খোজ কাঢ়িলে বহুত ভাগৰ লাগে আৰু বুকুখন ধপধপায়। কথাখিনি শুনি মই খুৰাক ই.চি.জি. এখন কৰাই ল'বলৈ কৈছিলোঁ। খুৰাইও হ'ব বুলি শলাগিছিল। কিন্তু খুৰা বা আমি কোনেও সপোনতো ভবা নাছিলোঁ যে ডাক্তৰক দেখুওৱাৰ আগতে এনেকুৱা এটা নভবা নিচিন্তা ঘটনা ঘটিব।

২০১৫ চনত পাটাছাৰকুছিলৈ বিয়া হোৱাৰ পাছত পৰিয়ালৰ এজন সদস্য হিচাপে সৰু খুৰাক লগ পাইছিলোঁ। সুন্দৰ-সুঠাম চেহেৰাৰ, হাঁহিমুখীয়া চৌখিন সৰু খুৰাক দেখিলেই প্ৰতিজন ব্যক্তিৰ শ্ৰদ্ধা-ভক্তি জাগি উঠিছিল। কোনোদিন বিষাদে মুখৰ হাঁহি ম্লান কৰিব নোৱৰা খুৰাৰ গাঁওখনৰ প্ৰতি আৰু নিজৰ ঘৰখনৰ প্ৰতি ভালপোৱা আছিল অপৰিসীম। কৰ্মসূত্ৰে যদিও খুৰা গুৱাহাটীত আছিল, তথাপিও ঘৰৰ আৰু গাঁৱৰ সকলো উৎসৱ-পাৰ্বণ, কাজ-কৰ্মত খুৰা সদায় উপস্থিত আছিল।

তেওঁ আছিল খুব স্বাস্থ্য সচেতন। নিজেও সময়মতে খাদ্য গ্ৰহণ কৰিছিল আৰু আনকো সময়মতে খাবলৈ উপদেশ দিছিল। প্ৰতিবাৰ ঘৰলৈ আহিলে খুৰাই আমাক 'ভাত কমকৈ খাবা, চেনি নাখাবা আৰু দৈনিক

অলপ হ'লেও খোজ কাঢ়িবা, আদি বিভিন্ন উপদেশমূলক কথা কৈ গৈছিল।

খুৰাৰ আটাইতকৈ ভাল লগা গুণটো আছিল স্পষ্টবাদিতা। যি কয় সদায় স্পষ্টকৈ কৈছিল। সঁচা কথাত কোনোবাই বেয়া পাব বুলি তেওঁ কাকো কেৰেপ কৰা নাছিল। ধনী-দুখীয়া, সৰু-ডাঙৰ সকলো মানুহক তেওঁ সদায় সমান চকুৰে চাইছিল আৰু সকলোৰে লগত সমান আগ্রহেৰে কথা পাতিছিল। ঘৰৰো সকলো সদস্যৰ যিকোনো বিপদত তেৱেঁই আছিল মাত মাতিব পৰা, সমস্যা সমাধান কৰিব পৰা এজন ব্যক্তি।

গুৱাহাটীলৈ গ'লে প্রায়েই খুৰাই তেওঁলোকৰ ঘৰলৈ ভাত খাবলৈ মাতিছিল। আমি যেতিয়াই খুৰাৰ ঘৰলৈ নাযাওঁ কিয়, প্রতিদিনে খুৰাই আমি গৈ পোৱাৰ আগতে গেটৰ কাষত ইফাল-সিফাল কৰি আমালৈ ৰৈ থাকে। খোৱা টেবুলত চাহ-ভাতৰ পৰা পানীৰ গিলাচটোলৈকে খুৰাই যোগান ধৰিছিল।

এতিয়া আৰু এই সকলোবোৰ স্মৃতি হৈ ৰৈ যাব। খুৰাৰ অভাৱ আমি প্রতি মুহূৰ্তত অনুভৱ কৰিম। বিশেষকৈ ঘৰৰ দেউল আৰু গাঁৱৰ কালী পূজাৰ সময়ত খুৰাৰ অনুপস্থিতি হয়তো আমি কল্পনা কৰিব নোৱাৰিম।

শেষত নেদেখাজনৰ ওচৰত এটাই প্রার্থনা— খুৰা, আপুনি য'তেই আছে তাতেই শান্তিৰে থাকক আৰু আমাক আশীর্বাদ দি থাকিব। অজানিতে যদি আপোনাৰ অন্তৰত কিবা দুখ দিছিলোঁ তাৰ বাবে ক্ষমা প্রার্থনা কৰিছোঁ।

ওম শান্তি। ওম শান্তি।। ওম শান্তি।।। ❖

একাঁজলি অশ্রুসিক্ত অঞ্জলি

হিমাংশু গোস্বামী (মণি)
ভতিজা
পাঞ্জাবাৰী

কথাখিনি লিখিব লগা দিন এটাৰ সন্মুখীন হ'ব লাগিব বুলি কাহানিও কল্পনা কৰা নাছিলোঁ। অতি মৰমৰ অচ্যুত খুৰাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই দুআষাৰ নিলিখাকৈ থাকিব নোৱাৰিলোঁ। যোৱা ১১/১১/২০২৬ তাৰিখ বুধবাৰে সকলোকে কন্দুৱাই আপুনি এই ধৰাৰ পৰা মেলানি মাগিলে।

মৃত্যু চিৰন্তন সত্য। ইয়াক মানি ল'বই লাগিব। কিন্তু অকালতে হোৱা মৃত্যু যেন মানি ল'বলৈ টান।

মৰমৰ অচ্যুত খুৰা, নিয়তিৰ বিধান অনুসৰি আপুনিও যেন সেই সত্যকে সাৰোগত কৰি সকলোকে শোক সাগৰত ডুবাই কাহানিও ঘূৰি নহাৰ বাটেৰে গুচি গ'ল। ইমান সোনকালে আপুনি আমাক এনেদৰে অকলশৰীয়া কৰি থৈ গুচি যাব বুলি ভবা নাছিলোঁ।

মোৰ শৈশৱকালৰ পৰা এতিয়ালৈ দেখা আপুনি সেই একেজন হাঁহিমুখীয়া আৰু অত্যন্ত মৰমিয়াল খুৰা হৈ থাকিয়ে বিদায় মাগিলে। ইয়াৰ পৰা যেন বিন্দুমাত্ৰও হীন-দেঢ়ি নঘটিল। সকলোকে ভালপোৱা স্বভাৱ, প্ৰাণখোলা হাঁহি, পৰোপকাৰিতা, সকলোৰে সুখ-দুখৰ সমভাগী হ'ব পৰা বিৰল ব্যক্তিত্বৰ অধিকাৰী আছিল আপুনি। আপোনাৰ মুখমণ্ডলত কেতিয়াও খং ভাব পৰিস্ফূট হোৱা দেখা নাপালোঁ। সঁচা অৰ্থত আপুনি এজন মানৱদৰদী ব্যক্তি আছিল।

মোৰ দেউতা প্ৰয়াত গোপেশ্বৰ গোস্বামী চাকৰিসূত্ৰে নগাঁও জিলাৰ অন্তৰ্গত বুঢ়াপাহাৰ চাহ বাগিচাত কৰ্মৰত আছিল। মোৰ শৈশৱ আৰু বাল্যকাল চাহ বাগিচাৰ মাজতে অতিবাহিত হৈছিল। আপুনি যেতিয়া

বাগানলৈ কেতিয়াবা গৈছিল মোৰ আৰু ভাইটিৰ পাৰভগা উচাহৰ অন্ত নাছিল। আনকি বাগানৰ মানুহেও আপোনাক প্ৰাণভৰি ভাল পাইছিল। গুৱাহাটীলৈ স্থায়ীভাৱে অহাৰ পাছতো আপুনি আমাৰ লগত ছাঁটোৰ দৰে লাগি থাকিছিল, তাৰ বহুতো স্মৃতি এতিয়াও সজীৱ হৈ আছে। শিশুৰ লগত শিশু হৈ, বয়স্কৰ লগত বয়স্ক হৈ সকলোৰে লগত মিলি যাব পৰা ঈশ্বৰপ্ৰদত্ত গুণ আছিল আপোনাৰ।

এনেহেন এজন খুৱাক অকালতে হেৰুৱাবলগা হৈ শোকত ম্ৰিয়মান হৈ পৰিছোঁ। আপোনাৰ সান্নিধ্যৰ সকলো স্মৃতি আমাৰ মনৰ মাজত সদায় সজীৱ হৈ থাকিব। আপুনি য'তেই আছে ভগৱানে আপোনাৰ বিদেহ আত্মাক চিৰশান্তি প্ৰদান কৰক। এয়াই নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা। ❖

অচ্যুতৰ সৈতে আমাৰ স্মৰণীয় মুহূৰ্ত

নীতামণি চক্ৰৱৰ্তী
ধাৰাপুৰ

অচ্যুত আমাৰ সকলোতকৈ মৰমৰ জোঁৱাই আছিল। তেওঁ মোৰ সৰু ভনীজোঁৱাই আছিল। অচ্যুত এজন হাঁহিমুখীয়া, সকলোৰে লগত মিলিব পৰা, কৰ্মদক্ষতাসম্পন্ন ব্যক্তি আছিল। তেওঁ মোক সদায় এটা কথাই কৈছিল, "চিন্তা নকৰিব বাইদেউ, সকলো সময়ত ঠিক হৈ যাব।" অচ্যুত আমাৰ মাজত নাই যদিও তেওঁৰ কথাসমূহ সদায় মনত থাকিব। ❖

স্মৃতিৰ সঁফুৰাত 'অচ্যুত'

কনকেশ্বৰ গোস্বামী
ৰামপুৰ

জাতস্য হি ধ্রুৱো মৃত্যুধ্রুৱং জন্ম মৃতস্যৎ চ।
তস্মাদ পৰিহার্য়েঽর্থে নত্বং শোচিতুমর্হসি।।

গীতা-২-২৭

মৃত্যু অৱধাৰিত ঃ

জীৱ জগতৰ সকলো প্ৰাণীয়েই এদিন নহয় এদিন মৃত্যুৰ শীতল কোলাত আশ্ৰয় ল'বই লাগিব। জীৱৰ জন্ম লাভৰ সময়তেই সেই দেহ কেতিয়া ত্যাগ কৰিব লাগিব তাৰ বাবে আত্মাই চুক্তিবদ্ধ হৈ হস্তাক্ষৰ কৰি আহে। বয়সৰ কথা নহয়, বিদ্যা অথবা শিক্ষাৰ কথাও নহয়। মানুহ যেতিয়া অতিমানৱৰ পৰিচয় দি ব্যক্তিৰ পৰা অনুষ্ঠান হয় আৰু সেই অনুষ্ঠান নামৰ সত্তাটো মানুহৰ হৃদয়ৰ নিবিড় প্ৰান্তত সোমাই এক স্নেহৰ অৱলোকন হয় তাৰেই চমু আলোকপাত মাত্ৰ 'এক সৃষ্টিশীল মৃত্যু'। তেওঁৰ ইচ্ছা আৰু অহোপুৰুষাৰ্থই এক চুম্বকীয় শক্তিৰে মানৱতাৰ পৰিচয় দিছিল। নিজ কৃতকাৰ্যই সাধাৰণৰ পৰা অসাধাৰণ কৰা, পুৰুষৰ পৰা পুৰুষোত্তমলৈ গতি কৰা 'অচ্যুত' মৃত্যুৰ শীতল কোলাত যেতিয়া নিজ গৃহৰ সন্মুখত নিঠৰ দেহটো পৰি আছিল তাৰ জ্বলন্ত প্ৰমাণ শত সহস্ৰজনৰ মুখে মুখে বিদাৰিত হৈছিল—'এজন মানুহ' আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই গ'ল। প্ৰতিজনৰ চকুত এক বিষাদৰ চকুলো লগতে ওচৰ-চুবুৰীয়াৰ এজন মধ্যমণি চিৰদিনৰ বাবে হেৰাই গ'ল।

আজি প্ৰায় ৩৩-৩৪ বছৰে 'অচ্যুত'ৰ লগত মোৰ ভনীজোঁৱাই বিশ্বেশ্বৰ গোস্বামীৰ ভাতৃ হোৱা হেতুকে সুসম্পৰ্ক বজাই আহিছিলোঁ। পৱিত্ৰ মন, অদম্য কৰ্মস্পৃহা, সৎ চৰিত্ৰ, পৰোপকাৰী, সমাজপ্ৰিয় এই ৫টা

গুণৰ অধিকাৰী হ'লে সমাজত যুগ যুগান্তকাৰ হয়, ফলস্বৰূপে সমাজত সমাদৃত হয়। উপদেশমূলক তেওঁৰ লগত হোৱা আলোচনাবোৰ সুমধুৰ আৰু সদায় হাস্যবদনেৰে মূৰ পাতি লৈছিল আৰু নিষ্ঠা সহকাৰে পালন কৰাৰ প্ৰতিশ্ৰুতিও দিছিল। প্ৰতিটো পৰিয়ালৰ মাজত আপোন ভাব গঢ় দিছিল।

স্মৃতিচাৰণে অতীত আৰু বৰ্তমানৰ সংযোগ ঘটাই ভৱিষ্যতৰ দিক নিৰ্ণয়ত সুবিধা কৰি দিয়ে। ই আমাক ইতিহাস সচেতন, বস্তুনিষ্ঠ আৰু সমাজমুখী কৰাত সহায় কৰে। স্মৃতিচাৰণ আবেগবৰ্জিত নিৰাসক্ত আৰু নিৰ্মোহ হোৱা বাঞ্ছনীয়। সোঁৱৰণী গ্ৰন্থ স্মৃতিচাৰণৰ এক যুগমীয়া আৰু সুদূৰপ্ৰসাৰী উপায়। মোৰ অতিশয় মৰমৰ ভাগিন প্ৰশান্তই (বাবা) ৱাটছএপ যোগে বাৰ্তা প্ৰেৰণ কৰি পৰিয়াল আৰু গুণমুগ্ধ একাংশই 'অচ্যুত'ৰ স্মৃতি অটুট ৰখাৰ বাবে এটি লিখনি বিচৰাত মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। সোঁৱৰণী গ্ৰন্থ এখনি প্ৰকাশ কৰা বৰ লায়কৰ কথা, লগতে অতিশয় দৰকাৰী কাম।

মানৱ জীৱন ক্ষণভংগুৰ কচুপাতৰ পানীৰ নিচিনা। এই খন্তেকীয়া জীৱনত সত্য কৰ্মৰ মাজেদি অচ্যুতে প্ৰতিটো কামতে সফল হ'ব পাৰিছিল, নাছিল কোনো আভিজাত্যৰ অভিলাস, সাধাৰণ পোছাক, মিতব্যয়িতা, সহজ-সৰল অতি প্ৰিয় আৰু মৰমৰ ব্যক্তিজন ২০২৬ বৰ্ষৰ নৱেম্বৰ মাহৰ ১১ তাৰিখে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গ'ল। এই পৱিত্ৰ মুহূৰ্তত তেওঁৰ আত্মাৰ সদগতি আৰু চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ— পৰিয়ালবৰ্গৰ আটাইৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।

"সৰ্ব্বে ভৱন্তু সুখীনঃ, সৰ্ব্বেসন্তু নিৰাময়ঃ।
সৰ্ব্বে ভদ্ৰাণি পশ্চন্তু মাকশ্চিৎ দুখভাগ্ ভৱেৎ।।
ওঁম শান্তি।। ❖

মৰমৰ সৰু ককা

কৃষাণু গোস্বামী (জিউ)
নাতি
পাঞ্জাবাৰী

সৰু ককা এজন বৰ ভাল মানুহ আছিল। তেওঁ সদায় বেলেগক সহায় কৰিছিল। তেওঁ কেতিয়াও নিজৰ বাবে নাছিল। তেওঁ বৰ কষ্ট কৰিছিল। তেওঁ যি কাম কৰিছিল, বৰ ভালকৈ কৰিছিল। তেওঁ ঢুকোৱাৰ পাছত মোৰ বৰ দুখ লাগিছিল। তেওঁ মোক বৰ মৰম কৰিছিল। তেওঁ মোক ধুনু বুলি মাতিছিল। মই কাৰাটে খেলাৰ বাবে তেওঁ মোক বৰ ভাল পাইছিল আৰু বৰ উৎসাহ দিছিল। তেওঁ মোক ভালকৈ পঢ়িবলৈ কৈছিল আৰু এজন ভাল মানুহ হ'বলৈ কৈছিল। যেতিয়াই মই তেওঁৰ ঘৰলৈ আহিছিলোঁ আৰু যেতিয়াই মই নিজৰ ঘৰলৈ উভতি যাবলৈ ওলাইছিলোঁ তেতিয়া তেওঁ মোক ৰখাই কৈছিল যে 'কেতিয়াবা সময় পালে আমাৰ ঘৰলৈ আৰু এবাৰ আহিবা'।

মই ভগৱানৰ ওচৰত এয়াই প্ৰাৰ্থনা কৰিলোঁ যে সৰু ককা ভগৱানৰ ওচৰত ভালে থাকক। ধুনু খুড়া, সৰু আইতা আৰু বাকী সকলোকে আশীৰ্বাদ কৰিব সৰগৰ পৰা। ❖

গোস্বামীদাৰ স্মৃতিত

পল্লবী শর্মা
গ্রীণলেণ্ড পথ, পাঞ্জাবাৰী

এতিয়ালৈ বিশ্বাস কৰিব পৰা নাই যে গোস্বামীদা আমাৰ মাজত নাই। ৰাতিপুৱা গেট খোলাৰ পৰা ৰাতি গেটত তলা লগোৱালৈকে তেখেতক দেখা পাই মাত দিয়াটো আমাৰ দৈনিক ৰুটিন আছিল।

যদিও গোস্বামীদা মোৰ দূৰ সম্পৰ্কীয় ভিনদেউ আছিল, তেখেতক মই দাদা বুলি মাতিবলৈহে ভাল পাইছিলোঁ। তেখেত যেন এজন অভিভাৱকৰ দৰে আছিল যে বহু কথাই তেখেতৰ লগত আলোচনা কৰিছিলোঁ।

গোস্বামী দা খুব ধৈর্যশীল ব্যক্তি আছিল। তেখেতে সকলোৰে লগত হাঁহিৰে কথা পাতিছিল।

তেখেতে খাই আৰু আনক খুৱাই ভাল পাইছিল। তেখেতে ভজা মাহকৰাই সদায় মনত থাকি যাব।

নিয়তিৰ যে কি লীলা, এনেদৰে হঠাৎ কাকো কষ্ট নিদিয়াকৈ ৰাতিটোৰ ভিতৰতে গোস্বামীদা আমাৰ মাজৰ পৰা গুচি গ'ল। ভগৱানে তেখেতৰ বিদেহ আত্মাক চিৰশান্তি দিয়ক তাকেই প্রার্থনা জনালোঁ। লগতে পৰিয়ালবর্গক ভালে-কুশলে ৰাখক, এয়েই কামনা কৰিলোঁ।

ওঁম শান্তি। ❖

হাঁহিমুখীয়া অচ্যুত গোস্বামী দাদা —এক চিৰস্মৰণীয় স্মৃতি

ফুলেন কলিতা
গ্ৰীণলেণ্ড পথ, পাঞ্জাবাৰী

কিছুমান মানুহ আমাৰ জীৱনলৈ আহে আৰু নিজৰ উপস্থিতিৰে আমাৰ চৌপাশ অলপ বেছি আপোন আৰু অলপ বেছি সুন্দৰ কৰি তোলে। তেওঁলোক হয়তো এদিন আমাৰ মাজৰ পৰা আঁতৰি যায়, কিন্তু তেওঁলোকৰ হাঁহি, কথা-বতৰা আৰু মৰমবোৰ স্মৃতি হৈ আমাৰ মাজতে জীয়াই থাকে। অচ্যুত গোস্বামী দাদা আছিল তেনে এজন মৰমৰ মানুহ।

যোৱা ১১/১১/২০২৬ তাৰিখ বুধবাৰে অচ্যুত দাদাই আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে বিদায় ল'লে। এই কথাটো আজিও যেন বিশ্বাস কৰিবলৈ কঠিন লাগে। গ্ৰীণলেণ্ডৰ বাসিন্দাসকলৰ বাবে তেওঁ কেৱল এজন ওচৰ-চুবুৰীয়া নাছিল, তেওঁ আছিল সকলোৰে আপোন, সকলোৰে চিনাকি আৰু সকলোৰে মৰমৰ এজন মানুহ।

দাদাৰ আটাইতকৈ ডাঙৰ পৰিচয় আছিল তেওঁৰ হাঁহিমুখীয়া স্বভাৱ। তেওঁক লগ পালে মুখত এটা সৰল হাঁহি দেখা পোৱা গৈছিল। তেওঁৰ সৈতে দুটামান কথা পাতিলেই মনটো পাতল হৈ পৰিছিল। কোনো মানুহক সৰু-ডাঙৰ বুলি নাভাবি আপোনভাৱে কথা পতা, খবৰ সোধা আৰু নিজৰ মানুহৰ দৰে ব্যৱহাৰ কৰা— এই সৰল গুণবোৰেই তেওঁক সকলোৰে মাজত ইমান জনপ্ৰিয় কৰি তুলিছিল।

মোৰ বাবেও অচ্যুত গোস্বামী দাদাৰ স্মৃতি সদায় বিশেষ হৈ থাকিব। ওচৰৰ মানুহ হিচাপে তেওঁক লগ পোৱা, তেওঁৰ সৈতে কথা পতা, তেওঁৰ সেই চিনাকি হাঁহিটো দেখা— এই সৰু সৰু মুহূর্তবোৰেই এতিয়া অমূল্য

স্মৃতি হৈ ৰ'ল। কেতিয়াবা মানুহজন আমাৰ কাষত নাথাকিলেও তেওঁৰ সৈতে জড়িত স্মৃতিবোৰে যেন তেওঁক আমাৰ মাজতে ৰাখি থয়।

আজি তেওঁ আমাৰ মাজত শাৰীৰিকভাৱে নাই, কিন্তু তেওঁৰ সৰল হাঁহি, আপোনত্বভৰা মাত আৰু মৰমিয়াল আচৰণ আমাৰ স্মৃতিৰ পাততে সদায় জিলিকি থাকিব। সময় পাৰ হৈ যাব, বহু কথা হয়তো পাহৰি যাম, কিন্তু হাঁহিমুখীয়া অচ্যুত গোস্বামী দাদাৰ স্মৃতি সহজে কেতিয়াও মচ খাই নাযাব।

তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। শ্রদ্ধাৰে আৰু গভীৰ মৰমেৰে—

অচ্যুত গোস্বামী দাদালৈ অশ্রুসিক্ত শ্রদ্ধাঞ্জলি। ❖

শ্রদ্ধাঞ্জলি

অচ্যুত ভিনদেউৰ স্মৃতিত

জ্যোতি চক্রৱর্তী

তেখেত আছিল সদায় হাঁহিমুখীয়া, সৰল আৰু ইতিবাচক মনোভাবৰ এজন সাধাৰণ ব্যক্তি। সকলোৰে সৈতে সহজে মিলি যাব পৰা তেখেতৰ মৰমিয়াল স্বভাৱ আৰু আন্তৰিকতাই তেখেতক সকলোৰে আপোন কৰি তুলিছিল। মোৰ বিয়াৰ পাছত নতুন ঘৰখনত নিজকে সহজ আৰু স্বচ্ছন্দ অনুভৱ কৰাত তেখেতৰ অৱদান আছিল অতি বিশেষ। নতুন পৰিৱেশত তেখেতে যিদৰে মোক আপোন কৰি লৈছিল, সেই মৰম আৰু আন্তৰিকতা মই কেতিয়াও পাহৰিব নোৱাৰিম। তেখেতৰ আকস্মিক প্রয়াণে মোক গভীৰভাৱে শোকাহত কৰি তুলিছে। তেখেতৰ হাঁহিমুখীয়া মুখখন, সৰলতা আৰু মৰমৰ স্মৃতিবোৰ সদায় মোৰ হৃদয়ত সজীৱ হৈ থাকিব। তেখেত য'তেই নাথাকক, শান্তিত থাকক।

সশ্রদ্ধ প্রণাম। ❖

স্মৃতিৰ পাতত তোমাক সুঁৱৰি

সুৰেশ চন্দ্ৰ শৰ্মা (বন্ধু)
পাটাছাৰকুছি

জীৱনত কিছুমান মানুহৰ আগমন এনেকুৱা হয়, যিয়ে নিজৰ মৰম, সৰলতা আৰু সুন্দৰ ব্যৱহাৰেৰে হৃদয়ত এক বিশেষ স্থান দখল কৰি লয়। তেনে এজন ব্যক্তি আছিল মোৰ অতি আপোন আৰু প্ৰিয় বন্ধু অচ্যুত গোস্বামী।

তেওঁৰ সৈতে মোৰ সম্পৰ্ক কেৱল বন্ধুত্বৰ মাজতে সীমাবদ্ধ নাছিল। আমাৰ মাজত আছিল গভীৰ আত্মীয়তা, মৰম আৰু আন্তৰিকতা। একেলগে কটোৱা সময়বোৰ হাঁহি-ধেমালি, সুখ-দুখৰ কথা আৰু জীৱনৰ বিভিন্ন মুহূর্তবোৰ আজিও মোৰ মনত সজীৱ হৈ আছে।

কর্মসূত্রে চহৰত থকা সময়ছোৱাত আমি প্ৰায়ে একেলগে সময় অতিবাহিত কৰিছিলোঁ। বিভিন্ন ঠাইলৈ কৰা আমাৰ ভ্ৰমণবোৰ আছিল বিশেষ আনন্দৰ মুহূর্ত। প্ৰতিটো যাত্ৰাতে আছিল নতুন অভিজ্ঞতা, হাঁহি-ধেমালি আৰু বহুতো মধুৰ স্মৃতি। সেই দিনবোৰৰ কথা মনত পৰিলে আজিও মনটো সেই সুন্দৰ অতীতলৈ উভতি যায়।

তেওঁৰ লগত কটোৱা প্ৰতিটো মুহূর্ত মোৰ বাবে অমূল্য। আজি তেওঁ আমাৰ মাজত নাই, কিন্তু তেওঁৰ হাঁহি, মৰম আৰু একেলগে কটোৱা সেই স্মৰণীয় যাত্ৰাবোৰ মোৰ হৃদয়ত সজীৱ হৈ থাকিব।

কিছুমান মানুহে জীৱনৰ পৰা বিদায় লয়, কিন্তু তেওঁলোকৰ সৈতে জড়িত স্মৃতিবোৰে কেতিয়াও বিদায় নলয়। তেওঁ মোৰ জীৱনৰ এনে এজন ব্যক্তি, যাৰ অভাৱ মই সদায় অনুভৱ কৰিম।

"তোমাৰ সৈতে কটোৱা সেই সুন্দৰ দিনবোৰ
আৰু মধুৰ স্মৃতিবোৰ মোৰ হৃদয়ত
চিৰদিন সজীৱ হৈ থাকিব।
শেষত,
তোমাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। য'তেই আছা সুখে-শান্তিৰে থাকা।" ❖

অনিশ্চিত জীৱনৰ বাট

অনুস্মিতা চক্ৰৱৰ্তী

জীৱন-
এটি অদ্ভুত যাত্ৰাৰ নাম,
যাৰ আৰম্ভণি আমাৰ হাতত নাথাকে,
যাৰ শেষৰ ঠিকনাও অজ্ঞাত,
আৰু যাৰ মাজৰ প্ৰতিটো খোজতে
লুকাই থাকে হাজাৰটা অপ্ৰত্যাশিত কাহিনী।
কোনে জানে,
পুৱাৰ কোমল ৰ'দজাকে
কাৰ জীৱনলৈ সুখৰ বতৰা কঢ়িয়াই আনিব,
আৰু কাৰ জীৱনৰ দুৱাৰদলিত
নীৰৱে থৈ যাব বিষাদৰ এখন চিঠি?
কোনে জানে,
যি বাটত আজি খোজ কাঢ়িছোঁ
সেই বাটেই কাইলৈ আমাক
কোনো অচিনাকি পৃথিৱীলৈ লৈ যাব,
নে কোনো চিনাকি সপোনৰ পৰা
চিৰদিনৰ বাবে আঁতৰাই নিব?
মানুহে সপোন দেখে—
এখন সুন্দৰ ভৱিষ্যতৰ,
এটি নিৰাপদ আশ্ৰয়ৰ,
কেহখনমান আপোন মুখৰ,
আৰু এনে এখন পৃথিৱীৰ

য'ত প্ৰতিটো প্ৰচেষ্টাৰ
এটি অৰ্থপূৰ্ণ পৰিণতি থাকে।
কিন্তু জীৱনে জানো
মানুহৰ সপোনৰ সৈতে চুক্তি কৰে?
ইয়াত কোনো নিশ্চিত প্ৰতিশ্ৰুতি নাই,
নাই কোনো পূৰ্বনিৰ্ধাৰিত পথৰ মানচিত্ৰ।
আছে মাথোঁ সময়ৰ নিৰন্তৰ গতি,
আৰু সেই গতিৰ সৈতে খোজ মিলাবলৈ
অসহায়ভাৱে চেষ্টা কৰি থকা এজন মানুহ।
কেতিয়াবা জীৱন
এখন মুকলি আকাশৰ দৰে লাগে,
য'ত অসংখ্য সম্ভাৱনাই
ডেউকা মেলি উৰিবলৈ শিকে।
আকৌ কেতিয়াবা
সেই একেখন আকাশতেই
ডাৱৰে এনেদৰে আৱৰি ধৰে,
যে নিজৰ ছাঁটোও
অচিনাকি যেন অনুভৱ হয়।
কালিলৈকে যি মানুহে
হাঁহিৰে পৃথিৱী জয় কৰাৰ কথা ভাবিছিল,
আজি হয়তো তেওঁ
নিজৰ মনৰ সৈতে কথা পাতিবলৈও
এটি নিৰ্জন কোণ বিচাৰি ফুৰিছে।
কালিলৈকে যি দুৱাৰখন
আশাৰ পোহৰেৰে উজ্জ্বল আছিল,
আজি সেই দুৱাৰখনতেই
নিৰাশাৰ ধূলি জমা হৈছে।
আৰু যি মানুহক
জীৱনে বাৰে বাৰে পৰীক্ষা কৰিছিল,

হয়তো এদিন সেই মানুহজনেই
সকলোৰে বাবে অনুপ্ৰেৰণাৰ নাম হৈ উঠিব।
এয়াই জীৱন—
য'ত পৰাজয়ৰ বুকুত
বিজয়ৰ বীজ লুকাই থাকে,
য'ত বিচ্ছেদৰ মাজতো
নতুন সম্পৰ্কৰ সম্ভাৱনা জন্মে,
য'ত এটি সমাপ্তিয়ে
আন এটি আৰম্ভণিৰ বাট মুকলি কৰে।
মানুহে কিমান যে হিচাপ কৰে !
কিমান দিনৰ পাছত সফলতা আহিব,
কিমান বছৰৰ পাছত সপোন পূৰ্ণ হ'ব,
কিমানদূৰ বাট অতিক্ৰম কৰিলে
জিৰণিৰ এটি নিৰাপদ স্থান পোৱা যাব।
কিন্তু সময়ে কেতিয়াও
মানুহৰ হিচাপৰ খাতাত স্বাক্ষৰ নকৰে।
কোনো কোনো সপোন
পূৰ্ণ হোৱাৰ আগতেই সলনি হয়,
কোনো কোনো আশা
অপেক্ষাৰ দীঘলীয়া বাটত হেৰাই যায়,
আৰু কোনো কোনো আকাংক্ষা
হৃদয়ৰ গভীৰতাত থাকি যায়
অপ্ৰকাশিত কবিতাৰ দৰে।
তথাপিও মানুহ থমকি নৰয়।
তেওঁ পুনৰ সপোন দেখে,
পুনৰ বিশ্বাস কৰিবলৈ শিকে,
পুনৰ নিজৰ ভগ্ন সাহসখিনিক
এটি নতুন নামেৰে মাতিবলৈ চেষ্টা কৰে।
কাৰণ মানুহৰ জীৱন

কেৱল লাভ আৰু লোকচানৰ কাহিনী নহয়,
ই হৈছে নিজকে বিচাৰি পোৱাৰ
এটি অন্তহীন প্ৰক্ৰিয়া।
কেতিয়াবা নিজৰ মানুহবোৰেই
অচিনাকি হৈ পৰে,
কেতিয়াবা অচিনাকি মানুহ এজনে
জীৱনৰ আটাইতকৈ আপোন অনুভৱটো দিয়ে।
কেতিয়াবা যাক চিৰদিনৰ সংগী বুলি ভাবিছিলোঁ,
তেওঁ সময়ৰ কোনোবা অচিনাকি বাটত
নিৰৱে হেৰাই যায়।
আৰু কেতিয়াবা যাৰ আগমনৰ
কোনো কল্পনাই কৰা নাছিলোঁ,
তেওঁৰেই জীৱনৰ অৰ্থ সলনি কৰি দিয়ে।
সম্পৰ্কবোৰো যেন
সময়ৰ হাতত লিখা একোখন চিঠি,
কোনোখনৰ আখৰ স্পষ্ট,
কোনোখনৰ অৰ্থ অস্পষ্ট,
আৰু কোনোখন চিঠি
ঠিকনা বিচাৰি নোপোৱাকৈয়ে
জীৱনৰ ডাকঘৰত পৰি ৰয়।
তথাপিও মানুহে ভাল পায়,
আকৌ বিশ্বাস কৰে,
আকৌ কাৰোবাৰ বাবে অপেক্ষা কৰে।
কাৰণ অনিশ্চয়তাৰ মাজতো
মানুহৰ হৃদয়ে নিশ্চিতভাৱে বিচাৰে
এটি আপোন অনুভৱৰ ঠিকনা।
জীৱনে কেতিয়াবা
এনে কিছুমান প্ৰশ্ন সোধে,
যাৰ উত্তৰ কোনো কিতাপত নাথাকে।

কিয় কিছুমান মানুহে
সকলো দিয়াৰ পিছতো শূন্যতা লাভ কৰে?
কিয় কিছুমান প্ৰাৰ্থনাই
উত্তৰৰ অপেক্ষাত যুগ পাৰ কৰে?
কিয় কিছুমান যাত্ৰাই
গন্তব্যস্থান পোৱাৰ আগতেই
নিজৰ অৰ্থ হেৰুৱাই পেলায়?
এই প্ৰশ্নবোৰৰ উত্তৰত
সময়েও হয়তো নীৰৱতা অৱলম্বন কৰে।
তথাপিও জীৱন আগবাঢ়ে।
নদীৰ দৰে—
কেতিয়াবা শান্ত, কেতিয়াবা উত্তাল,
কেতিয়াবা চিনাকি পাৰ ভাঙি
অচিনাকি দিশলৈ বৈ যায়।
নদীয়ে জানো জানে
কোন সাগৰত গৈ মিলিত হ'ব?
বতাহে জানো জানে
কোনখন গছৰ পাতত গৈ জিৰণি ল'ব?
তেন্তে মানুহেইবা
কেনেকৈ জানিব পাৰে
তেওঁৰ কাইলৈৰ ঠিকনা?
আমি মাথোঁ বৰ্তমানৰ বুকুত
ভৱিষ্যতৰ সপোনৰো পণ কৰোঁ,
অতীতৰ স্মৃতিবোৰ
হৃদয়ৰ কোনোবা নিৰ্জন কোণত সাঁচি ৰাখোঁ,
আৰু অনিশ্চিত কালিলৈ
এটি আশাৰ প্ৰদীপ জ্বলাই থওঁ।
হয়তো জীৱনৰ আটাইতকৈ ডাঙৰ সত্যটোৱেই এয়া-
আমি সকলো কথা জানিব নোৱাৰোঁ,

সকলো পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰোঁ,
সকলো প্ৰশ্নৰ উত্তৰ বিচাৰি নাপাওঁ।
কিন্তু আমি বাছি ল'ব পাৰোঁ
পৰিস্থিতিৰ সন্মুখীন হোৱাৰ সাহস,
অন্ধকাৰৰ মাজতো পোহৰ বিচৰাৰ মানসিকতা,
আৰু প্ৰতিটো নতুন পুৱাক
নতুন সম্ভাৱনা হিচাপে গ্ৰহণ কৰাৰ শক্তি।
এজন ব্যক্তিৰ জীৱন
কেতিয়াও একেডাল সৰলৰেখা নহয়।
ই কেতিয়াবা বক্ৰ,
কেতিয়াবা বিচ্ছিন্ন,
কেতিয়াবা আধৰুৱা,
আৰু কেতিয়াবা নিজৰ অজ্ঞাতেই
সুন্দৰকৈ পূৰ্ণ হৈ উঠা এখন উপন্যাস।
ইয়াত নায়কেও সকলো নাজানে,
লেখকেও সকলো আগতীয়াকৈ লিখি নথয়,
আৰু পাঠক হিচাপে থকা মানুহজনে
নিজৰ কাহিনীৰ পৰৱৰ্তী পৃষ্ঠাটো
কেতিয়া কেনেকৈ উন্মোচিত হ'ব
সেয়াও কল্পনা কৰিব নোৱাৰে।
হয়তো সেইবাবেই
জীৱন ইমান বিস্ময়কৰ।
কাৰণ সকলো জনা থাকিলে
অপেক্ষাৰ কোনো সৌন্দৰ্য নাথাকিলহেঁতেন,
সকলো নিশ্চিত হ'লে
আশাৰ কোনো প্ৰয়োজন নাথাকিলহেঁতেন,
আৰু প্ৰতিটো পথৰ শেষ আগতেই দেখা পালে
যাত্ৰাৰ কোনো ৰোমাঞ্চ নাথাকিলহেঁতেন।
সেয়ে মই জীৱনক সুধিব নিবিচাৰোঁ

কাইলৈ মোৰ বাবে কি লিখি ৰাখিছা?
মই মাথোঁ বিচাৰোঁ
অজ্ঞাত বাটত খোজ দিব পৰাকৈ সাহস,
হেৰাই যোৱা সপোনৰ পৰা
নতুন সপোন গঢ়িব পৰাকৈ শক্তি,
আৰু সময়ৰ কঠিন পৰীক্ষাতো
নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিব পৰাকৈ
এটি দৃঢ় মন।
যদি কাইলৈ বসন্ত আহে,
মই তাৰ ফুলৰ সুবাস ল'ম।
যদি কাইলৈ বৰষুণ নামে,
মই তাৰ টোপালৰ ভাষা বুজিবলৈ চেষ্টা কৰিম।
যদি কাইলৈ বাট হেৰাই যায়,
মই নতুন বাটৰ সন্ধান কৰিম।
আৰু যদি কেতিয়াবা
জীৱনে মোৰ সকলো পৰিকল্পনাকে
এটি মুহূর্ততে সলনি কৰি দিয়ে,
তেতিয়াও মই জীৱনক
এটি ব্যর্থ কাহিনী বুলি নকওঁ।
কাৰণ প্রতিটো অপ্রত্যাশিত ঘটনাই
আমাক কিবা নহয় কিবা শিকাই যায়,
প্রতিটো পৰিৱর্তনে
আমাৰ ভিতৰৰ আন এটি সত্তাক চিনাকি কৰাই দিয়ে,
আৰু প্রতিটো অনিশ্চিত দিনেই
আমাক সোঁৱৰাই দিয়ে-
আমি এতিয়াও জীৱনৰ যাত্রাত আছোঁ।
জীৱন কোনো নিশ্চয়তাৰ নাম নহয়,
ই সম্ভাৱনাৰ আন এটি নাম।
ই কোনো প্রতিশ্রুতিৰ দলিল নহয়,

ই প্ৰতিদিনে নতুনকৈ লিখি যোৱা
এখন অন্তহীন পাণ্ডুলিপি।
আৰু মানুহ?
মানুহ মাথোঁ সেই পাণ্ডুলিপিৰ
এজন যাত্ৰী,
যিয়ে নিজৰ কাহিনীটো
সম্পূৰ্ণকৈ নজনাকৈয়ে
প্ৰতিদিনে এটি নতুন পৃষ্ঠা লিখি যায়।
কোনে জানে,
শেষত সেই কাহিনীয়ে
হাঁহিৰে ভৰা এটি উপন্যাসৰ ৰূপ ল'ব,
নে নীৰৱতাৰে লিখা এটি মহাকাব্য হ'ব?
কোনে জানে,
যি দিনটোক আজি সাধাৰণ বুলি ভাবিছোঁ,
সেই দিনটোৱেই কাইলৈ
জীৱনৰ আটাইতকৈ স্মৰণীয় অধ্যায় হৈ পৰিব?
সেয়াইতো জীৱন—
এটি অনিশ্চিত আৰম্ভণি,
এটি অপ্ৰত্যাশিত যাত্ৰা,
অসংখ্য অজানা প্ৰশ্ন,
আৰু উত্তৰ বিচাৰি ফুৰা
এজন সাধাৰণ মানুহৰ অসাধাৰণ অস্তিত্ব।
জীৱনক আগতীয়াকৈ পঢ়িব নোৱাৰি;
ইয়াক কেৱল জীয়াই থাকি বুজিব পাৰি। ❖

এখন নেদেখা নদীৰ সিপাৰে

ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী
গুৱাহাটী

এখন নেদেখা নদীৰ সিপাৰত বহি তুমি হয়তো আজি আলেখ-লেখ চাই আছা। চাই আছা প্ৰিয়তমা পত্নী আৰু পুত্ৰক। সৌ সিদিনা আটকধুনীয়াকৈ সজাই তোলা গ্ৰীণলেণ্ড পথটো পূৰ্বৰ দৰেই পৰিষ্কাৰ-পৰিচ্ছন্ন হৈয়ে আছে। স্বৰ্গৰথত শুৱাই সিদিনা তোমাকো এই পথছোৱাৰে লৈ যোৱা হৈছিল অন্তিম যাত্ৰালৈ। আজি সকলো ঠিকেই আছে। মাথোঁ নাই তুমিহে। নেদেখা নদীখনৰ ইটো পাৰত এই কেইদিন খুবেই ব্যস্ত তোমাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱ তোমাক শেষ বিদায় জনাবলৈ। বন্ধু ! বন্ধু অচ্যুত গোস্বামী !! তোমাৰ চিৰ নিদ্ৰাৰ সংবাদটো আজিও যেন বিশ্বাসেই হোৱা নাই। তোমাৰ ওঁঠজুৰিত জিলিকি থকা হাঁহিটোৱে এতিয়াও বৰকৈ আমনি কৰি আছে। একো নোকোৱাকৈয়ে তুমি অতি নীৰৱে আঁতৰি গ'লাগৈ আমাৰ মাজৰ পৰা। তোমাৰ পত্নী-পুত্ৰকো মুহূৰ্তৰ বাবেও কষ্ট কৰিবলৈ অৱকাশে নিদিলা। তোমাৰ সপোনবোৰো দিঠকত পৰিণত হ'বলৈ বহু বাকী থাকিয়েই গ'ল।

পাঞ্জাবাৰীৰ বাটে-পথে তোমাক প্ৰায়ে লগ পাইছিলোঁ। দুটা দিন দেখা নহ'লে, বহু দিন লগ নোপোৱাৰ দৰে অনুভৱ হৈছিল। যেতিয়াই তোমাৰ সৈতে সাক্ষাৎ হৈছিল, তেতিয়াই বহু কথা আলোচনা হৈছিল আমাৰ মাজত। আলোচনা হৈছিল ভৱিষ্যতৰ পৰিকল্পনাৰ বিষয়ে। সদ্য সমাপ্ত দুৰ্গা পূজাৰ বেলবৰণৰ দিনটোৰপৰাই বিজয়া দশমীৰ শেষ দিনটোলৈকে পূজা মণ্ডপত তোমাৰ ব্যস্ততাৰ মুহূৰ্তসমূহ আজিও সুঁৱৰি আছে ভিন্নজনে। ইয়াৰ পাছতো বাটে-পথে তোমাক প্ৰায়ে লগ পায়েই আছিলোঁ। দূৰৈৰপৰা আমাক দেখিলেই হাঁহিটো মাৰি আগুৱাই আহিছিলা। আমাৰ মাজত হোৱা ধনাত্মক আলোচনাসমূহৰ বাস্তৱত ৰূপায়িত হোৱাৰ এতিয়াতো আৰু অৱকাশেই নাই। তুমি ইমান খৰখেদাকৈ কিয় আঁতৰি

গ'লাগৈ বন্ধু ! কালী পূজাৰ পাছতে আমি যে সোণাপুৰলৈ যোৱাৰ কথা আছিল, তোমাৰ হয়তো মনত আছে। কিন্তু তোমাৰ সৈতে আৰু কোনো দিনেই সোণাপুৰলৈ যোৱা নহ'ব। কেইবাটাও হিন্দুত্ববাদী সংগঠনৰ কার্যকর্তাৰ নেতৃত্বত নুনমাটিৰ চূণচালিৰ বালিচাপৰিত গঢ়ি উঠা বহুমুখী কৃষি প্ৰকল্প ক্ষেত্ৰলৈ যে দুই-এদিনতে যোৱাৰ কথা আছিল, তুমি পাহৰিলা নেকি? ব্ৰহ্মপুত্ৰৰ চাপৰিত অনিশ্চিত ভৱিষ্যতৰ বাবে চন্দ্ৰপুৰ-সোণাপুৰ আদিতহে বিকল্প কৃষি প্ৰকল্প গঢ়ি তোলাৰ প্ৰচেষ্টা ল'বলৈ তুমিয়েই আমাক প্ৰায়ে জোৰ দি আছিলা। তোমাৰ জীৱন কালত এই সপোনে সাকাৰ ৰূপ নাপালে।

অযোধ্যাৰ ৰাম মন্দিৰৰ অর্থ সংগ্ৰহ তথা পৰৱৰ্তী সময়ত বিভিন্ন কার্যক্ৰমত তোমাৰ সক্ৰিয় অংশগ্ৰহণ আমাৰ বাবে এক বিষাদ স্মৃতি হৈ ৰ'ব। গৃহ অভিযানেৰে আমাৰ মাজত ভ্ৰাতৃত্ববোধৰ বান্ধোন টনকিয়াল কৰিবলৈ দিবা-নিশা একাকাৰ কৰি ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা তোমাৰ সেৱা আমাৰ সংগঠনে সুঁৱৰিব নিৰন্তৰ।

একেদৰেই ভাৰতীয় সংস্কৃতি জীপাল কৰি ৰখাৰ স্বার্থত প্ৰতি বছৰে হিন্দু সমাৱেশ অনুষ্ঠিত কৰিবলৈ তুমিয়েই কৈ আহিছিলা। পৰিকল্পনাও তুমিয়েই যুগুতাইছিলা। অহা জানুৱাৰিতো পাঞ্জাবাৰীত হিন্দু সমাৱেশ অনুষ্ঠিত কৰাত তুমিয়েই জানো গুৰুত্ব দিয়া নাছিলা? বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী মহানগৰৰ সাধাৰণ সম্পাদকৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰাৰ পাছৰে পৰা বিভিন্ন কর্মসূচী সম্পর্কে আমাৰ সৈতে আলোচনা কৰি আহিছিলা। সেই আলোচনাৰে অন্যতম ফচল আছিল ন-ৰূপত হিন্দু সমাৱেশ অনুষ্ঠিত কৰা। আগন্তুক নতুন বছৰৰপৰা বর্ষজোৰা কার্যক্ৰমেৰে বিশ্ব হিন্দু মহাসংঘক জনসাধাৰণৰ মাজলৈ আগু�ৱাই লৈ যোৱাত তুমি সদায়েই গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছিলা। আগন্তুক জানুৱাৰীত বিশ্ব হিন্দু মহাসংঘৰ বিশেষ কার্যক্ৰমৰ বিষয়ে তুমিয়েই পৰিকল্পনা যুগুতাই উলিয়াইছিলা। মাথোঁ বাকী আছিল ৰূপায়ণ কৰিবলৈহে। তোমাৰ অনুপস্থিতিয়ে আমাক আজি প্ৰতিটো পদক্ষেপতে চিন্তান্বিত কৰি তুলিছে। মাথোঁ আমাকে নহয়--- গুৱাহাটীৰ চৰকাৰী আয়ুর্বেদিক মহাবিদ্যালয়ত অধ্যয়নৰত তোমাৰ একমাত্ৰ পুত্ৰ হিমাংকৰ সপোনসমূহ বাস্তৱায়িত

হোৱাত দূৰৈৰপৰাই আশিস বৰষি থাকিবা। তোমাৰ প্ৰিয়তমা পত্নী দেৱযানীকো নেদেখা নদীৰ সিপাৰৰ পৰাই বাট দেখুৱাই নিয়াৰ দায়িত্বও তোমাৰেই। সময়ে হয়তো সকলোকে সঠিক পথৰেই সন্ধান দিব।

ৰাস্তাই-ঘাটে কোনো অচিনাকি ব্যক্তিক লগ পালে তুমি মোক চিনাকি কৰাই দিয়াই নহয়, মোৰ এক চমু জীৱন বৃত্তান্ত তেওঁৰ সন্মুখত দাঙি ধৰিছিলা। চিনাকিৰ প্ৰসংগত আমি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত একেলগে পঢ়াৰ বিষয়েও ক'বলৈ পাহৰা নাছিলা। তাহানিৰ বজালী কলেজৰ স্মৃতিবোৰ সুঁৱৰি তুমি নষ্টালজিক হৈ পৰিছিলা। ছাত্ৰাৱস্থাত আমি অখিল ভাৰতীয় বিদ্যার্থী পৰিষদৰ সৈতে জড়িত থকা বুলি উল্লেখ কৰি বৰ্তমানো হিন্দুত্ববাদী সংগঠনৰ এগৰাকী কৰ্মী হিচাপে পৰিচয় কৰাই দিহে তুমি গৌৰৱবোধ কৰিছিলা। মোৰ প্ৰয়াত পিতৃ নৰেন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী এগৰাকী এ চি এছ বিষয়া হোৱা সত্ত্বেও অসম আন্দোলনৰ সময়ত আমি ধুবুৰী জিলাৰ আগমনি আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক যুটীয়া সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি বিদেশী বহিষ্কাৰ আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ যে কুণ্ঠাবোধ কৰা নাছিলো, সেয়াও তুমি গৰ্বেৰে কৈছিলা। ১৯৯২ চনতে দেউতাই বিজেপিত যোগদান কৰি অসম বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ প্ৰসংগৰ জেৰ টানি আজিৰ ৰাজনৈতিক ক্ষেত্ৰখনৰ তুমি প্ৰায়ে তুলনা কৰিছিলা। এই স্মৃতিসমূহে আজি বৰকৈ আমনি কৰিছে বন্ধু !

যোৱা বন্ধু অচ্যুত গোস্বামী, যোৱা গৈ। য'তে থাকিবা, মাথোঁ কুশলে থাকিবা। জানো— তোমাৰ মৃত্যু হোৱা নাই। হ'ব নোৱাৰে। আত্মা অজৰ-অমৰ। সময় হ'লে আত্মাই সলনি কৰে মাথোঁ কায়িক শৰীৰটোহে। শ্ৰীমদ্ভাগৱত গীতাত অৰ্জুনক শ্ৰীকৃষ্ণই জানো কোৱা নাছিল—

ৰাসাংসি জীৰ্ণানি য়থা ৱিহায়
নৱানি গৃহ্নাতি নৰোঽপৰাণি।
তথা শৰীৰাণি ৱিহায় জীৰ্ণান্যন্যানি
সংয়াতি নৱানি দেহী।।

(যেনেকৈ মানুহে পুৰণি কাপোৰ পৰিত্যাগ কৰি নতুন কাপোৰ পৰিধান কৰে, তেনেকৈ জীৱাত্মাই পুৰণি শৰীৰ ত্যাগ কৰি আন শৰীৰত প্ৰৱেশ কৰে'।) ❖

অশ্রুসিক্ত শ্রদ্ধাঞ্জলি

নিলুফাৰ ৰহমান
গ্ৰীনলেণ্ড পথ, ঘৰ নং ৫০

অত্যন্ত দুখ আৰু শোকৰে সৈতে জনোৱা যায় যে আমাৰ পৰম শ্রদ্ধাৰ অচ্যুত গোস্বামীদেৱে যোৱা ১১ নৱেম্বৰ ৰাতি ১:৩০ বজাত তেখেতে নিজা বাসগৃহত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬০ বছৰ।

বজালী জিলাৰ টঙ্গাৰকুৰ গাঁৱৰ নিবাসী প্রয়াত বাসুদেৱ গোস্বামী আৰু কামিনী গোস্বামীৰ সু-পুত্র অচ্যুত গোস্বামীয়ে ঐতিহ্যমণ্ডিত বজালী মহাবিদ্যালয়ৰ পৰা কলা শাখাত (বি.এ.) ডিগ্রী লাভ কৰিছিল। কর্মসূত্রে এগৰাকী সফল ব্যৱসায়ী হিচাপে প্রতিষ্ঠিত গোস্বামীদেৱ পৰৱর্তী সময়ত গুৱাহাটীৰ পাঞ্জাবাৰীত বাঘৰবড়িৰ গ্রীনলেণ্ড পথৰ (ঘৰ নং ২৫A) স্থায়ী বাসিন্দা আছিল।

অত্যন্ত অমায়িক, সৎ আৰু পৰোপকাৰী স্বভাৱৰ এইগৰাকী ব্যক্তিয়ে নিজৰ কর্মনিষ্ঠা আৰু মৰমিয়াল ব্যৱহাৰৰ জৰিয়তে সকলোৰে হৃদয়ত এক বিশেষ স্থান দখল কৰিছিল। তেখেতৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

মই আজি অলপদিন আগলৈকে অচ্যুত গোস্বামীক অকল গ্রীনলেণ্ডৰ বাসিন্দা হিচাপে চিনি পাইছিলোঁ, কিন্তু এপ্রিল মাহত ব'হাগী উৎসৱৰ সময়ত আমি একেলগে মিলি ব'হাগী উৎসৱ পাতিলোঁ। সেই একে মাহত অচ্যুতৰ লগত হাঁহি-ধেমালিৰে বহুত সুন্দৰ মুহূর্ত পাৰ কৰিলোঁ। বাইদেউ বুলি বহুত সন্মান দিলে।

তাৰ পাছত ২৯ জুন, ২০২৬-ত স্বচ্ছ গুৱাহাটী প্রতিযোগিতাৰ প্রথমদিনাৰ পৰা ২ অক্টোবৰ পুৰস্কাৰ বিতৰণীৰ দিনালৈকে প্রত্যেকদিনাই

অচ্যুতৰ লগত গ্ৰীনলেণ্ড উন্নয়নৰ কাৰণে একেলগে কাম কৰিলোঁ। অচ্যুতে যি কোনো কাম কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল।

আজি কেইদিনমান আগতে তেখেতে মোক ফোনত কৈছিল বাকী থকা গ্ৰীনলেণ্ড উন্নয়নৰ কামখিনিও আমি একেলগে মিলিজুলি কৰিম। কিন্তু তেখেত এনেকৈ হঠাতে গুচি যাব বুলি সপোনতো ভবা নাছিলোঁ। মৃত্যুৰ সময়ত তেখেতে পত্নী-পুত্ৰৰ লগতে অসংখ্য আত্মীয়-স্বজন আৰু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ গৈছে। আমি তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

ওঁ শান্তি। ❖

হাঁহি থকা ভিনদেউ গৰাকীলৈ শ্রদ্ধাৰে একাঁজলি অশ্রু অঞ্জলি...

অন (অনঘ চক্রৱর্তী)
শান্তিনিকেতন, পশ্চিমবংগ

আমাৰ অতি শ্রদ্ধা আৰু মৰমৰ অচ্যুত ভিনদেউ যে কায়িকভাৱে আমাৰ মাজৰ পৰা অকস্মাৎ নোহোৱা হৈ গ'ল কথাষাৰ মানি ল'ব পৰা নাই। তেখেতৰ সহজ-সৰল মনোভাবৰ স্বভাৱ, মুখত সদায় মন চুই যোৱা এমোকোৱা হাঁহিটিয়ে সদায় আমাক আপ্লুত কৰি ৰাখিছিল। নিজৰ পৰিয়ালৰ প্রতি থকা দায়বদ্ধতাৰ উপৰিও যিকোনো কাম, যিকোনো পৰিস্থিতিত সুকলমে সম্পন্ন কৰাৰ সহজাত স্বভাৱ আমাৰ বাবে এটি ডাঙৰ অনুপ্রেৰণা আছিল।

গুৱাহাটীলৈ গ'লেই সময় মিলাই আপোনাৰ বাঘৰবড়িত থকা ঘৰখনলৈ এপাক গৈ, আপোনাক লগ পোৱাৰ সদায় এটা হেঁপাহ আছিল।

এতিয়া আপুনিবিহীন ঘৰখনলৈ যোৱাটোৱে বৰ বেদনাদায়ক হৈ পৰিল।

আপুনি য'তেই আছে, সদায় কুশলে থাকক।

সদায় সঠিক পথত আগবাঢ়ি যাবলৈ আমাক আপোনাৰ আশীর্বাদ প্রদান কৰি থাকিব।

পৰম শ্রদ্ধাৰে— ❖

স্মৃতিৰ পাতত (অচ্যুত গোস্বামী) মামা আপোনাৰ সান্নিধ্য—গভীৰ শ্ৰদ্ধাঞ্জলি

লুনা শর্মা
(ভাগিনী)
পাঞ্জাবাৰী

কিছুমান মানুহ আমাৰ জীৱনলৈ আহে আৰু নিজৰ মৰম, স্নেহ, ব্যৱহাৰ তথা ব্যক্তিত্বৰে হৃদয়ত এক বিশেষ স্থান অধিকাৰ কৰি লয়। তেওঁৰ সৈতে কটোৱা প্ৰতিটো মুহূৰ্ত, প্ৰতিটো কথা আৰু প্ৰতিটো স্মৃতি হৃদয়ৰ একোণত চিৰদিনৰ বাবে ৰৈ যায়।

মামা, আপোনাৰ কথা মনত পৰিলে অতীতৰ সেই সোণালী দিনবোৰ চকুৰ আগত ভাহি উঠে। আপোনাৰ সৈতে কথা-বতৰা, আপোনাৰ মৰমলগা ব্যৱহাৰ, আপোনাৰ সান্নিধ্য আৰু আপোনাৰ পৰা লাভ কৰা শিক্ষাবোৰ মনত সদায় সজীৱ হৈ থাকিব। ভঙাগড়, শ্ৰীমন্তপুৰ আপোনাৰ অতিকে আপোন ঘৰ আছিল। য'ত মচিব নোৱৰা কত স্মৃতি সজীৱ হৈ আজিও জিলিকি আছে।

বিশ্বাস কৰিবলৈ টান লাগে যে আজি আপুনি আমাৰ মাজত নাই। জীৱনৰ ব্যস্ততাৰ মাজতো কিছুমান স্মৃতি এনেকুৱা থাকে যিবোৰে আমাক বাৰে বাৰে অতীতলৈ উভতি যাবলৈ বাধ্য কৰে। শৈশৱত আপুনি আমাক হাতত ধৰি স্কুললৈ অনা-নিয়া কৰা, তেজপুৰ আৰু বুঢ়া পাহাৰৰ মামাৰ ঘৰলৈ ফুৰাবলৈ নিয়া—এই সকলোবোৰ আজিও সজীৱ হৈ আছে।

আপুনি হয়তো আজি আমাৰ দৃষ্টিৰ আঁতৰত, কিন্তু আমাৰ হৃদয় আৰু স্মৃতিৰ মাজত সদায় জীৱন্ত হৈ থাকিব। আপোনাৰ সৰলতা, মহানুভৱতা আৰু মৰমৰ পৰশ আমাৰ বাবে চিৰদিনৰ প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

মানুহৰ জীৱন ক্ষণস্থায়ী, কিন্তু মানুহে এৰি থৈ যোৱা ভালপোৱা, কর্ম আৰু স্মৃতি চিৰস্থায়ী। আপোনাৰ জীৱনৰ সেই অমূল্য অৱদান আৰু আমাৰ সৈতে থকা আপোনাৰ মধুৰ সম্পর্ক আমি সদায় শ্রদ্ধাৰে স্মৰণ কৰিম। আপোনাৰ কথা লিখি মামা শেষ কৰিব নোৱাৰোঁ।

ভগৱানৰ ওচৰত একান্ত প্রার্থনা, আপোনাৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক। আপোনাৰ পৱিত্র স্মৃতিৰ প্রতি অযুত শ্রদ্ধা, অশেষ মৰম আৰু গভীৰ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। আপুনি আমাৰ মাজত নাই, কিন্তু আমাৰ হৃদয়ৰ পৰা কেতিয়াও আঁতৰি নাযায়। ❖

শ্রদ্ধাঞ্জলি

মিনু গোস্বামী (সৰু বৌ)

তেজপুৰ

হাতৰ কলম নচলে যদিও অত্যন্ত মৰমৰ বাবে অলপ লিখিলোঁ তেওঁৰ বিষয়ে। মৃত্যু চিৰন্তন সত্য যদিও মানিব পৰা নাই। সৰু বৌ বুলি কথাই প্রতি গৌৰৱেৰে কয়। সেয়ে ৰাতি ১০ বজাত মোলৈ ফোন কৰে। বৌ তুমি কিয় ফোন কৰা নাই বুলি প্রশ্ন কৰে। সকলো খবৰ-বাতৰি লয়, নানা ধৰণৰ কথা। মোৰ বিয়া হৈছিল ১৯ বছৰ বয়সতে। তেতিয়াৰ পৰা অচ্যুত মোৰ ভাই আৰু বন্ধুৰ দৰে আছিল। প্রত্যেক কথা তেওঁৰ লগত আলোচনা কৰি আগবাঢ়িছিলোঁ। বাঘৰবড়িৰ ঘৰলৈ আহিলে মোৰ কাৰণে বিছনাৰ পৰা আচবাব বেলেগে সযতনে ৰাখিছিল তেজপুৰৰ বৌ আহিব বুলি। গা বেয়া হ'লে কয়, মোৰ তালৈ আহা, ভাল ডাক্তৰক দেখুৱাম।" কিন্তু তেওঁ নিজে এটা বেজীও নোলোৱাকৈ আমাৰ মাজৰ পৰা গুচি গ'ল। ভাষা নাই তেওঁৰ বিষয়ে লিখিবলৈ। মৰম, চেনেহ, শ্রদ্ধা সযতনে ৰাখিবলৈ আমাক ভগৱানে শক্তি দিয়ক। শান্তিৰে শুইছে, শুই থাকক তাৰেই কামনা কৰিলোঁ। ❖

শ্রদ্ধাঞ্জলি

প্রদীপ কুমাৰ গোস্বামী
গুৱাহাটী

বৃহত্তৰ বজালী অঞ্চলৰ অন্তর্গত পাটাছাৰকুছিৰ টঙ্গাৰকুৰ গাঁৱৰ নিবাসী, বর্তমানৰ গুৱাহাটীৰ পাঞ্জাবাৰীৰ অন্তর্গত বাঘৰবড়ি অঞ্চলৰ জনপ্রিয় ব্যক্তি প্রয়াত অচ্যুত গোস্বামীদেৱৰ যোৱা নৱেম্বৰ মাহৰ ১১/১১/২০২৬ (২৪ কাতি) তাৰিখে ৰাতি ১-১৫ বজাত আকস্মিকভাৱে পৰলোকপ্রাপ্তি ঘটে। প্রয়াত গোস্বামী প্রয়াত বাসুদেৱ গোস্বামী আৰু কামিনী গোস্বামীৰ চতুর্থ পুত্র আছিল। ব্যৱসায় সূত্রে তেখেতে গুৱাহাটীৰ পাঞ্জাবাৰী, বাঘৰবড়ি অঞ্চলত বসতি কৰিবলৈ লৈছিল। তেখেতৰ জন্ম হৈছিল পাটাছাৰকুছিৰ টঙ্গাৰকুৰ গাঁৱত ০১/০৩/১৯৬৬ তাৰিখে আৰু মৃত্যু হয় ১১/১১/২০২৬ তাৰিখে। তেখেতে স্থায়ীভাৱে বসতি কৰিবলৈ লোৱা অঞ্চলটোৰ বিভিন্ন সামাজিক কামত জড়িত আছিল। লগতে সেই অঞ্চলৰ এজন নিষ্ঠাৱান সমাজকর্মী আছিল। সেই অঞ্চলৰ সকলো সামাজিক অনুষ্ঠানৰে প্রিয়ভাজন ব্যক্তি আছিল। তেখেতৰ বিয়োগত বৃহত্তৰ অঞ্চলটোৰ সকলো গুণমুগ্ধই গভীৰ দুখ আৰু শোক প্রকাশ কৰি আন্তৰিকতাৰে শ্রদ্ধাঞ্জলি যাচিছে আৰু শোকসন্তপ্ত পৰিয়ালবর্গলৈ অশ্রুসিক্ত নয়নেৰে গভীৰ শ্রদ্ধাঞ্জলি আৰু সমবেদনা যাচিছে।

এই পৃথিৱীত তেখেতে নিজৰ পত্নী আৰু একমাত্র পুত্রৰ লগতে বহুতো বন্ধু-বান্ধৱীক এৰি থৈ যায়। তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰ অর্থে ভগৱানৰ ওচৰত প্রার্থনা জনালোঁ সমূহ পৰিয়ালবর্গৰ হৈ। ❖

অচ্যুত মামা
স্মৃতিৰ এখিলা সোণালী পৃষ্ঠা

লুনা শর্মা
পাঞ্জাবাৰী

শৈশৱৰ সেই সোণালী দিন, আজিও মনত পৰে,
অচ্যুত মামা, তোমাৰ স্মৃতি বুকুৰ মাজত লৰে।

হাঁহি-ধেমালি, খেলা-ধূলা, কিমান যে মধুৰ ক্ষণ,
তোমাৰ সৈতে কটোৱা সময়, আজিও অমূল্য ধন।

মনত পৰে সেই দিনবোৰ, একেলগে খেলা কৰা,
কেতিয়াবা ধেমালি, কেতিয়াবা অভিমান, আকৌ মৰমেৰে ওচৰ চপা।

ফুৰিবলৈ যোৱা সেই বাট, সেই আনন্দৰ মেলা,
তোমাৰ সান্নিধ্যত শৈশৱটো আছিল বৰ ধুনীয়া।

কিমান যে কথা, কিমান যে হাঁহি
স্মৃতিৰ পাতত আজিও আছে লিখা,
সময়ৰ সোঁতত দিনবোৰ গ'ল
কিন্তু সেই স্মৃতিবোৰ কেতিয়াও নহ'ল ম্লান।

শৈশৱৰ দিনবোৰ ঘূৰি নাহে, সকলোৰে জীৱনত,
কিন্তু তোমাৰ সৈতে কটোৱা ক্ষণবোৰ ৰৈ যাব হৃদয়ৰ মাজত।

আজি পুৰণি কথাবোৰ মনত পৰিলে চকু সেমেকি যায়,
তোমাৰ অভাৱৰ অনুভৱে বুকুখন নীৰৱে কন্দুৱায়।

জীৱনৰ বাটত বহু মানুহ আছে, বহু মানুহ আঁতৰি যায়,
কিন্তু কিছুমান মানুহৰ স্মৃতিয়ে আজীৱন লগ এৰি নাযায়।

অচ্যুত মামা, তুমি তেনে এটি মৰমৰ নাম,
স্মৃতিৰ প্ৰতিটো পৃষ্ঠাত জিলিকি থাকিবা অবিৰাম।

তুমি নাই কাষত, কিন্তু স্মৃতিবোৰ আজিও জীয়াই আছে,
শৈশৱৰ সেই হাঁহি-ধেমালিবোৰ আজিও মনৰ মাজতে আছে।

সময়ৰ বুকুত হেৰাই গ'লেও তোমাৰ সেই মৰমৰ চিন,
আমাৰ হৃদয়ত থাকিবা মামা, চিৰদিন, চিৰকাল, প্ৰতিটো দিন।

অচ্যুত মামা, তোমাৰ স্মৃতিলৈ অযুত শ্ৰদ্ধা আৰু অফুৰন্ত মৰম। ❖

উভতি নহাৰ বাটেৰে

অঞ্জলী দেৱী
টঙ্গাৰকুৰ, পাটাছাৰকুছি

উভতি নহাৰ বাটেৰে
গুচি গ'লা তুমি
আন এখন সৰগলৈ
বিচাৰি যাব নোৱাৰো আমি
তোমাক আনিবলৈ।
মায়াৰ পৃথিৱীত আছিলা তুমি
সকলোকে মায়াৰে আৱৰি ধৰি
এতিয়া নাজানো ক'ত থাকা তুমি
উভতি আহিব পাৰিবানে
পুনৰ জন্ম গাঁওখনিলৈ
তোমাৰ ত্যাগ আছিল
অতুলনীয়।
ক্লান্ত নোহোৱা তুমি
আছিলা চিৰ অক্লান্ত
পৰিয়ালৰ বাবে যথাসর্বস্ব ত্যাগ কৰি
প্ৰমাণ কৰি দিছিলা তুমি
সুস্থ পৰিয়াল অবিহনে
জীৱন যে অন্তঃসাৰশূন্য
মুক্ত মন স্বাধীন জীৱন
নিৰ্ভীক নিষ্ঠাৱান
স্বাভিমানী আছিলা তুমি
কাকো নজনোৱাকৈ
চিৰদিনলৈ আঁতৰি গ'লা
সকলোকে এৰি...। ❖

আপোনজনৰ বিয়োগত

আদিলুৰ ৰহমান
গ্ৰীণলেণ্ড পথ, পাঞ্জাবাৰী

জীৱ জগতৰ সকলোৱে ভয় কৰা এটা শব্দ 'মৃত্যু'। জন্ম শব্দৰ বিপৰীতে মৃত্যু আছে। জন্ম-মৃত্যু এক চিৰন্তন নীতি, ইয়াক ৰোধ কৰিব পৰা শক্তি কাৰো নাই। নিয়তিয়ে এদিন আমাক সকলোকে লৈ যাব।

আমাৰ অতি শ্ৰদ্ধাৰ, অতি মৰমৰ, আমাৰ গ্ৰীণলেণ্ড উন্নয়ন সমিতিৰ এগৰাকী সক্ৰিয় নিষ্ঠাৱান কৰ্মী শ্ৰীযুত অচ্যুত গোস্বামীৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে সকলো গ্ৰীণলেণ্ডবাসী ৰাইজক মৰ্মাহত কৰিলে। হঠাৎ আমাৰ মাজৰ পৰা সকলোকে কন্দুৱাই ইহসংসাৰৰ পৰা গুচি গ'ল। তেখেতে আমাৰ গ্ৰীণলেণ্ড উন্নয়ন সমিতিক দি যোৱা অৱদান আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। তেখেতৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। আমাৰ শ্ৰদ্ধাৰ অচ্যুত গোস্বামীদেৱ এগৰাকী কৰ্মোদ্যমী, সৎ সাহসী, কৰ্তব্যনিষ্ঠ ব্যক্তি আছিল। আমাৰ শ্ৰদ্ধাৰ অচ্যুত গোস্বামীদেৱ অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আৰু ৰাজনৈতিক অনুষ্ঠান আদিৰ লগত জড়িত হৈ অঞ্চলৰ এজন আগৰণুৱা ব্যক্তি হিচাপে পৰিগণিত হৈছিল। তেখেতৰ মুখৰ মিচিকিয়া হাঁহিৰে সদায় সকলোকে মুগ্ধ কৰিছিল। তেখেতৰ সহধৰ্মিণীও এগৰাকী সহজ-সৰল মনৰ মানুহ।

সহজ-সৰল অচ্যুত গোস্বামীদেৱ মানুহজন আজি আমাৰ মাজত নাই। তেখেতৰ আত্মাই শান্তি পাওক। শ্ৰদ্ধাৰ গোস্বামীদেৱলৈ শ্ৰদ্ধার্ঘ্য নিৱেদন কৰি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ যাতে বিদেহ আত্মাই পৰম শান্তি লাভ কৰে। তেওঁ য'তেই আছে শান্তিত থাকক আৰু আমাৰ মৰমৰ অচ্যুত গোস্বামীদেৱ আমাৰ মাজত সদায় চিৰস্মৰণীয় হৈ থাকিব। ❖

মোৰ শ্রদ্ধাৰ খুৰা(শহুৰ)ৰ স্মৃতিত

অনিমা গোস্বামী (মুনা)
ভতিজা বোৱাৰী
পাঞ্জাবাৰী

জীৱনৰ বাটত কিছুমান মানুহ থাকে, যিসকলে নিজৰ কর্ম আৰু মৰমেৰে আনৰ জীৱনত চিৰস্থায়ী সাঁচ বহুৱাই থৈ যায়। মোৰ বাবে তেনে এগৰাকী ব্যক্তি আছিল খুৰা (শহুৰ) স্বর্গীয় অচ্যুত গোস্বামী। বিয়াৰ পাছৰ পৰাই মই যেতিয়াই লগ পাইছিলোঁ তেতিয়াই খুৰাৰ মৰমসনা মাতযাৰ আৰু অভিভাৱকসুলভ আচৰণে বহুখিনি সাহস দিছিল। খুৰা আছিল অতি সহজ সৰল, পৰোপকাৰী মনৰ মানুহ। পৰিয়ালৰ প্রতিজন সদস্যৰ সুখ-দুখৰ খবৰ ৰখাটো আছিল তেখেতৰ স্বভাৱ। মানুহৰ হৃদয় জয় কৰা মানুহ আছিল খুৰা। টকা-পইচা কর্ম অনুযায়ী সকলো মানুহে উপার্জন কৰে কিন্তু মানুহৰ হৃদয় জয় কৰা সহজ নহয়। তেখেতে জীৱনত মানুহ, মানুহ কেৱল মানুহ গোটালে যিটো সকলোৰে কাৰণে সহজ কথা নহয়। তেখেতৰ মুখত লাগি থকা সেই স্নিগ্ধ হাঁহিটো আৰু আমাক দিয়া সৰু সৰু উপদেশবোৰ আজিও আমাৰ কাণত বাজি থাকে।

আজি তেখেত আমাৰ মাজত শাৰীৰিকভাৱে উপস্থিত নাই সঁচা, কিন্তু তেখেতৰ আদর্শ, মৰম আৰু স্মৃতিবোৰ আমাৰ হৃদয়ত চিৰদিন সজীৱ হৈ থাকিব। ভগৱানৰ ওচৰত প্রার্থনা জনাইছোঁ, তেখেতৰ পৱিত্র আত্মাই চিৰশান্তি লাভ কৰক। শ্রদ্ধাৰ খুৰালৈ মোৰ সশ্রদ্ধ প্রণাম জনালোঁ।

"ও অসতো মা সদ্‌গময়।
তমসো মা জ্যোতির্গময়।।
মৃর্ত্যোর্মা অমৃতং গময়।
ও শান্তি শান্তি শান্তি।।" ❖

অচ্যুত গোস্বামীক যিদৰে জানিছিলোঁ

হাছিবুৰ ৰহমান
গ্ৰীণলেণ্ড পথ, পাঞ্জাবাৰী

স্বচ্ছ গুৱাহাটী প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ অনুষ্ঠানত শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত ৰাজ্যপাল মহোদয়ৰ পৰা পুৰস্কাৰ গ্ৰহণ কৰাৰ সময়ত মোৰ মনত ভুমুকি মৰা প্ৰথম মানুহজনেই আছিল প্ৰয়াত অচ্যুত গোস্বামী। গোস্বামীৰ অক্লান্ত শ্ৰম, কৰ্মনিপুণতা আৰু দক্ষতাৰ বাবেই গ্ৰীণলেণ্ডবাসীয়ে স্বচ্ছ গুৱাহাটী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাই নহয়; সকলোৰে যুটীয়া প্ৰচেষ্টাত প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল।

অচ্যুত গোস্বামীৰ লগত মোৰ মুখৰ চিনাকি আছিল যদিও গোস্বামীৰ লগত ঘনিষ্ঠতা বাঢ়িল গ্ৰীণলেণ্ড উন্নয়ন সমিতিৰ গঠনৰ দিনাৰ পৰাহে। ফুলেন কলিতাৰ দোকানলৈ প্ৰয়োজনীয় সামগ্ৰী আনিবলৈ যাওঁতে ফুলেনৰ দোকানত লগ পাইছিলোঁ গোস্বামী, গগৈ আৰু কেতিয়াবা গগৈৰ পৰিবাৰক। কেইবাদিনো লগ পাইছিলোঁ যদিও মোৰ লগত বয়সৰ পাৰ্থক্যৰ বাবেই বা অন্য কিবা কাৰণেই হওক মোক সকলোৱে সন্মান কৰিছিল আৰু হাঁহি মুখে�ৰেই মাত দিছিল; কিন্তু মোৰ লগত কথা কমকৈ পাতিছিল। বিহুৰ অনুষ্ঠানৰ পৰাহে সকলোৰে মোৰ লগত আন্তৰিকতা বাঢ়িছিল। সকলোৱে মোৰ লগত সহজভাৱে কথা পাতিবলৈ আৰম্ভ কৰিছিল।

গুৱাহাটী পৌৰ নিগমে স্বচ্ছ গুৱাহাটীৰ প্ৰতিযোগিতাৰ বাবে জাননী জাৰি কৰি সভালৈ সকলো ৱাৰ্ডৰ সদস্যক নিমন্ত্ৰণ কৰিছিল। আমাৰ সভাপতিৰ অনুৰোধ ৰক্ষা কৰি প্ৰয়াত গোস্বামী আৰু নিলুফাৰ সেই সভালৈ গৈছিল।

পৌৰ নিগমৰ পৰা প্ৰতিযোগিতাৰ নিয়মাৱলী সংগ্ৰহ কৰি আহি আমাৰ সদস্যসকলৰ লগত আলোচনা কৰি প্ৰতিযোগিতাৰ অংশগ্ৰহণ কৰাৰ বাবে সকলোৰে মতামত গ্ৰহণ কৰা কালত আমাৰ বেছিভাগ সদস্যই সেই প্ৰতিযোগিতাত অংশগ্ৰহণ নকৰাৰ পক্ষেই মতামত দিছিল। কাৰণ হিচাপে সকলোৰে ঘৰৰ দেৱালবোৰত একে ধৰণৰ ৰং দিবলৈ বহুতো অৰ্থৰ প্ৰয়োজন আৰু সকলো বাসিন্দাৰ গ্ৰহণযোগ্যতাৰ প্ৰয়োজন আৰু সমৰ্থন লাগিব। সেয়েহে বাসিন্দাসকলক মান্তি কৰিব পাৰিব লাগিব। অচ্যুত গোস্বামীৰ জেদত লাগিল; প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব লাগিব। তাৰ বাবে বাসিন্দাসকলক ঘৰে ঘৰে গৈ সৈমান কৰিবলৈ দায়িত্ব ল'লে অচ্যুত গোস্বামীয়ে। সমৰ্থন জনালে সকলোৰে আৰু গ্ৰীণলেণ্ডবাসী সকলোৰে দেৱালবিলাকত নিজা নিজা খৰচত একেই ধৰণৰ ৰং কৰিলে। দেৱালত ৰং দিয়াৰ বাবে যি লেবাৰে কাম কৰিছিল সেই সকলো চোৱা-চিতা কৰিছিল অচ্যুত গোস্বামীদেৰে। গ্ৰীণলেণ্ডখন নিজৰ ঘৰ বুলি ভাবি প্ৰখৰ ৰ'দত শ্ৰমিকৰ কাম চোৱা-চিতা কৰাৰ পৰা পৌৰ নিগমৰ পৰা অহা প্ৰতিজন বিষয়াক সংগ দিছিল। সম্পাদক আৰু সভাপতিৰ লগত প্ৰতি কামত সহযোগ কৰিছিল। তেখেতক দিয়া সকলো দায়িত্ব হাঁহিমুখে পালন কৰিছিল। গ্ৰীণলেণ্ডখন ধুনীয়াকৈ সজাই প্ৰতিযোগিতাত পুৰস্কাৰ পাবলৈ সকলোৰে যত্ন কৰিছিল। গোস্বামীৰ দৃঢ়তা আৰু আন্তৰিকতাৰ বাবেই অৱশেষত গ্ৰীণলেণ্ড উন্নয়ন কমিটিয়ে প্ৰথম পুৰস্কাৰ পাঁচ লাখ টকা লাভ কৰিছিল স্বচ্ছ গুৱাহাটী প্ৰতিযোগিতাত। ২ অক্টোবৰত কলাক্ষেত্ৰত আমাৰ ৱাৰ্ডৰ পৰা সম্পাদক আৰু সভাপতিক পুৰস্কাৰ বিতৰণৰ কাৰ্যসূচীলৈ নিমন্ত্ৰণ কৰিছিল। প্ৰতিযোগিতাত গ্ৰীণলেণ্ডবাসীৰ মনৰ দৃঢ়তা আছিল পুৰস্কাৰ পাব বুলি। বাকীসকল কলাক্ষেত্ৰলৈ নগ'ল। কিন্তু গোস্বামী আৰু নিলুফাৰ কলাক্ষেত্ৰলৈ গৈছিল পুৰস্কাৰ গ্ৰহণ অনুষ্ঠান উপভোগ কৰিবলৈ। যথাসময়ত পুৰস্কাৰ ঘোষণা কৰা হ'ল আৰু গ্ৰীণলেণ্ড উন্নয়ন সমিতিয়ে ৰাজ্যপালৰ হাতৰ পৰা প্ৰথম পুৰস্কাৰ পাঁচ লাখ টকা গ্ৰহণ কৰিলে। সম্পাদক আৰু মই ৰাজ্যপালৰ হাতৰ পৰা ডামি চেকখন লোৱাৰ লগে লগে ৰাইজৰ মাজত বহি থকা অচ্যুত গোস্বামীয়ে আনন্দত চিঞৰা শুনিছিলোঁ 'গ্ৰীণলেণ্ড জিন্দাবাদ'। গোস্বামী আগবাঢ়ি আহিছিল ফটো

তুলিবলৈ। সভাৰ শেষত আমি চেকখন ঘূৰাই দি আচল চেকখন আনিব লাগে যদিও গোস্বামী আনন্দত মতলীয়া হৈ সেই ডামি চেকখন ঘূৰাই নিদিলে আৰু সেই ডামি চেকখন গ্ৰীণলেণ্ডলৈ লৈ আহি বিহু নাচিলে। চেকখন লৈ ফটো উঠিলে আৰু পাছদিনাখন সমূহীয়া ভোজ-ভাত খালে। সদায় হাঁহিমুখীয়া, অত্যন্ত অমায়িক আৰু নিৰ্জু মানুহজনে আমাক সকলোকে কন্দুৱাই ৰাইজে নেদেখাকৈ ৰাতিৰ আন্ধাৰত আঁতৰি গ'ল। অচ্যুত গোস্বামীৰ আত্মা চিৰশান্তিত থাকক। ❖

অচ্যুত মামা

ধ্ৰুৱজ্যোতি গোস্বামী
কৈঠালকুছি

ডাকৰ বচন, মামা-ভাগিন থাকিলে হেনো বাঘো পলায়। তেনেকুৱা ধৰণৰ কথা-বতৰাৰে সেই সদা হাস্যমুখী মানুহজন আজি আমাৰ মাজত নাই। আচৰিত ৰাতি ৩ বজাত হঠাৎ ফোনটো বাজি উঠিল। খকমককৈ চাই দেখো মোৰ মাজু মামা শ্ৰীবিশ্বেশ্বৰ গোস্বামীৰ ফোন ৰিচিভ কৰি মামা বুলি মাতোতে সেইমূৰৰ পৰা উত্তৰ আহিল তুল অচ্যুৎ মামাৰা নাই। কথাযাৰ যেন মোৰ মুখৰ ভিতৰত ৩৩ হাজাৰ লগাই দিলে। উপাই নাই, বৰ্তমান মই মোৰ ডাঙৰ ভিনদেউ নৃপেন শৰ্মাৰ বিয়োগত শোকদগ্ধ তাতে আকৌ সৰু মামাৰ মৃত্যু। ভাব হ'ল নিষ্ঠুৰ ভগৱানে মোকেই যেন সকলো দুখ জাপি দিব খুজিছে। যি নহওক সদা হাস্যময়ী, ৰসাল কথাৰে নিজকে সমাজত প্ৰতিষ্ঠিত কৰিব পৰা মোৰ মামাৰ অকাল বিয়োগত সঁচাকৈ মই ভিতৰি ভিতৰি ভাগি পৰিছোঁ। ক'ব নোৱাৰো লিখিব একো নাজানো, তথাপি মামা-ভাগিনৰ ওপৰত থকা আশীৰ্বাদৰ কাৰণে এইখিনি লিখিলোঁ। মামা, তুমি য'তে থাকা আমাক সকলোকে আশীৰ্বাদ দি থাকিবা। বিদায় তোমাৰ হতভগা ভাগিন, তুল। ❖

প্রস্তাৱনা

শ্রদ্ধাঞ্জলিৰ একলম...

বীৰেন্দ্র কুমাৰ চক্রৱর্তী
কৃষ্ণা এপার্টমেণ্ট, দিশপুৰ

আমাৰ সকলোৰে অতি আপোন, বাঘৰবড়ি গ্রীণলেণ্ডৰ নিবাসী, সমাজপ্রাণ আৰু মানৱদৰদী ব্যক্তি প্রয়াত অচ্যুত গোস্বামীদেৱৰ অকাল বিয়োগত আমি গভীৰভাৱে মর্মাহত। তেখেতৰ সদাহাস্যময় মুখখনি আৰু নিঃস্বার্থ সমাজসেৱাৰ স্মৃতি আমাৰ হৃদয়ত চিৰদিন অম্লান হৈ থাকিব।

জীৱনৰ এই অনিশ্চয়তা আৰু ব্যস্ততাৰ মাজতো আমি যাতে নিজৰ শৰীৰ তথা স্বাস্থ্যৰ প্রতি সজাগ হওঁ, তাকেই কামনা কৰি আজি ২১ নৱেম্বৰ, ২০২৬ তাৰিখে তেখেতৰ পৱিত্র আদ্যশ্রাদ্ধৰ দিনা এই কবিতাটিৰ জৰিয়তে তেখেতৰ পুণ্যাত্মালৈ আমাৰ সশ্রদ্ধ প্রণিপাত জনালোঁ।

জীৱন ক্ষণভংগুৰ

পুৱাৰ কিৰণত যাক দেখিছিলোঁ হাঁহি-মাতি থকা,
ক্ষন্তেক পিছতেই বগা কাপোৰেৰে তেওঁৰ দেহটি ঢকা।
কচুপাতৰ বুকুৰ পৰা টোপাল সৰাদি সৰে,
নিয়ৰৰ দৰে জীৱন-চাকিটি অকালতে নুমাই পৰে।
কাৰ কেতিয়া কি হয় কোনেও নাজানে তাৰ উমান,
ধুমুহা আহিলে ভাঙি চুৰমাৰ হয় জীৱনৰ সকলো মান-অভিমান।
বিজ্ঞজনে হুমুনিয়াহ কাঢ়ি কয়—"এয়াই আছিল বিধাতাৰ লিখন,"
"জীৱন ক্ষণভংগুৰ" বুলি গাই ফুৰে পুৰণি বচন।

কথাটি সত্য, ইয়াত তর্কৰ কোনো অৱকাশ নাই,
দেহৰ যত্ন নল'লে সকলো সাধ্য বৃথা হৈ যায়।
ব্যস্ততাৰ পাকচক্রত পৰি সময়ৰ অজুহাত দেখুৱাই,
অৱহেলাৰ কোলাত শুই থাকিলে আয়ুস মৰহি যায়।
দেহৰ যন্ত্র, অচিন ৰোগৰ বিজ্ঞান জনা আজি অতি প্রয়োজন,
সময় থাকোঁতেই লাগে সুচিকিৎসকৰ পৰামর্শ গ্রহণ।
প্রচেষ্টাৰ অন্ততো যদি নহয় আৰোগ্য সাধন,
তেতিয়াহে মানি ল'বা সেয়া আমাৰ ভাগ্যৰ লিখন
কাৰণ প্রবাদে কয়, "ভাগ্যৰ লিখন নাযায় খণ্ডন।"
পানীৰ বুৰবুৰণিৰ দৰে ক্ষণস্থায়ী আমাৰ এই প্রাণ,
তথাপিও সাৱধানতাৰে ৰাখিব পাৰি জীৱনৰ মান।
মনত ৰাখিবা—"সাৱধানৰ কেতিয়াও বিনাশ নাই,"
সময়ৰ শৰ মাৰিব জানিলে লক্ষ্যভেদ সদায় হয়।
অনাদৰ-অৱহেলাতো উশাহবোৰ গৈ থাকে বৈ,
কিন্তু সজাগতা অবিহনে জীৱন ৰয় আধৰুৱা হৈ।
বাঘৰবড়ি গ্রীনলেণ্ডবাসী প্রয়াত অচ্যুত গোস্বামীদেৱৰ,
পৱিত্র আদ্যশ্রাদ্ধৰ বেলিকা আজি,
তেওঁৰ মুখৰ মিচিকিয়া হাঁহিকে সুঁৱৰি সুঁৱৰি
গাঁথিছোঁ কবিতাৰ মালাধাৰি, দুচকুৰ টুকি চকুলো দুধাৰি।
সমাজ সেৱাৰে কাম কৰি, হিয়া-মন উজাৰি,
নিজৰ দেহলৈ অকণো নিচিন্তি গ'ল মায়াৰ বান্ধোন ছিঙি।
তথাপিও ৰৈ গ'ল বাঘৰবড়ি গ্রীনলেণ্ডৰ বুকুত,
সেই মিচিকিয়া হাঁহিৰ অমলিন বিৰিঙনি।
আহক আজিৰে পৰাই হওঁ দৃঢ় সংকল্পবদ্ধ আমি,
অন্ধবিশ্বাস নেওচি বিজ্ঞান আৰু প্রযুক্তি লওঁ আদৰি।
জ্ঞানৰ পোহৰেৰে জীৱনটোক দিওঁ নতুন আকাৰ,
সজাগতাৰ ঢালেৰে ৰোধ কৰোঁ অকাল মৃত্যুৰ হাহাকাৰ।
একৈশ নৱেম্বৰ, দুই হাজাৰ ছাব্বিশ চনৰ আদ্যশ্রাদ্ধৰ এই পুণ্য
ক্ষণত সশ্রদ্ধ প্রণাম জনাইছোঁ আজি গভীৰ শোক লৈ মনত।

আমাৰ অতি স্নেহৰ, মানৰ দৰদী কৰ্মী, প্ৰয়াত অচ্যুত গোস্বামীদেৱৰ বিশুদ্ধ পুণ্যাত্মাৰ চিৰশান্তি কামনা কৰিলোঁ সৰ্বান্তঃকৰণেৰে ঈশ্বৰৰ চৰণত।

"সৰ্বে ভৱন্তু সুখিনঃ সৰ্বে সন্তু নিৰাময়াঃ।
সৰ্বে ভদ্ৰাণি পশ্যন্তু মা কশ্চিদ্দুঃখভাগ্‌ভৱেৎ।।" ❖

অশ্রু অঞ্জলি

কল্যাণ শৰ্মা

গোস্বামী দাৰ বিষয়ে কি ক'ম ! ৰাতিপুৱা ব্ৰাছ কৰি উঠি চাদৰ ওপৰলৈ যাওঁ কাৰণ গোস্বামীদাই পানীৰ মটৰৰ ছুইচ অন কৰি চাদৰ ওপৰত খোজ কাঢ়ি থাকে। তেনেকৈয়ে দিনটোৰ আৰম্ভণি হয়।

বাইদেউৰ (তেখেতৰ পৰিবাৰ) চিঞৰি কোৱা কথা আৰু গোস্বামীদাৰ মিহি উত্তৰে প্ৰায়ভাগ সময়তে কাণ চুই থাকে।

গোস্বামীদাই তুলসীৰ গুৰিত চাকি দিয়া অথবা ফুলত পানী দিয়া সময়ত কথা পতাটো একেবাৰে নিয়মীয়া আছিল।

তেখেতে নিজ হাতেৰে ভজা মাহকৰাই জুতি লগাকৈ খুওৱাৰ উপৰিও আজি কেইবছৰমান ধৰি উৰুকাত একেলগে বজাৰ কৰাৰ পৰা ৰান্ধি-মেলি খোৱা কথাবোৰ সদায় মনত ভাহি থাকিব।

গোস্বামীদা আমাৰ চুবুৰীয়া নহয়, আমি যেন এটা পৰিয়ালৰ দৰেহে। তেখেতৰ বিদেহ আত্মাৰ বৈকুণ্ঠ গমনৰ প্ৰাৰ্থনা কৰিলোঁ। ওঁম শান্তি। ❖

সৎ কর্মীৰ বিনাশ নহয়

ড° ৰবীন্দ্রনাথ দেৱ শর্মা
বাঘৰবড়ি, গ্রীণলেণ্ড পথ, গৃহ নং ২৭

গুৱাহাটীৰ পাঞ্জাবাৰীত অৱস্থিত কলাক্ষেত্র পাৰ হৈ আহিলে বাঘৰবড়ি তিনিআলি এটা পোৱা যায়। তাৰ পৰা বাঁওফালে সাতগাঁও পথেৰে অলপ দূৰ গ'লে তিনি নম্বৰ উপপথ এটা পোৱা যায়। যাৰ নামকৰণ কৰা হৈছে গ্রীণলেণ্ড পথ বুলি। এই গ্রীণলেণ্ড অঞ্চলটোত মুঠতে ১০৩ ঘৰমান অধিৱাসী আছে। এই অঞ্চলৰ লোকসকলে এইবাৰ মিলা-প্রীতিৰে উলহ মালহেৰে ব'হাগী উৎসৱ পালন কৰিছে। মুঠতে সকলোৰে মাজত এটা ঐক্য ভাব বিৰাজমান।

এইবাৰ স্বচ্ছ ভাৰত অভিযানৰ প্রতিযোগিতাত এই গ্রীণলেণ্ড পথটোৱেই প্রথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ বাবে বাঘৰবড়ি গ্রীণলেণ্ড উন্নয়ন সমিতিৰ সভাপতি শ্রীযুত জীৱন চন্দ্র গোস্বামী, সম্পাদক শ্রীযুত ধ্রুবজিৎ শর্মা প্রমুখ্যে সকলো সদস্য-সদস্যালৈ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই পৰম্পৰাটো যাতে অব্যাহত থাকে তাৰ বাবে আমি যত্নপৰ হ'ব লাগিব।

এই অঞ্চলৰে বাঘৰবড়ি গ্রীণলেণ্ড উন্নয়ন সমিতিৰ এজন সদস্য অত্যুৎসাহী, উদ্যমী ব্যক্তি অচ্যুত গোস্বামীয়ে মোক লগ পালে কয়— 'শর্মা দা, পুৰস্কাৰ এটা পালে ভাল আছিল'। অন্যান্য সদস্যৰ সৈতে অতি নিষ্ঠাৰে বেৰত ৰং দিয়া কামৰ তদাৰক কৰিছিল। শেষত তেখেতৰ মনৰ কামনা পূর্ণ হ'ল। আমাৰ সমিতিয়ে প্রতিযোগিতাত প্রথম স্থান লাভ কৰি পাঁচ লাখ টকা গ্রহণ কৰিবলৈ সক্ষম হ'ল। পাঁচ লাখ টকাৰ চেক গ্রহণ কৰাৰ সময়ত তেখেতো তাত উপস্থিত আছিল।

১১/১১/২০২৬ তাৰিখ বুধবাৰে মই দিনৰ ১১.৩০ মান বজাত গ্ৰীনলেণ্ডৰ ফালৰ পৰা গৈ তেখেতৰ ঘৰৰ দুৱাৰমুখত তেখেতক লগ পালোঁ। লগত এজন মোৰ অচিনাকি লোক। মোক চিনাকি কৰি দি ক'লে—"শৰ্মা দা, এইজন মোৰ ওপৰৰ দাদা। তেজপুৰত থাকে, খানাপাৰাত থৈ আহো ৰ'ব।" ময়ো ককায়েকৰ লগত চিনাকি হ'লোঁ। মই ঘৰলৈ আহিলোঁ, তেখেতসকল গ'ল।

পিছদিনাখন ৰাতিপুৱা ৬.৫০ বজাত তেখেতৰ ঘৰৰ ওচৰৰ শ্ৰীযুত পূৰ্ণেন্দু শৰ্মাই মোক জনালে এটা বৰ দুখৰ খবৰ। খবৰটো শুনি মই হতভম্ব হৈ পৰিলোঁ। মই সুধিলোঁ কি হৈছিল? উত্তৰত ক'লে হাৰ্ট এটেক। ৰাতি ১.৩০ বজাত ইহ সংসাৰ ত্যাগ কৰি অজান ঠাইলৈ গমন কৰিলে।

তেখেতৰ নাম অচ্যুত গোস্বামী, ন চ্যুত = অচ্যুত অৰ্থাৎ চ্যুত মানে হ'ল ভ্ৰষ্ট। যিজন ভ্ৰষ্ট নহয় সেইজনেই অচ্যুত। তৰ্ক বিজ্ঞানৰ ভাষাত স্বকীয় নামৰ গুণাৰ্থ নাথাকে। অৰ্থাৎ নামটোৰ লগত মানুহজনৰ কোনো অৰ্থ নাথাকে। চিনাক্ত কৰাৰ কাৰণে নাম এটা ৰখা হয় বুলি কয়। কিন্তু অচ্যুত গোস্বামীৰ ক্ষেত্ৰত গুণাৰ্থ সম্পূৰ্ণৰূপে প্ৰযোজ্য হৈছে। মানুহৰ মৃত্যু কোনেও বাধা দি ৰাখিব নোৱাৰে। কেতিয়া জন্ম হ'ব কেতিয়া মৃত্যু হ'ব কোনেও ক'ব নোৱাৰে।

'আয়ুঃ বিত্তঞ্চ বিদ্যা চ প্ৰজ্ঞা নিধনমেৱ চ।
পঞ্চৈতানি হি সৃজ্যন্তে গৰ্ভস্থস্যৈৱ দেহিনঃ।।

আয়ু, বিত্ত (ধন-সম্পদ), বিদ্যা, প্ৰজ্ঞা, নিধন (মৃত্যু) এই পাঁচটা মাতৃগৰ্ভত থাকোঁতেই নিৰূপণ হয়। গতিকে আমি নাজানো আৰু আমি ইয়াৰ অন্যথা কৰিবও নোৱাৰো। তেখেতৰ মূল ঘৰ বজালী জিলাৰ টঙ্গাৰকুৰ গাঁৱত। পিতৃৰ নাম প্ৰয়াত বাসুদেৱ গোস্বামী, মাতৃৰ নাম প্ৰয়াত কামিনী গোস্বামী। বজালী মহাবিদ্যালয়ৰ পৰা স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীত ব্যৱসায় কৰিছিল। ভাই-ককাই চাৰিজন, তেখেত কনিষ্ঠ। মহাপ্ৰয়াণৰ সময়ত তেখেতে ভাৰ্য্যা, এজন পুত্ৰ আৰু বহুতো আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। পুত্ৰজনে আয়ুৰ্বেদ মহাবিদ্যালয়ত অধ্যয়ন কৰি আছে। তেখেতৰ কৰ্মৰাজিয়ে তেখেতক আমাৰ মাজত জীয়াই ৰাখিব।

'পৰিৱৰ্ত্তিনি সংসাৰে মৃতঃ কো বা ন জায়তে।

স জাতঃ যেন জাতেন যাতি বংশঃ সমুন্নতিম্।।

এই পৰিৱৰ্তনশীল সংসাৰত কোনে নজন্মে বা কোনে নমৰে, কিন্তু সেইজনৰ জন্ম সার্থক হয় যাৰ জন্মৰ দ্বাৰা বংশৰ, সমাজৰ উন্নতি হয়। টকা-পইচা, ঐশ্চর্য্য-বিভূতিয়ে মানুহক জীয়াই নাৰাখে। ৰাখে একমাত্র সৎ কর্মই। সৎ কর্মীৰ বিনাশ নহয়।

'কীর্ত্তির্যস্য স জীৱতি'।

যাৰ যশস্যা আছে তেওঁ জীয়াই থাকে। অচ্যুত গোস্বামীও আমাৰ মাজত চিৰদিন জীয়াই থাকিব তেখেতৰ সৎ কার্যৰ বাবে।

'দিৱান মোকান্ স গচ্ছতু'।

তেখেতৰ স্বর্গত বাসস্থান হওক, ইয়াকে ভগৱানৰ ওচৰত প্রার্থনা জনালোঁ। ❖

মৰমৰ ভাতৃ অচ্যুতৰ সোঁৱৰণত

বিশ্বেশ্বৰ গোস্বামী
তেজপুৰ

উৎসাহ-উদ্দীপনাই মানুহক জীৱন যুঁজত আগবাঢ়ি যাবলৈ অনুপ্রেৰণা যোগায়। আমাৰ কনিষ্ঠ ভাতৃ অচ্যুত আছিল তেনেকুৱা এজন উৎসাহী ব্যক্তি যাৰ অনুপ্রেৰণাত আমি ঘৰখনৰ প্রতিগৰাকী সদস্যই সকলো দিশতে আগবাঢ়ি যাবলৈ প্রেৰণা লাভ কৰিছিলোঁ।

বজালী জিলাৰ অন্তর্গত পাটাছাৰকুছিৰ টঙ্গাৰকুৰ গাঁৱত ১৯৬৬ চনৰ মার্চ মাহত জন্মগ্রহণ কৰা অচ্যুতৰ জন্মৰ মাত্র দুবছৰ পাছতে পিতৃহাৰা হয়। আমাৰ আটাইকেইটা ভাই-ভনীৰ মৰমৰ মাজত ডাঙৰ-দীঘল হোৱা অচ্যুত আছিল আমাৰ সকলোৰে হিয়াৰ আমঠু। তেওঁ পাটাছাৰকুছি বিদ্যাপীঠৰ পৰা সুখ্যাতিৰে হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক উত্তীর্ণ হৈ বজালী মহাবিদ্যালয়ৰ পৰা অর্থনীতি বিষয়ৰ মেজৰসহ স্নাতক ডিগ্রী লাভ কৰে।

তাৰ প্রায় দুবছৰমান পাছত অচ্যুতে নগাঁও জিলাৰ বুঢ়াপাহাৰ চাহ বাগিচাত কেৰাণী হিচাপে কামত যোগদান কৰে। বাগানত চাকৰি কৰি ভাল নলগাৰ বাবে তেওঁ মাত্র দুবছৰ পাছতে উক্ত চাকৰিৰ পৰা ইস্তফা দি গুৱাহাটীত ব্যৱসায় কৰিবলৈ আৰম্ভ কৰে। তাৰ কিছুদিন পাছতে তেওঁ নলবাৰী জিলাৰ বৰমাৰ এখন চৰকাৰী এম.ই. স্কুলত শিক্ষকৰ চাকৰি লাভ কৰিছিল যদিও তাতো যোগদান নকৰি ব্যৱসায়তে লাগি থাকিল।

সহজ-সৰল অমায়িক স্বভাৱৰ অচ্যুত আছিল এজন উদাৰ প্রকৃতিৰ লোক। সদায়ে মুখত এমোকো�ৱা হাঁহি লৈ খোলা অন্তৰেৰে সকলোৰে প্রতি সৎ ভাব বজাই ৰখা অচ্যুতৰ চৰিত্রৰ আছিল এটা মহৎ গুণ। আনক সহায় কৰি ভাল পোৱা, অনুপ্রেৰণা যোগোৱা অচ্যুত আছিল এজন নিঃস্বার্থ

সমাজকর্মী। নিজৰ জন্ম গাঁওখনৰ সকলোৰে মাজত যেনেকৈ জনপ্ৰিয় আছিল তেনেকৈ তেওঁ পিছলৈ গুৱাহাটীৰ বাঘৰবড়িত স্থায়ী বাসিন্দা হিচাপে বাস কৰা সমাজখনৰ লগতো এজন জনপ্ৰিয় ব্যক্তি হিচাপে পৰিগণিত হৈছিল। তাৰ মূলতে আছিল তেওঁৰ সমাজসেৱামূলক কাম-কাজ। অচ্যুত আছিল বিশ্ব হিন্দু পৰিষদৰ গুৱাহাটী মহানগৰ শাখাৰ প্ৰঃ সভাপতি আৰু বিত্ত সম্পাদক।

নিষ্ঠুৰ নিয়তিয়ে আমাক শোক সাগৰত বুৰাই থৈ আমাৰ বুকু শুদা কৰি অচ্যুতক চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা লৈ গ'ল। আহ! কি অসহনীয় এই বিদায়। মৰমৰ অচ্যুত, তুমি আমাক শোক সাগৰত বুৰাই থৈ চিৰদিনৰ বাবে গুচি গ'লা। তোমাৰ জ্যেষ্ঠ ভাতৃ হিচাপে অশ্ৰুসিক্ত নয়নেৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ তোমাৰ আত্মাই চিৰশান্তি লাভ কৰক। তুমি য'তেই থাকা কেৱল শান্তিত থাকা। ❖

শ্রদ্ধাঞ্জলি

ভাৰতী গোস্বামী (ডাঙৰ বৌ)

পাটাছাৰকুছি

"শুৱনি আমাৰ গাঁওখন অতি
শুৱনি গছেৰে ভৰা
ডাল ভৰি ভৰি ফলফুল লাগে
কত পাওঁ তল সৰা।"

সঁচাকৈয়ে শুৱনি আমাৰ টঙ্গাৰকুৰ গাঁও। জগন্নাথ মন্দিৰ আৰু কালী মন্দিৰৰ কাষেদি কালদিয়া নদী বৈ টঙ্গাৰকুৰ গাঁৱৰ শোভা বঢ়াইছে। এই গাঁৱতেই আমাৰ বসবাস। আমাৰ গাঁওখনত ৪৮ ঘৰ ব্ৰাহ্মণ সম্প্ৰদায়ৰ মানুহ। এতিয়া নতুনকৈ বাঢ়িছে। আমি দুঘৰ গোসাঁই মানুহ। আমি আৰু মামা শহুৰৰ ঘৰ। আমাক হালধিবেৰা গোসাঁই বুলিছিল। আমাৰ পুৰণা ঘৰ আছিল হালধি বাৰীত (সৰ্থেবাৰীত)। সাধাৰণ পৰিয়ালৰ যদিও চাৰিওফালে প্ৰখ্যাত আছিল। মোৰ বিয়াৰ পাছৰ পৰাই ঘৰৰ সকলো দায়িত্ব পালন কৰিব লগা হৈছিল। শহুৰ-শাহুৰ চাৰিজন ল'ৰা আৰু চাৰিজনী ছোৱালীৰ ভিতৰত অচ্যুত সৰু। কণমানি বয়সতে পিতৃক হেৰুৱাবলগাত পৰে। ৯-১০ মান বয়সত মই লগ পালোঁ। মই অহাৰ পৰা তেওঁ বৌ বৌ কৈ পিছে পিছে ঘূৰি ফুৰে। পাছলৈ মোৰ কামতো সহায় কৰা হ'ল। মাজে মাজে খং-অভিমানো কৰা হ'ল। তিনিজন দাদাক আৰু তেওঁ। তেওঁ পিতৃহীন যদিও কোনোদিনে তেওঁ কোনো অসুবিধা ভোগ কৰা নাছিল। আমি কৰ্মসূত্ৰে কিছুদিন ঘৰৰ পৰা কিছু দূৰত আছিলোঁ। তেওঁ প'ষ্ট মাষ্টাৰ আছিল (ডাঙৰ দাদা)। তেতিয়াৰ দিনত মোবাইল নাছিল। মাত্ৰ চিঠিৰে আদান-প্ৰদান, ভাব বিনিময়, নানান আলোচনা, ঘৰৰ ভাল-বেয়া সকলো খবৰ চিঠিৰেই লোৱা হৈছিল। সৰুৰে পৰা তেওঁক

নিজৰ সন্তানৰ দৰে মৰম কৰি পঢ়াই-শুনাই ডাঙৰ কৰিলোঁ। তিনিওজন দাদাকৰ কৰ্মসংস্থান হিচাপে চাকৰি পালে। কিন্তু তেওঁৰ ভাগ্যত চাকৰি নিমিলিল। বি.এ. পাছ কৰি গুৱাহাটীৰ সৰু বায়েকৰ ঘৰত থাকিবলৈ লয়। তাতেই বন্ধু-বান্ধৱ, নানা ধৰণৰ মানুহৰ লগত চিনা-জনা হৈ ব্যৱসায়ত ব্যস্ত হ'ল আৰু বিবাহপাশত আৱদ্ধ হ'ল। গৌৰীপুৰত কইনা। দাদাকহঁতে বিয়া পাতি দিলে। গুৱাহাটীৰ ভাৰাঘৰতে যুগ্ম জীৱন আৰম্ভ কৰে। সকলো সময়তে তেওঁ হাঁহি থাকে। কোনোদিনে তেওঁৰ দুখ নেদিখিলোঁ। তিনিজন দাদাক আৰু তিনিজনী বৌয়েক। আমাক (মানে ডাঙৰ দাদা বৌ) পিতৃ-মাতৃ জ্ঞান কৰে। ২০২০ চনত ডাঙৰ দাদাকে এই সংসাৰ এৰি গুচি যায়। এবছৰ পাছত মাজু দাদাকো গুচি যায়। এতিয়া সৰু দাদাৰ আৰু অচ্যুত। দুই ভাই-ককাইৰ মিল আৰু আমাৰ লগত মিল দেখি সকলোৱে তবধ মানিছিল। কালী পূজাত সৰু দাদাক তেজপুৰৰ পৰা আৰু অচ্যুত গুৱাহাটীৰ পৰা গাঁৱৰ ঘৰলৈ আহিছিল। পূজাৰ আয়োজন। কার্যসূচী তিনিদিনীয়াকৈ পাতিছে। মোৰো চাৰিটা ল'ৰা আৰু চাৰিজনী বোৱাৰী। কর্মসূত্রে তিনিজন বাহিৰত থাকে। দ্বিতীয় পুত্র -বোৱাৰী, নাতি আৰু মই গাঁৱৰ ঘৰত থাকোঁ। পূজা বুলি সকলো গোট খাইছিল। নাতি-নাতিনীৰে ভৰা আৰু ল'ৰা-বোৱাৰীৰে উদুলি-মুদুলি। তাতে দুজন খুৰাক। সৰু খুৰাক মানে অচ্যুতৰ লগত নানান ধেমালি-স্ফূর্তি। তিনিদিনীয়া অনুষ্ঠান শেষ কৰি ২৪ কাতি (১১/১১/২০২৬) পুৱা ৮ মান বজাত সকলোৱে গুৱাহাটীৰ নিজা ঘৰলৈ যায়। ৰাতি ন বজাত মই ফোন কৰিলোঁ। তেওঁ মোক দিনটো কি কৰিলে নকৰিলে সকলো জনালে আৰু দাদাকক খানাপাৰাত তেজপুৰৰ বাছত উঠাই দিয়া বুলিও কয়। ৰাতি ২ মান বজাত তেজপুৰৰ বৌৱেকে মোলৈ ফোন কৰিলে—অচ্যুতৰ অসুখ, মেডিকেলত ভর্তি কৰিছে। বুকুখন কঁপি উঠিল। তিনিমান বজাত মোৰ সৰু ল'ৰা দিগন্তই ফোন কৰি ঘৰত থকা বৌৱেকক (মানে মাজু বোৱাৰী) ক'লে খুৰা নাই। আচৰিত ! ক'ব নোৱৰা হৈ গ'লোঁ। বনজুইৰ দৰে গাঁৱত খবৰ বিয়পি পৰিল। গাঁৱৰ মানুহৰ মুখত এটাই কথা—আমাক যাওঁতে মাত দি গৈছে আৰু কৈছে 'মই বিশ তাৰিখে আকৌ আহিম।' তেওঁ হাঁহি হাঁহিয়েই কথাৰ উত্তৰ দিছিল। প্রথমে আচৰিত হওঁ কিয় তেওঁ এনেদৰে গুচি গ'ল?

সংসাৰৰ কাম আধৰুৱা কৰি? মই প্ৰায়ে তেওঁলোকৰ ঘৰলৈ গ'লে মাত্ৰ এৰাতি থাকি আহো। এইবাৰ কৈছিল 'তুমি ১২ দিনমান মোৰ তাত থকাকৈ যাবা। মই ক'লোঁ, কেনেকৈ যাম, ঘৰত দিগদাৰ নিজৰা (মোৰ মাজু বোৱাৰী) আৰু ইছু (নাতি) অকলে থাকিব। সীমান্ত (মানে মাজু ল'ৰা) ঘৰত নাথাকে। ইহঁতৰ অসুবিধা হ'ব। তেওঁ কৈছিল, ঘৰখন তুমি লগত লৈ যাবা নেকি? মই উত্তৰ দিয়া নাছিলোঁ। অচ্যুতৰ পত্নী দেৱযানী তেওঁৰ অবিহনে কেনেকৈ থাকিব? ল'ৰাটো (মানে ধুনু) ডাক্তৰী পঢ়ি আছে আদি নানান চিন্তাই মোক আগুৰি ধৰিছে। ভবা নাছিলোঁ সকলোকে কন্দুৱাই গুচি যাব। সেই হাস্য মুখখন মই কেনেকৈ পাহৰিম। এই কথা ভাবি অস্থিৰ হৈ পৰিছোঁ। টঙ্গাৰকুৰ গাঁওবাসীও এনে এজন হাস্যমুখী বন্ধুৰ বিয়োগত শোকত ম্ৰিয়মান। শোক সভা পাতিছে, কেনোবাই কান্দিছে, গাঁৱৰে এজন দোকানীয়ে তেওঁৰ বিয়োগৰ খবৰ পাই হুকহুককৈ কান্দিছিল আৰু সেই দোকানীজনেও আজি সোমবাৰ (১৬/১১/২০২৬) দিনৰ প্ৰায় ১মান বজাত ইহলীলা সম্বৰণ কৰে।

অচ্যুতৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। ❖

Memories with my Moha

Somadrita Bhattacharjee

It seems to me that if we love, we grieve. And loving him was never hard, for he was a man of easy warmth, my moha, with his gentle, inviting ways and a face that was perpetually smiling.

At his and Mahi's home, love lived in small things. It was in the toffees he pressed into our hands, in the dishes he made, that we took for granted: his special komola khanna, the mahkarai he made for Bihu, the beetroot salad, among others.

I am an agnostic, yet I have always heard it said that those whom God loves are called away too soon. If that is true, perhaps he was one of them, for the world feels emptier without his presence, and it will be missed dearly.

What remains are the memories we made together: Shillong in 2015, Kaziranga in 2022, and most recently Dima Hasao. Looking back, I see that those were never only trips. Those were moments of laughter and shared meals, with him quietly making everyone feel at ease. I will hold them close forever.

Grief, that I am in the midst of right now, I am learning, is only love with nowhere to go. And somewhere in my consciousness, that smiling face still lingers, as warm and unchanged as ever, as if he were still there to greet us. ❖

খুৰা— এক আদৰণীয় ব্যক্তিত্ব

পল্লৱী গোস্বামী (পমী)
গুৱাহাটী

দার্শনিক দৃষ্টিভংগীৰে চালে মৃত্যু জীৱনৰ পৰিসমাপ্তি নহয়, ই জীৱনৰ অনিবার্য্য সত্য। জন্ম আৰু মৃত্যুৰ মাজৰ সময়ছোৱাত মানুহে নিজৰ কর্ম, চিন্তা, ত্যাগ, মৰম আৰু আদর্শৰে জীৱনটোক অর্থপূর্ণ কৰিব পাৰে। জীৱৰ মৃত্যুৱে আমাক বুজাই দিয়ে জীৱনৰ ক্ষণস্থায়িত্বৰ কথা আৰু লগতে শিকায় যে জীৱনৰ প্রতিটো মুহূর্ত কিমান মূল্যবান। তথাপি আমি আপোন আৰু প্রিয়জনৰ মৃত্যু সহজভাৱে ল'ব নোৱাৰোঁ।

স্বর্গীয় অচ্যুত গোস্বামী সম্পর্কত মোৰ খুৰা শহুৰ। মোৰ শহুৰদেউতা স্বর্গীয় ভূৱনেশ্বৰ গোস্বামীৰ তেখেত আছিল কনিষ্ঠ ভাতৃ। মোৰ বিয়াৰ পাছত সম্পূর্ণ ২০ বছৰ তেখেতক মই অতি ঘনিষ্ঠভাৱে লগ পালোঁ। খুৰাৰ লগত জড়িত প্রতিটো কথা বা স্মৃতিয়েই অতি সুন্দৰ। কোনো ধৰণৰ ঋণাত্মক চিন্তা বা স্মৃতি খুৰা সম্পর্কে মোৰ নাই আৰু এই অনুভৱ হয়তো তেখেতৰ সান্নিধ্য পোৱা প্রতিজন ব্যক্তিৰেই হ'ব। এইখিনিতেই খুৰাৰ জীৱনৰ সার্থকতা।

মুখত এমোকোৱা হাঁহি আৰু কর্মতৎপৰ হিচাপেই মই খুৰাক সদায় লগ পালোঁ। তেখেতে নিজৰ দৈনন্দিন জীৱনত ঘটা প্রায় সকলো সৰু-বৰ ঘটনা যিমান সহজে আৰু খোলাকৈ আমাক কয়, সিমান আগ্রহেৰে আমাৰ প্রতিটো কথা শুনে আৰু সহযোগ কৰে। খুৰাৰ এই কথাটোৱে মোক সদায় আপ্লুত কৰিছিল। খুৰাৰ লগত কথা-বতৰা পাতিলে সদায় এজন ভাল বন্ধুৰ লগত কথা পতা যেন অনুভৱ হৈছিল।

ব্যক্তিগত জীৱনত এগৰাকী স্বামী আৰু পিতৃ হিচাপে খুৰা যিমান দায়িত্বশীল আৰু কর্মনিষ্ঠ আছিল, সিমানেই সমাজিকভাৱেও আদৰণীয়

আছিল। নিজৰ ওপজা গাঁওখনৰ প্ৰতিটো অনুষ্ঠান বা ক্ৰিয়া-কৰ্মত খুৰাই অতি সক্ৰিয়তাৰে অংশগ্ৰহণ কৰি অহা মই সদায় দেখি আহিছিলোঁ আৰু একেই সক্ৰিয়তাৰে তেখেতে গুৱাহাটীস্থিত বাসগৃহৰ ওচৰ-চুবুৰীয়াৰ সৈতেও প্ৰত্যেকটো কামত অংশগ্ৰহণ কৰিছিল।

খুৰাই নিজৰ কৰ্ম আৰু আদৰ্শৰে আমাৰ সকলোৰে হৃদয় জিনিব পাৰিছে। অন্তৰৰ উদাৰতাৰে তেখেতে সকলোকে আপোন কৰিব পাৰিছে। এই পৃথিৱীত প্ৰতিজন ব্যক্তিয়ে মানুহ হিচাপে আন মানুহৰ অন্তৰৰ কিমান ওচৰ চাপিব পাৰিছে সেইটোৱেহে নিৰ্ধাৰণ কৰে যে মানুহ এজন জীৱনত কিমান সফল ! খুৰাই সেই সফলতা অৰ্জন কৰিছে বুলি মই তেখেতৰ গুণমুগ্ধসকলক দেখি অনুমান কৰিব পাৰিছোঁ। গতিকে তেখেত আজি কায়িকভাৱে আমাৰ মাজত নাথাকিলেও তেখেতৰ কৰ্ম আৰু আদৰ্শই আমাক সদায় অনুপ্ৰাণিত কৰি থাকিব। খুৰা নেদেখাজনৰ ওচৰত শান্তিৰে থাকক আৰু আমাক আশিস প্ৰদান কৰক তাকেই কামনা কৰিছোঁ। ❖

মৰমৰ খুৰা ককা

আয়ুস
গুৱাহাটী

যোৱা ১২ অক্টোবৰৰ দিনা, ৰাতিপুৱা (বৃহস্পতিবাৰে) শুই উঠি মই গম পালোঁ যে মোৰ মৰমৰ সৰু খুৰা ককা আৰু নাই। তেওঁৰ ১১ তাৰিখে বুধবাৰে ৰাতি হঠাৎ পৰলোকপ্রাপ্তি ঘটে। কথাটো শুনিয়েই মই আচৰিত হ'লোঁ আৰু কেনেকৈ হ'ব পাৰে মই মাক প্রশ্ন কৰিলোঁ। কাৰণ আমি কালী পূজাত গাঁৱলৈ গৈছিলোঁ আৰু তালৈ ককাও গৈছিল। তাত ককাই সকলোৰে লগত পূজাত অংশগ্রহণ কৰিছিল। তেওঁৰ একো অসুখ-বিসুখ হৈ থকা নাছিল। কিন্তু গাঁৱৰ পৰা অহাৰ দিনা ৰাতি তেওঁৰ আকস্মিক মৃত্যু ঘটে।

মোৰ সৰু ককাহঁত পাঞ্জাবাৰীত বাস কৰিছিল। মই মাহঁতৰ লগত তেওঁলোকৰ ঘৰলৈ সৰুৰে পৰাই যাওঁ। আমি যেতিয়া তেওঁলোকৰ ঘৰলৈ ভাত খাবলৈ যাওঁ তেতিয়া তেওঁ বিভিন্ন ব্যঞ্জন ৰান্ধি খুৱাইছিল।

মোৰ খুৰা ককা বৰ স্ফূর্তিবাজ লোক আছিল। তেওঁ মোক বৰ মৰম কৰিছিল। মোক নহয়, মোৰ তিনিওজন খুৰাৰ ল'ৰা-ছোৱালীক আৰু মোৰ বাকো বৰ মৰম কৰিছিল। তেওঁ যেতিয়া গাঁৱৰ ঘৰলৈ যায় তেতিয়া চকলেট নিনিয়াকৈ নাথাকে। আমাৰ ঘৰলৈ আহিলেও চকলেট বা মিঠাই আদি লৈ আহে। তেওঁৰ মৃত্যুত আমি বৰ দুখ পাইছোঁ আৰু তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি অশেষ শ্রদ্ধাঞ্জলি জনাইছোঁ। ❖

আপোনভোলা হাঁহিটো

ৰুমী দেৱী
গুৱাহাটী

কেতিয়াও পাহৰিব নোৱাৰিম হাঁহিটো। এই আপোনভোলা হাঁহিটোৰ গৰাকী আছিল অচ্যুত গোস্বামী। বিশ্ব হিন্দু মহাসংঘ, হিন্দু সম্মিলন, গ্ৰীণলেণ্ড উন্নয়ন সমিতি, বাঘৰবড়ি তিনিআলি শ্ৰীশ্ৰী দুৰ্গা পূজা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান-সংগঠনৰ সৈতে জড়িত আছিল হিন্দুত্ববাদী নেতা অচ্যুত গোস্বামী। বিভিন্ন সামাজিক-সাংস্কৃতিক কামৰ অচিলাৰে আমাৰ ঘৰলৈও আহিছিল অচ্যুত দাদা। বাঘৰবৰি-সাতগাঁও পথছোৱাতো তেওঁক মাজে-সময়ে লগ পাইছিলোঁ। যেতিয়াই য'তে দেখা নহওক কিয়, প্ৰথমতে হাঁহিটো মাৰিহে আগুৱাই আহিছিল। পাছত ব্যক্তিগত খা-খবৰ লৈছিল। হাঁহিটো নিতৌ লাগিয়েই আছিল তেওঁৰ ওঁঠ দুটিত।

বিগত ২৩ জানুৱাৰিত পাঞ্জাবাৰীত অৱস্থিত শিল্পগ্ৰামত আয়োজন কৰা হিন্দু সম্মিলনত তেখেতৰ ভূমিকা সদায়েই স্মৰণীয় হৈ থাকিব। হিন্দু সম্মিলনৰ সভাপতি প্ৰভাত চন্দ্ৰ ঠাকুৰীয়া আৰু সাধাৰণ সম্পাদক ৰঞ্জন কুমাৰ চক্ৰৱৰ্তীৰ সোঁহাতস্বৰূপ আছিল অচ্যুত গোস্বামী। সম্মিলনৰ বিত্ত তত্ত্বাৱধায়কৰ গুৰুত্বপূৰ্ণ দায়িত্ব নিয়াৰিকৈ সমাপণ কৰি হিন্দু সম্মিলনখন সাফল্যমণ্ডিত কৰাত অচ্যুতদাৰো অৰিহণা আছিল উল্লেখনীয়।

হিন্দু সম্মিলনৰ উপৰি বিশ্ব হিন্দু মহাসংঘৰো এগৰাকী জ্যেষ্ঠ কাৰ্যকৰ্তা আছিল অচ্যুত গোস্বামী। মহাসংঘৰ বিভিন্ন শীৰ্ষ পদ অলংকৃত কৰা অচ্যুত দাদা শেহতীয়াকৈ বিশ্ব হিন্দু মহাসংঘৰ গুৱাহাটী মহানগৰৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। এগৰাকী প্ৰকৃত সমাজসেৱী আছিল অচ্যুত গোস্বামী। মাত্ৰ ষাঠি বছৰ বয়সতে স্থবিৰ হৈ পৰিছিল অচ্যুতদাৰ সেই হাঁহিটো। আকস্মিকভাৱে সামৰণি মাৰিছিল

চৰাচৰ জীৱন নাটৰ। আজি পৱিত্ৰ আদ্যশ্ৰাদ্ধত অচ্যুত দাদাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। জানো— দাদাৰ মৃত্যু হোৱা নাই। কাৰণ, আত্মা অছেদ্য-অদাহ্য। ই নিত্য। সর্ব্বব্যাপী আৰু সনাতন। শ্ৰীকৃষ্ণই ভগৱত গীতাত অর্জুনক জানো কোৱা নাই---

অচ্ছেদ্যোহয়মদাহ্যোহয়মক্লেদ্যোহশোষ্য এৱ চ।
নিত্য: সর্ৱগত: স্থানুৰচলোহয়ং সনাতন:।। ❖

Painful Loss...

Anisul Alam

Hasna Alam

Greenland Path
Bagharbari, Panjabari

The sudden passing away of Achyut Goswami is very much sad and painful. A man of robust health and smiling face was always a source of inspiration and encouragement. It is difficult to think that the smiling face has left us for ever. Pray to God to place in Heaven. ❖

Alam Family.

বাল্য বন্ধু অচ্যুত গোস্বামীৰ সোঁৱৰণত

ডিম্বেশ্বৰ শর্মা
পাটাছাৰকুছি

মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নির্লোভ ভাস্কর্য্য।
—হীৰেন ভট্টাচার্য

মৃত্যু যদিও শাশ্বত তথাপি কিছুমান মৃত্যু সহজে মানি ল'ব নোৱাৰি। যোৱা ১১ নৱেম্বৰ তাৰিখে মোৰ বাল্য বন্ধু অচ্যুত গোস্বামীৰ অকাল বিয়োগত অতিকৈ মর্মাহত হৈছোঁ। সৌ সিদিনা পাটাছাৰকুছিৰ অন্তর্গত টঙ্গাৰকুৰ গাঁৱৰ কালী পূজাত একেলগে ওজাপালি চাই আনন্দমনে ঘূৰি ফুৰা মানুহজন যে হঠাৎ উলটি নহা বাটে গুচি যাব, সেই কথাটো মনে মানি ল'ব পৰা নাই। সহজ-সৰল মনৰ অধিকাৰী গাঁৱৰ লগতে আমাৰ অঞ্চলৰ সকলোৰে প্রিয় প্রয়াত গোস্বামীৰ বিয়োগত আজি সমস্ত অঞ্চল মর্মাহত। সৰুৰে পৰা একেলগে খানা খোৱা, খেলা খেলি ফুৰি ডাঙৰ-দীঘল হোৱা গোস্বামী কর্মসূত্রে গুৱাহাটীত থাকিলেও মোৰ লগত নিয়মিত যোগাযোগ ৰাখিছিল। গাঁৱৰ উৎসৱ-পার্বণত তেওঁ সদায় উপস্থিত আছিল। আজি এনেহেন বাল্য বন্ধুক অকালতে হেৰুৱাই মই মর্মাহত হৈছোঁ আৰু তেওঁৰ আত্মাৰ সদগতিৰ কাৰণে ভগৱানৰ ওচৰত প্রার্থনা কৰিছোঁ। ❖

বাল্য বন্ধু অচ্যুত গোস্বামীৰ সোঁৱৰণত

ডিম্বেশ্বৰ শর্মা
পাটাছাৰকুছি

যোৱা কথাটো নাছিল
ইমান খৰখেদাকৈ
একো আগজাননী নিদিয়াকৈ

বহুদিনৰ মূৰত
সিদিনা লগ পাইছিলোঁ তোমাক
গাঁৱৰ কালী পূজাত
চাহৰ আড্ডাত...
কথা আছিল বহু
তোমাক ক'বলৈ
কথা আছিল বহু
তোমাৰ শুনিবলৈ

বহু বছৰ আগতে
তুমি দিয়া চিঠি
এতিয়াও
সযতনে ৰাখিছোঁ
মোৰ শেতেলিৰ তলত
প্রতি সপ্তাহে
মই বাট চাওঁ
তোমাৰ এটি ফোন কললৈ...

এতিয়া এইবোৰ
দুর্বিষহঃ অতীত
পাহৰোঁ
অ' মোৰ বান্ধৈ
কেনেকৈ দিওঁ
তোমাক বিদায়
য'তে আছা তুমি
কুশলে থাকা
হে মোৰ সু-হৃদয়
মাথোঁ চাই ৰ'বা
এই অভাগা বন্ধুক
চিৰদিন চিৰকাল। ❖

মৰমৰ খুৰা

দিগন্ত গোস্বামী
ভতিজা
বেলতলা

তই গ'লিগৈ কোনোদিনে ঘূৰি নহা বাটেৰে...

মোৰ সৰুকালৰ কথা কিছুমান এতিয়াও মনত পৰে। মই তেতিয়া হয়তো ৬/৭ বছৰীয়া। খুৰাই এদিন বজাৰ কৰি চাইকেলেৰে দুখন বেগত বস্তু ভৰাই চোতাল আহি পোৱাৰ লগে লগে মোৰ মায়ে সুধিছিল, "অচ্যুৎ তোমাৰ হেনো আজি বি.এ. পৰীক্ষাৰ ৰিজাল্ট দিছে? তুমি পাছ কৰিলানে?" তেতিয়া খুৰাই কৈছিল, "অ' হ'ল দা বৌ, মোৰ ভাল হৈছি ৰিজাল্ট।" সৰুৰে পৰা খুৰাক মোৰ মাক-দেউতাক বিভিন্ন কামত সহায় কৰি দিয়া মোৰ মনত পৰে।

লাহে লাহে ময়ো ডাঙৰ হ'লোঁ আৰু খুৰাৰ লগত বন্ধুৰ দৰে হৈ পৰিলোঁ। খুৰাৰ লগত একেলগে পথাৰত কাম কৰা, মাছ মৰা আৰু জীৱনত আগবাঢ়ি যাবলৈ বহু কথাই মোক খুৰাই শিকাইছিল।

খুৰাই টেঙা খাই বহুত ভাল পাইছিল। খুৰাৰ লগত লগ লাগি ঔটেঙা, অমৰা, সুমথিৰা, কেঁচা তেঁতেলী আদি ঢেঁকীত খুন্দি খোৱাৰ কথাবোৰে আজিও মোক আমনি কৰে। সেয়েহে হয়তো ময়ো খুৰাৰ দৰে টেঙা খাবলৈ বহুত ভাল পোৱা হৈ গ'লোঁ।

বিয়াৰ পাছতো খুৰাই আমাক সদায় মৰম-ভালপোৱাৰে আৱৰি ৰাখিছিল।

প্ৰতি বছৰে খুৰাই বিহু, পূজাত আমাৰ পাটাছাৰকুছিৰ ঘৰলৈ গৈছিল আৰু আমাৰ লগত নানান ধৰণৰ হাঁহি-ধেমালি কৰি পৰিয়াল এটাক কেনেকৈ একগোট কৰি ৰাখিব লাগে ভালদৰে বুজাইছিল।

কিন্তু এই বছৰৰ দেৱালী যে খুৰাৰ আমাৰ ঘৰত শেষ দেৱালী হ'ব আমি কাহানিও ভবা নাছিলোঁ। দেৱালীৰ দিনা খুৰাৰ লগত বহুতো আড্ডা দি ৰাতি খুৰাৰ লগত একেলগে টাচ খেলিছিলোঁ। তাৰ দুদিন পাছত পোৱা খুৰাৰ খবৰটোৱে মনত বহুত দুখ দিলে।

শেষত খুৰাই যেন সদায় সৰগত শান্তিৰে হাঁহিমুখে থাকে তাৰে কামনাৰে। ❖

ককা

শিৱাংগ গোস্বামী
টঙ্গাৰকুৰ, পাটাছাৰকুছি

ককা ককা ককা
তুমি ক'লৈ গুচি গ'লা?
হাঁহি হাঁহি কৈছিলা
আকৌ আহিম
আকৌ আহিম বিশ তাৰিখে
ইয়াৰ পাছত ৰাসত আহিম
চেৰেকীত উঠিম
তোমাক ৰাস দেখুৱাম
যি খোৱা তাকে খুৱাম
মই ক'লোঁ মই একো নাখাওঁ বুলি উত্তৰ দিলোঁ
বাৰে বাৰে কৈছিলা ভালকৈ পঢ়িব লাগিব
আৰু বহুত কিবা উপদেশ দিছিলা
ইমানবোৰ কোৱাৰ পাছতো
আমাক এৰি ক'লৈ গুচি গ'লা? ❖

হাঁহিমুখীয়া খুৰা

ভনিতা শর্মা গোস্বামী
ভতিজা বোৱাৰী
পাটাছাৰকুছি

অচ্যুৎ খুৰা আছিল বহুত মৰমিয়াল আৰু কোমল হৃদয়ৰ এজন আদর্শৱান পুৰুষ। আমাৰ পৰিয়ালৰ সাহস আৰু প্রতিটো কামতে দিয়া উৎসাহে মোক আপ্লুত কৰে।

খুৰাক মই প্রথম লগ পাইছিলোঁ মোক কইনা চাবৰ যাবৰ দিনা। বিয়াৰ পাছত খুৰাই আমাক প্রায়ে তেখেতৰ ঘৰলৈ মাতে আৰু আমাক বিভিন্ন ধৰণৰ সুস্বাদু ব্যঞ্জন ৰান্ধি খুৱাই আৰু বিভিন্ন ধৰণৰ খুহুটীয়া কথা কৈ আমাৰ লগত সময় কটায়। সদায় ধনাত্মক চিন্তাৰে থকা খুৰাই মোৰ স্বামীক বিভিন্ন ধৰণৰ কামৰ উপদেশ শিকোৱা মোৰ মনত পৰে।

আমাৰ পাটাছাৰকুছিৰ ঘৰত প্রতি বছৰে দেউল উৎসৱ পালন কৰোঁ। খুৰা নোযোৱালৈ ঘৰখন খালি খালি হৈ থাকিছিল। যেতিয়া খুৰা গৈ উপস্থিত হয় আমাৰ যেন ঘৰখন ভৰি পৰিছিল। বিভিন্ন ধৰণৰ হাঁহি উঠা কথা কৈ খুৰা আমাৰ সকলোৰে লগত বন্ধুৰ দৰে থাকিছিল।

প্রতি বছৰে খুৰাই নিজ হাতেৰে লগোৱা শাক-পাচলি আমালৈ দি পঠিয়াইছিল আৰু সেইখিনি খাই ভাল লগিছেনে সেই খবৰটো তেখেতে লৈছিল।

প্রতি বছৰৰ দৰে দেৱালীৰ দিনা এইবাৰো খুৰা আমাৰ পাটাছাৰকুছিৰ ঘৰত আবেলি সময়ত গৈ উপস্থিত হৈছিল। হাতত এটা মিঠাইৰ টোপোলা লগতে হাঁহিৰে ভৰা ৰঙা পৰা মুখখনেৰে সকলোৰে গৈ খবৰ লৈছিল। কিন্তু এইবাৰ দেৱালীত যে খুৰাই আমাক সকলোকে শেষবাৰৰ বাবে লগ

পাবলৈ গৈছিল আমি কাহানিও ভবা নাছিলোঁ।

খুৰাই আমাক শিকাই থৈ গ'ল কেনেকৈ সকলোৰে লগত মিলিজুলি হাঁহি মুখেৰে থাকিব লাগে। এটা পৰিয়ালক কেনেকৈ মৰমৰ এনাজৰীৰে বান্ধি ৰাখিব লাগে।

শেষত খুৰাই যেন সৰগত হাঁহিমুখে শান্তিৰে বাস কৰে তাৰেই কামনাৰে। ❖

পূজনীয় অচ্যুত গোস্বামী দাদালৈ কলমেৰে একাঁজলি শ্রদ্ধাঞ্জলি

লোহিত গগৈ
লুনা বুঢ়াগোহাঁই গগৈ
গ্রীণলেণ্ড পথ, পাঞ্জাবাৰী

এজন প্রিয় দাদাক হেৰুওৱাৰ বেদনা অতি গভীৰ। আজি দাদাৰ হৈ শ্রদ্ধাঞ্জলি শব্দটো লিখিবলৈ বৰ কষ্ট হৈছে। আমাৰ গ্রীণলেণ্ডৰ এগৰাকী প্রকৃত হিতৈষী তথা বিশিষ্ট ব্যক্তি অচ্যুতদাৰ অকাল বিয়োগত আমি গভীৰভাৱে মর্মাহত। তেখেতে আগবঢ়োৱা অৱদান আৰু আদর্শ সদায় স্মৰণীয় হৈ ৰ'ব। প্রয়াত আত্মালৈ আমাৰ সশ্রদ্ধ শ্রদ্ধাঞ্জলি। লগতে পৰিয়ালবর্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

ওম শান্তি, ওম শান্তি। ❖

অচ্যুৎ গোস্বামীদেৱৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ্য

ভূপেন বৰুৱা
পাঞ্জাবাৰী, গুৱাহাটী

গীতাত কোৱা হৈছে,

জাতস্য হি ধ্ৰুৱো মৃত্যুৰ্ধ্ৰুৱং জন্ম মৃতস্য চ।
তস্মাদপৰিহাৰ্য়েঽৰ্থে ন ত্বং শোচিতুমৰ্হসি।।

অৰ্থাৎ যিজনৰ জন্ম হ'ল, তেওঁৰ যে মৃত্যু হ'বই সেই কথা নিশ্চিত আৰু যিজনৰ মৃত্যু হ'ল তেওঁ যে আকৌ জন্ম ল'ব সেই কথাও নিশ্চিত। গতিকে তোমাৰ অনিবাৰ্য কৰ্তব্য পালনৰ ক্ষেত্ৰত তুমি শোক কৰাটো উচিত নহয়।

এটা প্ৰকৃতিপ্ৰদত্ত নিয়ম। সেয়েহে স্বয়ং পৰমেশ্বৰেও এই নিয়মৰ ব্যতিৰেকে যোৱা নাই। বিশ্ব ব্ৰহ্মাণ্ডৰ অধিপতি শ্ৰীহৰি নাৰায়ণে কৃষ্ণ ৰূপে মৰ্ত্যলোকত জন্ম লৈ নিজ দায়িত্ব সামৰি ব্যাধৰ শৰৰ আঘাতত প্ৰাণ ত্যাগ কৰি মৃত্যু যে শাশ্বত সেই কথা প্ৰতিপন্ন কৰিছে।

এই চৰম সত্য মৰ্মে মৰ্মে উপলব্ধি কৰিও কোনো মানুহে মৃত্যুক সহজভাৱে ল'ব পৰা নাই। মৃত্যু সদায় বেদনাদায়ক। তাতোকৈ বেদনাদায়ক মানুহৰ অকাল আৰু আকস্মিক মৃত্যু। এই মৃত্যু কিমান বেদনাদায়ক, সেই নিৰ্মম সত্য কেৱল আপোনজনৰ অন্তৰতহে অনুভূত হয়। একোজন মানুহৰ মৃত্যুৱে কোনোবাজনৰ হৃদয় শূন্য কৰাৰ লগতে পৰিয়ালটোলৈ নমাই আনে বিষাদ আৰু বিভীষিকা। তথাপিও ভুক্তভোগী পৰিয়ালে পৰিৱেশৰ লগত মোকাবিলা কৰিবই লাগিব আৰু আমি সকলোৱে কৰি আহিছোঁ। মৃত্যু হোৱাজনৰ নশ্বৰ দেহ পঞ্চভূততে বিলীন হ'লেও তেওঁৰ অসম্পূৰ্ণ আশা-আকাংক্ষা পূৰ্ণ কৰিবলৈ আৰু জীৱনকালৰ কৰ্মৰাজিৰে তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তেৱেঁ উত্তৰসুৰীসকলে অহোপুৰুষাৰ্থ কৰাটোও সংসাৰৰ নিয়ম।

সহজ-সৰল জীৱন যাপন, সকলোৰে প্ৰতি সদ্ভাৱ আৰু মুখত এমোকোৱা হাঁহি লৈ সকলোৰে সুখ-দুখৰ সমভাগী হৈ জীৱন যাপন কৰিব পৰা ব্যক্তি বিশেষ সমাজৰ অতি প্ৰিয়ভাজন হ'ব পাৰে। তেনে ব্যক্তিৰ জীৱন ধন্য, যাৰ মৃত্যু সংবাদত হেজাৰজনৰ মনত সৃষ্টি হয় মৰ্মান্তিক আঘাত, বহুজনৰ অন্তৰত সৃষ্টি হয় শূন্যতাৰ, স্বতস্ফূৰ্তভাৱে মানুহৰ দুচকুলৈ নামি আহে শোকাশ্ৰু। তেনে মৃত্যু অপৰাজেয়। প্ৰয়াত গোস্বামীদেৱৰ মৃত্যুও অপৰাজেয়।

১২ নৱেম্বৰ তাৰিখে ৰাতিপুৱা প্ৰায় ৭.২০ মান বজাত গ্ৰীনলেণ্ড পথ উন্নয়ন সমিতিৰ সন্মানীয় সম্পাদক শ্ৰীযুত ধ্ৰুৱজিত শৰ্মাৰ ডাঙৰীয়াৰ পৰা খবৰ। তথাপিও নিৰ্বিবাদে মানি লোৱাৰ বাহিৰে কোনো উপায় নাই।

প্ৰয়াত গোস্বামীদেৱৰ লগত আমাৰি চিনাকি বহুত পুৰণি। তথাপিও আমি পাৰিষদ হিচাপে দায়িত্ব লোৱাৰ পাছৰে পৰা যথেষ্ট ঘনিষ্ঠ হৈ পৰোঁ। গ্ৰীণলেণ্ড পথলৈ যাব লগা হ'লেই প্ৰথমতে খবৰটো দিওঁ গোস্বামীদেৱক। বাকপটুতা আৰু হাঁহিৰে মন জয় কৰিব পৰা এটি উচ্চ মনৰ গৰাকী আছিল গোস্বামী। সকলোৰে লগত সহজতে মিলি দলীয় স্পৃহাৰে সকলো কাম সিদ্ধ কৰিব পৰা গুণে সমৃদ্ধ কৰিছিল তেওঁক। গ্ৰীণলেণ্ড পথ উন্নয়ন সমিতিৰ উদ্যোগত বিগত সময়ত অনুষ্ঠিত হোৱা প্ৰতিটো সামাজিক-সাংস্কৃতিক অনুষ্ঠানতেই আগভাগ লৈছিল প্ৰয়াত গোস্বামীদেৱে। গোস্বামী যে অকল সামাজিকভাৱে সক্ৰিয় আছিল তেনে নহয়। ৰাজনৈতিক আৰু বৌদ্ধিক দিশতো তেওঁৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। তেখেতে ভাৰতীয় জনতা পাৰ্টিৰ ৰাজধানী মণ্ডলৰ অন্তৰ্গত ২৫৯ নং বুথ কমিটিৰ সম্পাদকৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি ছাত্ৰাৱস্থাৰ পৰাই তেখেত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ একান্ত আৰু নিষ্ঠাৱান অনুগামী আছিল। বিশ্ব হিন্দু পৰিষদৰো প্ৰয়াত গোস্বামী এগৰাকী সক্ৰিয় সদস্য আছিল। শ্ৰদ্ধেয় গোস্বামীদেৱৰ বিয়োগ আমাৰ সমাজখনৰ বাবে পূৰাব নোৱৰা এক বৃহৎ ক্ষতি। আমি আহি থকা দিনবোৰত বাৰুকৈয়ে অনুভৱ কৰিম তেখেতৰ অনুপস্থিতি।

মই প্ৰয়াত অচ্যুৎ গোস্বামীদেৱৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ। ❖

In Rememberance of Achyut Goswami

Farida Zahan Hazarika
Tresurer, BGUS

Achyut Goswami, a name known to all by his ever smilling face. He was found with laugh and laughter in his even wels.

As I came accross him since the formation of the "Bagharbari Unnayan Samittee," I could find him his dedication towards every task. He was very humble and meticulas by his nature. It's like every wordfalls short in writing about his noble nature.

Being a treasurer, BGUS, I collected some vowchars and financial statements from Achyut Goswami which caught my eyes. His hand writings were so neat and bold which impressed me to be called him a very honest, sincere human being.

I remember his dedication and immense efforts in attaing the best prize/position in "Swatch Guwahati" competition.

We lost not only "Achyut Goswami" as a person but a vigilant sentinel from own society. He left behind alegacy of goodness, humanities and service to society. He also left a vacuum of positive vibes in an society. His exemplay life and selfless contributions will continue to inspire us ever.

His untimely and sudden demise is a immposible loss. We can console by praying for his noble soul to be rest in eternal peace and heartfelt condolences to the bereaved family. ❖

শ্রদ্ধাঞ্জলি

বাপন গোস্বামী (সৰু)
পাটাছাৰকুছি

লিখনিৰ আৰম্ভণিতে মই মোৰ পেহীৰ ল'ৰা অচ্যুত দালৈ শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিছো। দাদাই গাঁৱত থকাৰ পৰা মই সৰুৰে পৰা দাদাক লগ পাইছিলোঁ। আমাৰ গাঁৱত বহুৰ বহুৰ ধৰি চলি থকা শ্রী শ্রী মা কালী পূজাৰ কিছু বছৰ আগতে পূজা সমিতিৰ সম্পাদক আছিল অপূর্ব শর্মা আৰু তেখেতৰ লগত পূর্ণ সহযোগিতা কৰিছিল সুৰেশ শর্মা, ধীৰেন গোস্বামী, দিম্বেশ্বৰ শর্মা, নির্মল শর্মা, ৰমেন শর্মা আৰু অচ্যুতদাই আৰু তেওঁলোকৰ লগত সহযোগিতা কৰিছিলোঁ মোৰ সমনীয়া ল'ৰাকেইজনে। আৰু সেই বছৰতে কালী পূজাত প্রথমবাৰৰ বাবে ওজাপালি প্রদর্শন কৰা হৈছিল। মোৰ আজিও মনত পৰে মোৰ এজন বন্ধুৰ লগত মোৰ ফার্মাচীৰ কাম শেষ কৰি পাঠশালাৰ HIGH WAY চাৰিআলি চকৰ ডলফিন নামৰ এখন হোটেলত পৰঠা খাই আছিলোঁ আৰু ৬-৭ জন মানুহৰ লগত অচ্যুতদাও হোটেলখনত চাহ খাবলৈ সেমাইছিল। আৰু আমাৰ পৰঠাৰ পইচা অচ্যুতদাই দিম বুলি কৈছিল। তেতিয়া মই মোৰ বন্ধুজনেই দিব বুলি কৈছিলোঁ আৰু গাঁৱৰ ঘৰত 'যাবিনা' বুলি সোধাত গুৱাহাটীলৈ যাম বুলি কৈ মোক মাত দি গুচি গৈছিল। দাদাই যেতিয়া গাঁৱৰ ঘৰলৈ আহে তেতিয়া তেওঁলোকৰ ধান খেতি চাবলৈ যায়। এবাৰ মোৰ মনত আছে দাদাই সিহঁতৰ বাৰীৰ পিছফালৰ কঠিয়াতলীৰ ভিঠাত থিয় হৈ খালী গাৰে এখন হালধীয়া গামোচা পিন্ধি দুয়োখন হাত কঁকালত ধৰি ধানখেতি চাই থকা স্মৃতি এতিয়াও মোৰ মনত আছে।

মই শেষবাৰৰ বাবে দাদাক লগ পাইছিলোঁ আমাৰ গাঁৱৰ কালী পূজাত। পূজাৰ দিনা সন্ধিয়া দাদাই শ্রীশ্রী জগন্নাথ মন্দিৰৰ সন্মুখত গাঁৱৰে

কেইজনমান মানুহৰ লগত কথা পাতি আছিল। ঠিক সেই সময়তে মই আমাৰ ঘৰৰ পৰা পূজাস্থলীলৈ যাওঁ আৰু তাতে মই অচ্যুতদাক লগ পাইছোঁ।

তেতিয়া দাদাই মোক দেখা পাই কৈছিল—'কি এ সৰু, তোক দেখোন দেখাই নাই'। তেতিয়া মই কালী পূজাৰ সমিতি গঠন হোৱাৰ পিছদিনাৰ পৰা পূজাৰ কামতে লাগি থকা বুলি দাদাক কৈছিলোঁ। তেতিয়া দাদাই মোক কৈছিল যে 'ঠিকে আছে দে তহঁতে পূজাখনত লাগি থাকিব লাগিব'।

দাদাই মোক আৰু এটা কথা কৈছিল যে 'সৰু মোৰ খোজ কাঢ়িলে বৰ ভাগৰ লাগে'। তেতিয়া মই কৈছিলোঁ যে 'অচ্যুতদা কালী পূজাৰ পিছত গুৱাহাটীত ভাল হার্টৰ ডাক্তৰক দেখুৱাই ল'বি'। তেতিয়া মোৰ লগত আছিল আমাৰ গাঁৱৰে কামাখ্যা আতাৰ ল'ৰা মিণ্টু।

কালী পূজাৰ পিছদিনা আমাৰ গাঁৱৰ কানাই দাৰ দোকানৰ সন্মুখত কানাইদাৰ ভতিজা ল'ৰা ৰুবুলৰ লগত কথা পাতি আছিলোঁ। তেতিয়া অচ্যুতদাই পেণ্ট-চার্ট পিন্ধি দোকানৰ সন্মুখত আমাৰ লগত কথা পাতিছিল। তেতিয়া মই দাদাৰ গলত এখন মাফলাৰ মেৰিয়াই থকা দেখি দাদাক সোধাত গলৰ বিষ হোৱা বুলি কৈছিল আৰু গলটো লৰচৰ কৰিব নোৱাৰো বুলি কোৱাত মই ঔষধৰ কথা কৈছিলোঁ আৰু ঔষধৰ কথা মোক সুধিম বুলি কৈছিল কিন্তু টুটুমনিক লগ পাই ঔষধ আনিব দিয়া বুলি কৈছিল। মই কি ঔষধ আনিছে বুলি সোধাত ৰঙা ৰঙৰ টেবলেট অনা বুলি কৈছিল আৰু টেবলেট খাই ভাল পাই ইয়ালৈ অহা বুলি কৈছিল। এইখিনিয়েই আছিল দাদাৰ লগত মোৰ শেষ কথা।

শেষত ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ যে দাদাৰ আত্মাই চিৰশান্তি লাভ কৰক। ❖

অনুভৱৰ একলম

(অচ্যুত গোস্বামীৰ স্মৃতিত)

অঞ্জলি হাজৰিকা
গ্ৰীণলেণ্ড পথ, পাঞ্জাবাৰী

মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য্য।
—কবি হীৰেন ভট্টাচার্য

মানি ল'বলৈ কঠিন হ'লেও এইটো চিৰন্তন সত্য যে জন্ম হ'লে এদিন মৃত্যু অনিবার্য্য।

ক্ষিতি (মাটি) অপ (পানী), তেজ (পোহৰ/তাপ), মৰুৎ (বায়ু) আৰু ব্যোম (আকাশ) এইকেইটা হৈছে পঞ্চভূত।

আৰু এই পঞ্চভূতেৰেই নির্মিত মানৱ দেহ। আমাৰ প্ৰত্যেকৰে জ্ঞাত যে মানৱ দেহ ক্ষণভঙ্গুৰ। যিদৰে সকলো এদিন এই ধৰালৈ আহে, ঠিক একেদৰেই ইহ সংসাৰৰ পৰা বিদায় ল'বলগীয়া হয়, যাক আমি 'মৃত্যু' এই নিষ্ঠুৰ শব্দটোৰে বুজাও। এই সংসাৰৰ মায়া-মোহ সকলো মিছা বুলি জানিও কিয় জানো আমি এই মৃত্যু নামৰ নিষ্ঠুৰতাৰ পৰা আঁতৰি থাকিব বিচাৰোঁ। তথাপি ই অবধাৰিত, ইয়ে আমাৰ মাজৰ পৰা অকালতে কাঢ়ি লৈ গ'ল অচ্যুত গোস্বামীদেৱক। সদাহাস্যবদনৰ মানুহজন হঠাৎ হেৰাই থাকিল গ্ৰীণলেণ্ডৰ চাৰি নং কেঁকুৰিটোৰ মুখৰ পৰা। গ্ৰীণলেণ্ডত বসতি স্থাপনৰ ত্ৰিছটা বছৰ অতিক্ৰমিলোঁ। বহুতো মানুহ লগ পালোঁ বাসিন্দাৰূপে, কিন্তু গোস্বামী মানুহজন আছিল ব্যতিক্ৰম। ৰাতিপুৱা-গধূলি যেতিয়াই লগ পাওঁ তেতিয়াই দেখা পাইছিলোঁ তেখেতৰ মুখৰ সেই হাঁহিটো।

বজালী জিলাৰ টঙ্গাৰকুৰ গাঁৱত জন্ম লাভ কৰা অচ্যুত গোস্বামীয়ে ২০১৭ চনৰ অক্টোবৰ মাহত গ্ৰীণলেণ্ডত স্থায়ীভাৱে বসতি স্থাপন কৰিছিলহি আৰু অতি কম সময়তে সকলোৰে হৃদয়ত স্থান লৈছিল।

কি গুণেৰে বিভূষিত নাছিল মানুহজন অচ্যুত গোস্বামী। মানুহজন আছিল সৰল অন্তৰৰ ব্যক্তি, নিষ্ঠাবান কর্মী, অতি অমায়িক, পিন্ধন-উৰণতো পৰিপাটি, অকল সামাজিক কামেই নহয়, সকলো কামতেই আগৰণুৱা আছিল তেওঁ। গোস্বামী আছিল সমাজ সচেতন ব্যক্তি। গ্ৰীণলেণ্ডৰ উন্নয়নৰ বাবে তেখেত দেহে-কেহে খাটিছিল।

পেছাত ব্যৱসায় হ'লেও গোস্বামীদেৱ বহুকেইটা সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। এনে এজন বহুগুণী ব্যক্তিৰ মৃত্যু গ্ৰীণলেণ্ডবাসীৰ বাবে অপূৰণীয় ক্ষতি।

তেখেতৰ মৃত্যু ইমান সোনকালে আহিব এই কথা কোনেও ভাবিব পৰা নাছিল আৰু তেওঁ নিজেও কল্পনা কৰা নাছিল, কিন্তু নিয়তিৰ বিধান কোনে খণ্ডাব ! তেখেতৰ অনুপ্ৰেৰণামূলক আদর্শ সদায় আমাৰ হৃদয়ত চিৰস্মৰণীয় হৈ ৰ'ব।

আজিৰ পুণ্য তিথিত তেখেতক শ্ৰদ্ধাৰে সুঁৰৰিছোঁ। তেওঁৰ বিদেহ আত্মাই সৰগত চিৰশান্তি লাভ কৰক তাৰেই কামনাৰে ভগৱানৰ ওচৰত প্ৰার্থনা জনালোঁ। পত্নী দেৱযানী, পুত্ৰ হিমাংক সহিতে শোকসন্তপ্ত পৰিয়ালটিলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

ওঁম শান্তি। ❖

চকলেট দিয়া ককালৈ মৰমেৰে

ৰিহাবৰ্ণা গোস্বামী (নাতিনী)
পাটাছাৰকুছি

মায়ে কোৱা শুনিছোঁ যে সৰুতে মই হেনো মামাহঁতৰ ঘৰত আছিলোঁ। সেয়েহে যেতিয়াই দেউল, দেৱালী, বিহু আদিত মই মাৰ লগত পাটাছাৰকুছিৰ ঘৰলৈ গৈছিলোঁ। 'সকলোৱে মোক চাবলৈ ৰৈ আছিল আৰু মোক কোলাত লৈ বহুত মৰম কৰিছিল। কিন্তু তাৰ মাজৰ এজন মানুহে মোক বেছি সময় কোলাত লৈছিল আৰু বাটে বাটে ফুৰাবলৈ নিছিল। ঘূৰি আহোঁতে তেওঁ মোক দোকানত চকলেটো কিনি দিছিল। মই কিন্তু মানুহজনক চিনি পোৱা নাছিলোঁ। চকলেট দিয়া বাবেহে কোলালৈ গৈছিলোঁ। পিছলৈ মায়ে মোক বহুত মৰম কৰা মানুহজনক সৰু ককা বুলি মাতিবলৈ শিকাইছিল। ঠিক তেতিয়াৰ পৰাই মই যেতিয়াই গাঁৱলৈ যাওঁ, সৰু ককা কেতিয়া আহিব, কেতিয়া ফুৰাবলৈ নিব আৰু চকলেট দিব বুলি বাটত ৰৈ থাকোঁ। ককা আহি বেগটো থ'ব নাপায়েই' চিধাই মই আৰু ইছু দাদাই ককাক হাতত ধৰি দোকানলৈ টানি লৈ যাওঁ। ককাৰ গুৱাহাটীৰ ঘৰলৈ গ'লেও তেওঁ মোক বৰ মৰম কৰিছিল আৰু তাতেও মোক চকলেট খাবলৈ দিছিল।

লাহে লাহে মই ডাঙৰ হ'লোঁ। ডাঙৰ হোৱা বাবে ককাক চকলেট খুজিবলৈ লাজ কৰা হ'লোঁ। আগৰ দৰে বাটত ৰৈ থকা স্বভাৱটো নোহোৱা হ'লেও সৰু ককা আহিলে বৰ ভাল পাইছিলোঁ। কাৰণ ককাই সদায় হাঁহি থাকে আৰু আমাৰ লগত বহুত ধেমালি কৰে। কিন্তু ককাই গুৱাহাটীৰ পৰা আহিয়েই বাটত যদি মোক নেদেখে, চোতালত ইছু দাদা, আয়ুস আৰু বীৰ যাকেই নেদেখক সদায় মোক বিচাৰিবই—"এ ৰিহ ক'ত এ? ৰিহা ক'ত এ?"

দেউল পূজাৰ দিনাও আমি প্ৰথমে ককাকেই যিমান পাৰোঁ সিমান ফাকুৱা লগাই দিওঁ। কাৰণ ককাই সদায় হাঁহি থাকে আৰু আমাক খং নকৰে।

এইবাৰ কালী পূজাত মই গান নাগালোঁ আৰু নানাচিলোঁ বাবে সৰু ককাই মোক অলপ বেয়া পাইছিল। গুৱাহাটীলৈ যোৱাৰ আগদিনা মোক কৈ গৈছিল—"ৰিহা তুমি ঘৰত দেখোন ধুনীয়াকৈ গান গোৱা আৰু নাচা, তেনেহ'লে পূজাত কিয় নাগালা? মই বেয়া পাইছোঁ। এইবাৰ ব'হাগ বিহুত কিন্তু তুমি গানো গাব লাগিব আৰু নাচিবও লাগিব। মই বিহুত আহিম তোমাৰ অনুষ্ঠান চাবলৈ।"

এতিয়া ককাই মোৰ অনুষ্ঠান চাবলৈ কেনেকৈ আহিব? তোমালৈ ব'হাগ বিহুত বৰকৈ মনত পৰিব ককা। তুম য'তেই আছা ভালদৰে থাকিবা দেই সৰু ককা আৰু আমাক চাই থাকিবা দেই।

ওঁম শান্তি। ওঁম শান্তি। ওঁম শান্তি। ❖

ভাতৃসম অচ্যুত গোস্বামীৰ সোঁৱৰণত মোৰ মনৰ কথা

সুকুমাৰ ভট্ট
গ্ৰীণলেণ্ড পথ, পাঞ্জাবাৰী

"এক দিন বিক যায়েগা মাটিকে মোল
জগমে ৰহ যায়েগে প্যাৰে তেৰে বোল।"

মুকেশ কুমাৰৰ অন্তৰ পৰশা এই গীতটি বাৰে বাৰে মনলৈ আহিছে। মানুহ জন্মিলে এদিন মৰিব, এইটো চিৰ সত্য। কিছুমান ব্যক্তিৰ মৃত্যুৱে অকল পৰিয়াল বা আত্মীয়কে দুখ নিদিয়ে, এখন সমাজকো দুখ দিয়ে। অচ্যুত গোস্বামী এনে এজন ব্যক্তি আছিল যাৰ মৃত্যুৱে আমাৰ গ্ৰীণলেণ্ডবাসীৰ প্ৰত্যেকৰে অন্তৰ কন্দুৱাইছে। আমাৰ সকলোকে আচৰিত কৰি কোনো এজনকে কষ্ট নিদিয়াকৈ চিৰহাস্যময় মুখখনিৰে এই পৃথিৱীৰ পৰা যোৱা ১১ নৱেম্বৰৰ মাজনিশা ১.৩০ বজাত ভাতৃসম অচ্যুত গোস্বামী আঁতৰি গ'ল। যি সময়ত আমি সকলোৱে টোপনিত আছিলোঁ, মনত এইটো দুখ থাকি গ'ল যে ভগৱানে তেওঁক বচোৱাৰ বাবে চেষ্টা কৰাৰ আমাক কোনো সুযোগেই নিদিলে। তিনিটা চকাৰ জীৱন ৰথৰ এটা চকা চিৰদিনৰ বাবে বিকল হৈ গ'ল।

অচ্যুত গোস্বামী এনে এজন ব্যক্তি আছিল যাৰ মৃত্যুৰ খবৰ শুনি তেখেতক শেষ শ্ৰদ্ধা জনাবলৈ তেখেতৰ ঘৰলৈ মানুহৰ সোঁত বৈছিল। বহুলোকে নিজৰ কৰ্মক্ষেত্ৰৰ পৰা আঁতৰি থাকি তেখেতক শেষ শ্ৰদ্ধা জনাবলৈ আহিছিল। কিছুমান শ্মশান যাত্ৰাতো সহযাত্ৰী হিচাপ উপস্থিত আছিল। তেখেত এজন সজ গুণৰ অধিকাৰী ব্যক্তি আছিল। গোস্বামীক বেয়া পোৱা মানুহ আমি যিমানদূৰ জানো নাছিল বুলি ক'ব পাৰোঁ।

ৰাজহুৱা জীৱনত কোনো কথাতে খং কৰা আমি দেখা নাই। তেখেত এজন কোমল মনৰ মানুহ আছিল। তেখেতৰ মানুহৰ প্ৰতি কৰা সজ ব্যৱহাৰ, কথা-বতৰাত সৰলতা আৰু মুখত মিঠা হাঁহি, এইবোৰ গুণৰ বাবে মানুহক সহজে আকৰ্ষণ কৰিছিল। মই ব্যক্তিগতভাৱে যোৱা ৭ বছৰত যিমানবাৰ লগ পাইছোঁ প্ৰতিবাৰে অতি আন্তৰিকতাৰে নিজৰ মনৰ কথাখিনি কৈ গৈছিল। মই যিহেতু তেখেতৰ ঘৰৰ কাষেৰে অহা-যোৱা কৰিব লাগে সেয়েহে তেখেতক প্ৰায়েই লগ পাইছিলোঁ। অকণমান হ'লেও প্ৰতিবাৰে কথা-বতৰা হওঁ। কথা-বতৰাত কোনো কৃত্ৰিমতা নাই এজন নিজৰ আপোন মানুহৰ আগত কোৱাৰ দৰে কৈ যায়। তেখেত এজন প্ৰেৰণাদায়ক ব্যক্তি আছিল। সমাজৰ কামত এজন আগৰণুৱা লোক আছিল। আজি আমি যি সুন্দৰ নলাৰ সৈতে ৰাস্তা বনাইছোঁ তাত তেখেতৰ বহু অৱদান আছে। গুৱাহাটী পৌৰ নিগমে আয়োজন কৰা স্বচ্ছ গুৱাহাটী প্ৰতিযোগিতাত তেখেতে যি ত্যাগ আৰু কষ্ট কৰিলে তাৰ বাবে আমি তেখেতৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিম। তেখেতৰ লগতে আমি সকলোৰে আগন্তুক কামৰ বাবে প্ৰথমটো পুৰস্কাৰ পাবলৈ সক্ষম হৈছোঁ।

শেষত তেখেতৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। শোকে দগ্ধা পৰিয়ালৰ প্ৰতিজন সদস্যৰে শোকৰ সমভাগী হ'লোঁ। ❖

মামাৰ স্মৃতিত

মামণি শর্মা
ভাগিনী
মালিগাঁও, গুৱাহাটী

কবিৰ ভাষাত মৃত্যু যদিও শিল্প, বাস্তৱত মৃত্যু বৰ নিষ্ঠুৰ। অকালতে মৃত্যুৱে মানুহক মানুহৰ পৰা কাঢ়ি নিয়ে, নিঠৰুৱা কৰি পেলায়, খহাই পেলায় মূৰৰ ওপৰৰ চাদ। মৃত্যুৱে আমাৰ আপোনজনক লৈ যায় কাহানিও ঘূৰি আহিব নোৱৰা এখন অচিন, অজান পৃথিৱীলৈ।

আপোনজনক হেৰুওৱাৰ দুখ সঁচাকৈয়ে অসহনীয়। কাল নিয়তিয়ে কোন পলকত আমাৰ মাজৰ পৰা আমাক অথবা আমাৰ আপোনজনক কাঢ়ি লৈ যায় সেয়া কোনেও ক'ব নোৱাৰে। আৰু তেনেই এক অনাকাংক্ষিত মৃত্যুৰ সন্মুখীন হ'ল মোৰ সৰু খুৰা শ্ৰীযুত অচ্যুত গোস্বামী। অতি সংগোপনে নিয়তিয়ে কাঢ়ি নিলে মামাক। কাহানিও সপোনতো ভবা নাছিলোঁ, এনেদৰে মামা গুচি যাব বুলি।

মাত্ৰ কিছুদিন আগতে তেখেত আমাৰ ঘৰলৈ আহিছিল, অসুস্থ বায়েকৰ স্বাস্থ্যৰ বুজ ল'বলৈ বুলি। তেখেতৰ ডাঙৰ বাইদেউ অর্থাৎ মোৰ মাৰ স্বাস্থ্য বৰ এটা ভাল নহয় বাবেই শুশ্ৰূষা কৰিবলৈ মাক আমাৰ গুৱাহাটীৰ ঘৰলৈ লৈ আহিছিলোঁ। হাঁহিমুখীয়া মামাজনে হাঁহি-ধেমালিৰে বহুতো কথা পাতিছিল। যোৱাৰ পৰত পুনৰ অহাৰ প্ৰতিশ্ৰুতি দি গৈছিল।

কিন্তু কোনে জানিছিল, তেওঁৰ সৈতে সেয়াই আমাৰ শেষ দেখা হ'ব। ১১ নৱেম্বৰৰ দিনা যেতিয়াই গম পালোঁ মামা আৰু কেতিয়াও ঘূৰি নহাৰ বাটেৰে গুচি গ'লগৈ, তেতিয়া মায়ে বহুত দুখ পাইছিল, কান্দিছিল। মোৰ অন্তৰেও আঘাত পাইছিল। মোৰ ডাঙৰ ছোৱালীক যেতিয়া খবৰটো দিলো তাই হুমুনিয়াহ কাঢ়িলে আৰু লগে লগে এটাই কথা ক'লে

‘সেইদিনা আহি মামা আতাই মোক ইমান ধুনীয়াকৈ কথাবোৰ বুজাইছিল ন মা’। বৰ বেয়া লাগিল মা। আপোনজনক হেৰুওৱাৰ দুখ পৰিয়ালেহে অনুভৱ কৰিব পাৰে।

মোৰ স্বামীয়েও অকালতে মোক স্বামীহাৰা আৰু সৰু সৰু ছোৱালী দুজনীক পিতৃহাৰা কৰি মাত্ৰ ৫০ বছৰ বয়সতে অজান দেশলৈ গুচি গৈছিল। তেওঁ নোহোৱাৰ অনুভৱ আজিও পাহৰিব পৰা নাই, প্ৰতি মুহূৰ্ততে অনুভৱ কৰোঁ। আচলতে মৃত্যুৱে মানুহৰ জীৱনত এনে এটা শূন্যতাৰ সৃষ্টি কৰি থৈ যায়, যাক কেতিয়াও পূৰাব নোৱাৰি।

মৃত্যু অৱশ্যম্ভাৱী, মৃত্যু চিৰন্তন সত্য। এই ধৰাত জন্ম ল’লে এদিন বিদায় মাগিবই লাগিব।

কিন্তু মৃত্যুৱে মানুহক শিকায় জীৱনৰ মূল্য, মৃত্যুৱে বুজায় সংগ্ৰামৰ অৰ্থ। মৃত্যুৰ বাবেই জন্ম হয় নতুনৰ।

মামা যদিও কায়িকভাৱে আমাৰ মাজত নাই, আমাৰ মাজৰ পৰা আঁতৰি গৈছে, তথাপিও তেওঁৰ স্মৃতিবোৰৰ মাজতেই আমি তেওঁক বিচাৰি পাম, তেওঁক সুঁৱৰি থাকিব পাৰিম।

মামাৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ। য’তেই আছে কুশলে থাকক, আমাক সদায় আশীৰ্বাদ কৰি থাকক।

ওঁম শান্তি, ওঁম শান্তি, ওঁম শান্তি। ❖

নিজ ভাতৃ সদৃশ প্রয়াত অচ্যুত গোস্বামীৰ স্মৃতিত দুআষাৰ

গোপেশ চন্দ্ৰ শর্মা
সভাপতি, জগন্নাথ আৰু কালী মন্দিৰ পৰিচালনা সমিতি আৰু
গাঁও উন্নয়ন সমিতি, টঙ্গাৰকুৰ

কালিন্দী অর্থাৎ কালদিয়া নদীৰ পাৰত আমাৰ সপোন ৰচা গাঁওখনৰ নাম টঙ্কাৰকুৰ। বজালী জিলাৰ বজালী ৰাজহ চক্ৰৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পাটাছাৰকুছি পৌৰসভাৰ পৰা ডেৰ কিলোমিটাৰ দূৰত্বত শ্ৰীশ্ৰীজগন্নাথ আৰু মা কালী মন্দিৰৰ নিবিড় সৌন্দর্যৰে আৱৰা অমাৰ শুৱনি গাঁওখনি। আমাৰ চুবুৰীটোৰ নাম 'মণিপুৰ'। কোনে কেনেকৈ এই নামবোৰ ৰাখিছিল আমিবোৰ জ্ঞাত নহয়। কিন্তু প্ৰকৃতিৰ মনোমোহা পৰিৱেশে গঢ়ি তোলা আমাৰ গাঁওখন আমাৰ বুকুৰ আপোন।

এই 'মণিপুৰ' নামৰ চুবুৰীটোত ১৯৬৪ চনত 'অচ্যুত গোস্বামী'ৰ জন্ম হয়। তেওঁলোক চাৰিজন ভাই-ককাই, এজনী ভনী আৰু পিতৃ-মাতৃ সহ সাতজনীয়া পৰিয়াল। খেতিৰ ওপৰত প্ৰধানতঃ নির্ভৰশীল পৰিয়ালটোৰ ঘৰৰ পিছফালে তামোল-পাণৰ বাৰী, বাঁহগছ, ধান, সৰিয়হ আদি বিভিন্ন শস্য শ্যামলা ঘৰখনত উদ্ভেনদী গাখীৰ।

সনাতনী হিন্দুত্বৰ পৰম্পৰা অক্ষুণ্ণ ৰাকি সকলো ধর্মীয় কম-কাজ ৰীতি-নীতি চলাই থকাৰ লগতে ৰাইজৰ লগতো একাত্ম সম্বন্ধ ৰক্ষা কৰি চলা একমাত্ৰ পৰিয়াল। সঁচাকৈ ঘৰৰ প্ৰতিজন ব্যক্তিৰে আচাৰ-ব্যৱহাৰ, মাত-কথা আদি সকলো দিশৰ পৰা নিজস্ব জ্ঞানবোধেৰে সমাজত জিলিকি থকা এটা সুন্দৰ পৰিয়াল। আমাৰ সৰু গাঁওখনত আমি প্ৰায় ৫০ (পঞ্চাশ)টামান পৰিয়াল আছোঁ যদিও এওঁলোকৰ সম্বন্ধ ৫ (পাঁচ) হাজাৰ

পৰিয়ালৰ লগত। ভাবিলে আচৰিত লাগে। লগতে পাটাছাৰকুছি অঞ্চলৰ ৰাইজেও একেমুখে স্বীকাৰ কৰে। এনেকুৱা স্বনামধন্য পৰিয়ালটোৰ 'অচ্যুত' হ'ল কনিষ্ঠ সন্তান।

ল'ৰালি কালৰে পৰা লগ পোৱা 'অচ্যুত' সঁচাকৈয়ে সুন্দৰ, হাঁহিমুখীয়া, মৃদুভাষী, উচ্চ চিন্তাধাৰা, সমাজসেৱী, পৰোপকাৰী আদি বিশেষ সদ গুণবোৰৰ অধিকাৰী আছিল।

এটা শান্তিপূর্ণ মধ্যবৃত্ত পৰিয়ালত জন্মি একাধিক সন্তানৰ বাবে শিক্ষা লাভৰ সীমিত সা-সুবিধাৰে তেওঁ স্নাতক পৰীক্ষাত উত্তীর্ণ হ'বলৈ সক্ষম হৈছিল। এয়া তেওঁৰ এক বিশেষ কৃতিত্ব। ইজন-সিজন বন্ধুৰ পৰা পুৰণি কিতাপ-বহী সংগ্রহ কৰি কোনো টিউছনপাতি নোলোৱাকৈ নিজ আত্মবিশ্বাসেৰে পঢ়াত সফলতা লাভ কৰি তেওঁ প্রথমতে চৰকাৰী চাকৰিৰ বাবে প্রচেষ্টা অব্যাহত ৰাখিছিল যদিও চৰকাৰী চাকৰিৰ ক্ষেত্রখন সীমিত হোৱাৰ লগতে নানা দুর্নীতিপূর্ণ নিযুক্তিৰ বাবে তেওঁ চাকৰিৰ ক্ষেত্রখনৰ পৰা আঁতৰি আহি ব্যৱসায়িক দিশতহে মনোনিৱেশ কৰিলে আৰু এই ব্যৱসায়িক সফলতাৰ ছাবি-কাঠিতেই গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীত সুন্দৰ ৰূপত নিজ আবাসগৃহ সাজি পৰিয়ালসহ থাকিবলৈ ল'লে। এয়াই তেওঁৰ সুন্দৰ কর্মসফলতা আৰু দক্ষতা।

কর্মসূত্রে যদিও তেওঁ গুৱাহাটীত আছিল তথাপি আপোন গাঁৱৰ, আপোন মানুহবোৰৰ মায়াজাল ত্যাগ কৰিব পৰা নাছিল। গাঁৱলৈ আহি প্রতিটো পৰিয়ালৰ খা-খবৰ লোৱা, গাঁৱত পতা উৎসৱবিলাকত যোগদান কৰাটো নিজ দায়িত্ব হিচাপে গ্রহণ কৰিছিল।

অচ্যুতৰ বিবাহ হৈছিল গৌৰীপুৰত মানে ধুবুৰী জিলাত। একমাত্র পুত্র সন্তানৰ পিতৃ তেওঁ। ল'ৰাটো এতিয়া অসম আয়ুর্বেদিক মহাবিদ্যালয়ৰ ছাত্র। পুত্রক ভাল মানুহ হিচাপে গঢ়ি তোলাটো তেওঁৰ জীৱনৰ প্রধান লক্ষ্য আছিল। আমি আশা কৰিছোঁ তেওঁৰ পুত্রই এই আশা পূৰণ কৰাত সফল হ'ব।

আমাৰ গাঁৱৰ এই পৰিয়ালটোৱেই একমাত্র পৰিয়াল, যিটো পৰিয়ালত প্রতি বছৰে শ্রীশ্রীকৃষ্ণৰ দৌল উৎসৱ ফাগুন অথবা চ'ত মাহৰ পূর্ণিমাৰ পৰা তিনদিনীয়াকৈ অনুষ্ঠিত হয়। এই উৎসৱত গোসাঁই দৌলত

উঠোৱাৰ দিনা পচতিৰ নাম ধৰা হয়। গাঁও তথা স্থানীয় ৰাইজেও তেওঁলোকৰ পৰা পোৱা আমন্ত্রণ অনুসৰি প্রসাদ, ভোগ, ভাত আদি গ্রহণ কৰাৰ সুযোগ পায়। পচতি নামৰ লাড়ু প্রসাদ, চাহ-মিঠাই। পিছদিনা দুপৰীয়া প্রীতিভোজন, তাৰ পিছদিনা গোসাঁই ফুৰোৱা উৎসৱ তেওঁলোকৰ সত্র সদৃশ ঘৰখনৰ এৰাব নোৱৰা উৎসৱ। সকলো ৰাইজে অপাৰ আনন্দ লাভ কৰে। এই উৎসৱত তেওঁলোকৰ দাদা, ভাই, ভতিজাসকলৰ অৱদান তুলনাবিহীন।

আনফালে আমাৰ টঙ্গাৰকুৰ গাঁৱত অৱস্থিত শ্রীশ্রীজগন্নাথ মন্দিৰত প্রতি বছৰে বুদ্ধ পূর্ণিমাত 'হোম পোৰা' উৎসৱ, মাঘ বিহুত অর্থাৎ মাঘ মাহৰ প্রথম দিনত আমাৰ মহাপ্রভু জগন্নাথক ভোগ প্রদান কৰা, ব'হাগৰ সাত বিহুৰ পুতলী বিয়া উৎসৱৰ লগতে খেল-ধেমালি, সাংস্কৃতিক সন্ধিয়া আদিত 'অচ্যুত'ৰ অৱদান স্বীকাৰ কৰিব লাগিব।

প্রতিটো ক্ষেত্রতে দেহে-কেহে লাগি-ভাগি কাম কৰি গাঁওখন যাতে সকলো দিশৰ পৰা আগবাঢ়ি যায় তাৰ বাবে তেওঁ জীৱনৰ শেষ নিশ্বাস থকালৈকে সম্পূর্ণ প্রচেষ্টা অব্যাহত ৰাখিছিল। গাঁৱৰ প্রতিঘৰৰ উঠি অহা ল'ৰা-ছোৱালী, ছাত্র-ছাত্রীবিলাকক শিক্ষাৰ ক্ষেত্রত, কলা-সংস্কৃতিৰ ক্ষেত্রত, খেল-ধেমালিৰ ক্ষেত্রৰ লগতে সকলোতে যাতে ভাল কৃতিত্ব লাভ কৰিব পাৰে তাৰ বাবে প্রেৰণা যোগাইছিল।

১৯৮০ চনৰ সদৌ অসম ছাত্র সস্থাৰ আহ্বানত গঢ়ি উঠা অভিমানী অসমীয়াৰ বিদেশী বিতাড়নৰ আন্দোলনত তেওঁ পাটাছাৰকুছি আঞ্চলিক ছাত্র সস্থাৰ নেতৃত্বত ছাত্র সস্থাৰ সক্রিয় কর্মী হিচাপে আন্দোলনত জঁপিয়াই পৰিছিল।

এনেকুৱা অলেখ কাহিনী আছে। যাক লিখি শেষ কৰিব নোৱাৰি।

আমাৰ গাঁৱৰ ঘৰখনৰ পৰা তেওঁলোকৰ (অচ্যুতহঁতৰ) গাঁৱৰ ঘৰখনৰ দূৰত্ব ৫০ মিটাৰমান হ'ব। ৰাতিপুৱা শুই উঠিয়েই আমি ইজনে সিজনৰ মুখ দর্শন পাওঁ। মই অচ্যুতক বন্ধু হিচাপেও পাইছোঁ আৰু ভাতৃ হিচাপেও পাইছোঁ। সৰুৰে পৰা কোনোদিনে কোনো কথাতে আমাৰ মাজত মন বা মতৰ অমিল হোৱাৰ নজিৰ নাই। অচ্যুতৰ আকস্মিক মৃত্যুরে আমাক বাৰুকৈয়ে কন্দুৱাইছে। শৈশৱৰ কথাবোৰ মনত পৰিলে অন্তৰ

ফাটি যায়। ইমান মৰমিয়াল ভাতৃ এজন ইমান সোনকালে হেৰুৱাম বুলি কল্পনাই কৰিব পৰা নাছিলোঁ। সেই মাত-কথাবোৰ এতিয়াও ভাহি উঠে। কিমান যে মৰমিয়াল, কি সুন্দৰ ভৰিৰ খোজবোৰ। সৌ সিদিনা টঙ্গাৰকুৰৰ নিজ ঘৰ আৰু নিজ জন্ম গাঁৱলৈ আহিছিল মা কালী পূজা উৎসৱ উপভোগ কৰিবলৈ। ইংৰাজী ৮ নৱেম্বৰ দেওবাৰ ২০২৬। গোটেই ৰাতি গাঁৱৰ পূজাস্থলীত আছিল ওজাপালি উপভোগ কৰি। মাজে মাজে দুই-একাপ লাল চাহ খাইছিল। পিছদিনা ভগৱতীৰ পকা ভোগ অন্ন গ্ৰহণ কৰিছিল। পিছদিনাৰ সাংস্কৃতিক কাৰ্যসূচী, আৰতি প্ৰদান উপভোগ কৰিছিল। কি মায়াজাল গাঁৱৰ প্ৰতি। তাৰ পিছদিনাও আছিল নাগাৰা নাম উপভোগ কৰিবলৈ। নাগাৰা নাম উপভোগ কৰি মা-প্ৰসাদ গ্ৰহণ কৰি উপস্থিত ৰাইজৰ লগত ৰাতি বাৰ বজাৰ পিছত আহাৰ গ্ৰহণ কৰিছিল। মুঠতে মা কালী পূজাৰ কোনো কাৰ্যসূচী বাদ দিব পৰা নাছিল। এয়াই মায়া, এয়াই গাঁৱৰ মায়াজাল। তাৰ পিছদিনা ১১ নৱেম্বৰ, ২০২৬ তাৰিখে জন্ম গাঁৱৰ পৰা গুৱাহাটী পাঞ্জাবাৰী গৃহ অভিমুখে ৰাওনা হৈছিল। কিন্তু নিয়তিৰ নিষ্ঠুৰ বিধানত সেইদিনাই ৰাতি অনাকাংক্ষিতভাৱে চিৰদিনৰ বাবে ইহলীলা সম্ৱৰণ কৰে। এয়াই মৃত্যু।

আমি সকলো সদগুণৰ অধিকাৰী 'অচ্যুত'ক চিৰদিনৰ বাবে হেৰুৱালোঁ। তেওঁৰ মৃত্যুত অকল এটা পৰিয়ালৰে যে ক্ষতি হ'ল তেনে নহয়, এখন সমাজৰো বৃহৎ ক্ষতি হ'ল। এই ক্ষতি কেতিয়াও পূৰণ নহ'ব।

সুদৰ্শন চেহেৰাৰ, মৃদুভাষী, মুখত বিৰিঙি থকা এমোকো�ৰা হাঁহিৰেই সকলোৰে মন জয় কৰা অচ্যুত গোস্বামী কায়িকভাৱে আমাৰ মাজত নাই কিন্তু গাঁওবাসীৰ অন্তৰত যি ৰেখা অংকন কৰি গ'ল সেয়া চিৰদিন হিয়াৰ কোণত স্থায়ী হৈ ৰ'ব।

পৰিশেষত শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমাৰ গভীৰ সমবেদনা জনাই প্ৰয়াত ভাতৃ অচ্যুত গোস্বামীৰ পত্নী, পুত্ৰ আৰু পৰিয়ালবৰ্গৰ সদৌটি সদস্যৰ দীৰ্ঘায়ু আৰু সুখ-শান্তি কামনা কৰি পুনৰ প্ৰয়াত অচ্যুত গোস্বামীৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ চৰণত প্ৰণিপাত জনাই সামৰণি মাৰিছোঁ।

ওঁ শান্তি। ওঁ শান্তি। ওঁ শান্তি। ❖

বিদায় বেলাত মৰমৰ খুৰা

ধৃতাশ্রী গোস্বামী (মামলী)
ভতিজী, তেজপুৰ

কিয় নিস্তব্ধ আজি আমাৰ এই চোতাল,
কিয় আজি চৌদিশে মাথোঁ শোকৰ ছাঁ
আমাক অকলশৰীয়া কৰি গুচি গ'লা তুমি,
উকা কৰি থৈ গ'লা মৰমৰ ঘৰখন আমাৰ।

অসহনীয় প্রকৃতিৰ নিয়ম, অবিশ্বাস্য এই বিদায়,
শব্দৰে বিদায় দিলেও আস্থাৰে হৃদয়ত আছা তুমি।
দেউতাৰ দৰেই আছিলা তুমি আমাৰ ছাঁ হৈ,
দিছিলা সাহস আৰু মৰমৰ মাত।
সৰুৰে পৰা ধৰি আমাৰ কণমানি হাত,
শিকাইছিলা জীৱনৰ বহুতো বাট।
তোমাৰ হাঁহিমুখীয়া মুখখন আজিও চকুৰ আগত ভাঁহি আছে,
কিন্তু তুমি নাই আজি আমাৰ মাজত।

স্মৃতি হৈ ৰ'বা তুমি আমাৰ প্রতিটো উশাহত,
চিৰদিন জীয়াই থাকিবা আমাৰ এই হৃদয়ত।
বিদায় বেলাত তোমালৈ অশ্রুসিক্ত শ্রদ্ধাঞ্জলি,
ঈশ্বৰে তোমাৰ পৰিত্র আত্মাক চিৰশান্তি দিয়ক।

য'তেই থাকা কুশলে থাকা মৰমৰ খুৰা,
আমাৰ অন্তৰত সদায় থাকিবা হৈ এক উজ্জ্বল তৰা। ❖

এক দৰদী জীৱনৰ সফল সমাপ্তি

ৰথীন্দ্ৰ গোস্বামী
গুৱাহাটী, ধাৰাপুৰ

"জীৱনটোক অতি সহজভাৱে ল'ব পৰা মানুহ এজন ক'ত হেৰাই গ'ল। পলকতে মানুহ এজনক আপোন কৰি ল'ব পৰাটো যেন তেওঁৰ এটা সহজাত অভ্যাস। লাগিলে সেইজন জ্যেষ্ঠ বা কনিষ্ঠই হওক। সদা হাস্যমুখৰ আপোনভোলা মানুহজনক দিবলৈনো কি আছে? মাথোঁ এক হিয়া ভগা দেখা-নেদেখা মনোকষ্টৰ সহজ নিবেদন। আপুনি হঠাতে কিয় এনেকৈ গুচি গ'ল, কাকো একো ইংগিত নিদিয়াকৈ। কঠোৰ বাস্তৱৰ ধামখুমীয়াই হয়তো আপোনাক মনোকষ্ট নিদিয়াকৈ থকা নাছিল। কিন্তু কিয় নিয়তিয়ে আপোনাকহে বিচাৰি পালে। অন্ততঃ প্ৰাণৰো প্ৰাণৰ প্ৰিয়জনক আপুনি জীৱন মঞ্চত কন্দুৱাই দুখলগাৰ অভিনয় চাই বাস্তৱতাৰ নিদাৰুণ পৰিসমাপ্তি কেনেকৈ ঘটে, তাৰ বেদনা আমাক দিলে। যাওকগৈ সেই চিনাকি-অচিনাকি বাটেৰে, মাথোঁ আমাক তাৰ পৰা নিৰ্বিচাৰে আশীৰ্বাদ দি থাকিব।"

আজি আমাৰ মাজৰ পৰা অচ্যুত গোস্বামী গুচি গ'ল। মৰ্মান্তিক দুখ পাইছোঁ। এজন মানৱদৰদী মানুহ আমি হেৰুৱালোঁ। তেখেতৰ অত্যুৎসাহ আৰু সাহসৰ বাবেই মোৰ নিচিনা এজন অধমৰ গুৱাহাটী মহানগৰত এটা স্থায়ী ঠিকনাৰ আধাৰ বা চিন (মাটি) কাললৈ ৰৈ যাব।

আজি আদ্যশ্ৰাদ্ধৰ দিনা এই ক্ষুদ্ৰ লিখনিৰে তেখেতলৈ অন্তিম শ্ৰদ্ধাঞ্জলি যাচিলোঁ লগতে পৰিয়ালৰ সকলোলৈকে সমবেদনা জ্ঞাপন কৰিলোঁ। ❖

স্মৃতিৰ বন্তি গছি

ৰমেন (মামাৰ ল'ৰা)
বৰাগাঁও, গুৱাহাটী

ন জায়তে ম্রিয়তে বা কদাচিন্
নায়ং ভূত্বা ভবিতা বা ন ভূয়ঃ ।
অজো নিত্যঃ শাশ্বতোত্রয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।

'আত্মাৰ কেতিয়াও জন্ম হোৱা নাই বা মৃত্যুও নহয় অথবা পুনঃ পুনঃ আত্মাৰ উৎপত্তি বা বৃদ্ধিও নহয়। আত্মা জন্মৰহিত, শাশ্বত, নিত্য সনাতন আৰু পুৰাতন।

শৰীৰ বিনাশ হ'লেও আত্মাৰ বিনাশ নহয়।।'

কিছুমান এনেকুৱা মানুহ আছে যি ইহলোকৰ পৰা কায়িকভাৱে আঁতৰি গ'লেও তেখেতৰ স্মৃতিয়ে আমাৰ সকলোৰে মানসপটত শিলৰ ৰেখাৰ দৰে স্থায়ী হৈ থাকে। তেনেলোকৰ শৰীৰটোহে পুনঃ ধৰাৰ লগত বিলীন হৈ যায়, কিন্তু তেখেতৰ মিঠা সুৰীয়া মাত, হাঁহি, মৰম, আদর্শ আৰু স্মৃতিবোৰ আমাৰ মাজত চিৰদিন জীয়াই থাকে। এনে এজন ব্যক্তিয়েই আছিল আমাৰ পৰম মৰমৰ অচ্যুত দাদা ।

১৯৬৬ চনৰ ১ মার্চ তাৰিখে জন্ম গ্রহণ কৰা দাদাৰ জীৱনটো অতি সাধাৰণভাৱে আৰম্ভ কৰিছিল যদিও কর্ম, নিষ্ঠা আৰু সততাৰে জীৱনটোক অসাধাৰণ কৰি তুলিছিল। পাঞ্জাবাৰীৰ নিজা বাসভৱনটো দাদাৰ বাবে কেৱল এটা ঘৰ নাছিল, সেয়া আছিল আপোনজনৰ বাবে এক আশ্রলস্থল, বন্ধু-বান্ধৱৰ বাবে এখন মুক্ত চোতাল।

আমাৰ দেউতাৰ একমাত্ৰ ভনীৰ ল'ৰা দাদা আছিল কঠোৰ পৰিশ্ৰমী অথচ অতি মৰমিয়াল। আমাক কেতিয়াও ডাঙৰ উপদেশ দিয়া নাছিল যদিও জীৱনটোক চলাই নিবলৈ হক্কলে যিকোনো বাস্তৱ পৰিস্থিতিৰ লগত মুখামুখি হ'বলৈ সদায় প্ৰস্তুত থাকিবলৈ আহ্বান জনাইছিল। 'ভাল মানুহ হ'বলৈ প্ৰথমে নিজক ভাল কৰি তুলি পিছত আনক ভাল মানুহ হ'বলৈ উপদেশ দিব লাগিব' এই কথাষাৰ দাদাৰ মুখেৰে সদায় নিৰ্গত হৈ আহিছিল।

গাঁওখন, ওচৰ-চুবুৰীয়া, আত্মীয়-স্বজন সকলোৰে বাবে আছিল এজন অতি আপোন মানুহ। বিপদৰ সময়ত স্থিৰে থাকিব নোৱাৰা দাদাই সহায় কৰিব পৰাটোকে পুণ্য বুলি ভাবিছিল। মা-কালীৰ শ্ৰীচৰণত জীৱনৰ শেষ বাৰৰ বাবে প্ৰণিপাত জনাই দাদাই যেন গাঁওবাসীৰ পৰা বিদায় হে মাগিব গৈছিল। দুপৰ নিশালৈ দাদাৰ লগত আমাৰ ঘৰত হাঁহি ধেমালিৰে সময় পাৰ কৰি দুদিন পিছতে দাদাৰ অন্তিম যাত্ৰাৰ সহযোগী হৈছিলোঁ । কিযে বেদনাদায়ক, অসহ্যকৰ। দাদাৰ আত্মাই কৈছিল মোক অন্তিম ধামলৈ আগবঢ়াই দিয়া বাকী পথছোৱা মই অকলে যাব পাৰিম। অচ্যুত দাদাৰ শূন্যতা কোনো দিনেই পূৰ নহ'ব।

কিন্তু আমি বিশ্বাস কৰোঁ, মৃত্যুয়েই শেষ নহয়। দাদাৰ আদৰ্শ, সততা আৰু ভাতৃবৎসল মৰম আমাৰ মাজত সদায় জীয়াই থাকিব।

অচ্যুত দা য'তেই আছা শান্তিত থাকক। দাদাৰ আশীৰ্বাদ সদায় আমাৰ মূৰৰ ওপৰত থাকক। অচ্যুত দাৰ স্মৃতি চিৰদিনলৈ আমাৰ বুকুত জ্বলি থাকিব। ❖

শ্রদ্ধাৰ খুৰাক সুঁৰৰি

প্রশান্ত গোস্বামী
গুৱাহাটী

এখন যন্ত্রণাকাতৰ হৃদয় লৈ খুৰাৰ বিষয়ে দুআষাৰ লিখিবলৈ লৈছোঁ।

দেউতাৰ সৰু ভায়েক আছিল অচ্যুত খুৰা। যি মোৰ বাবে জ্যেষ্ঠ ভাতৃসদৃশ আছিল। সৰু খুৰাৰ শাৰীৰিক অনুপস্থিতি—পৃথিৱীৰ পৰা চিৰদিনৰ বাবে কোনোদিনে ঘূৰি নহা বাটেৰে গুচি যোৱাটো মোৰ কাৰণে মানি লোৱা এক কঠিন বাস্তৱ। এটাই মাথোঁ সান্ত্বনা যে কায়িকভাৱে নহ'লেও তেওঁৰ সত্তাক সদায় মই কঢ়িয়াই লৈ ফুৰিম।

নিয়তিৰ ওচৰতো মোৰ কোনো অভিযোগ নাই। জন্ম হ'লে মৃত্যু অৱশ্যম্ভাৱী। তথাপিও যেন জীৱনৰ এক অধ্যায়ৰ সমাপ্তি—যাৰ আৰু পুনৰাগমন নঘটে। খুৰা কায়িকভাৱে নোহোৱা হৈ পৰা মুহূর্তটো মোৰ বাবে অসহনীয় আছিল। মনলৈ আহিছিল অথিৰ এই সংসাৰ, ইহলোকত আমি কেইদিনমানৰ ভাৰৱীয়া। চিকিৎসালয়ত খুৰাৰ শেষ মুহূর্তৰ হিমশীতল শৰীৰটো দেখি মই জড় হৈ পৰাৰ বাহিৰে অইন একো নাছিল।

খুৰাৰ হাঁহি থকা মুখখনৰ আঁৰত থকা সৰল ব্যক্তিত্বই তেওঁৰ সংস্পর্শলৈ অহা সকলোকে আকর্ষিত আৰু মোহিত কৰিব পাৰিছিল, যিটো এগৰাকী পৰিত্র অন্তৰৰ ব্যক্তিৰ বাবেহে সম্ভৱ হ'ব পাৰে।

আজি খুৰাৰ অবর্তমানত গভীৰভাৱে অনুভৱ কৰিছোঁ যে খুৰাৰ পৰা আমি বহুখিনি শিকিলোঁ যদিও বহু শিকিবলগীয়া বৈ গ'ল—জীৱন সম্পর্কে। অনাগত সময়ত খুৰাৰ স্মৃতি বুকুত কঢ়িয়াই তেওঁৰ আদর্শৰে অনুপ্রাণিত হৈ জীৱনত আগুৱাই যোৱাৰ হাবিয়াস কৰিছোঁ।

খুৰাৰ সান্নিধ্য সুঁৰৰি আজি মোৰ মনটো বাৰে বাৰে অতীতলৈ উৰা মাৰিছে। মই যেতিয়া স্নাতক মহলাত অধ্যয়নৰ বাবে গাঁৱৰ পৰা গুৱাহাটী কমার্চ কলেজলৈ আহোঁ খুৰাৰ আনন্দৰ সীমা নাছিল। পৰৱর্তী দিনত স্নাতকোত্তৰ শ্রেণীত অধ্যয়ন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়লৈ যাওঁতেও খুৰাকেই সংগী কৰি, খুৰাৰ সাহসত আগুৱাই গৈছিলোঁ। প্রতিবাৰেই ছাত্রাবাসত প্রৱেশ কৰোঁতে খুৰাই মোৰ একমাত্র সংগী আছিল।

খুৰাৰ বিয়াৰ নিমন্ত্রণী পত্রখন উলাহে নধৰা হিয়া লৈ ময়েই ছপা কৰোৱাইছিলোঁ আৰু আজি বুকুত শিল বান্ধি খুৰাৰ আদ্যশ্রাদ্ধৰ নিমন্ত্রণী পত্রখনো ছপা কৰিছোঁ।


প্রায় প্রতি দেওবাৰে গধূলি খুৰালৈ ফোন কৰা মোৰ এটা অভ্যাস আছিল। কেতিয়াবা এই নিয়মৰ হেৰফেৰ হ'লে, দুদিনমান ফোন নকৰিলে খুৰাই নিজে ফোন কৰি মোক সুধিছিল, "তোৰচোন খবৰেই নাই।" আজি আৰু সেইষাৰ কথা সুধিবলৈ খুৰা আমাৰ মাজত নাই।

মোৰ লগতে সমাজৰ প্রতি খুৰাৰ অৱদান এই ক্ষুদ্র পৰিসৰৰ লেখাত সামৰিব নোৱাৰি। মাত্র আদ্যশ্রাদ্ধৰ শ্রদ্ধাঞ্জলি হিচাপে সামান্য স্মৃতি ৰোমন্থন কৰিলোঁ। তেওঁৰ বিদেহ আত্মাই সদ্‌গতি লাভ কৰক। ❖

































BAR
RESCUE








স্বচ্ছতা হি সেবা ২০২৬






RESTRICTED PARKING AREA
DO NOT PARK HERE
FOR MORE THAN 2HOURS


























গ্রীণলেণ্ড পথ






গ্রীণলেও পথ








হিন্দু সম্মিলন











BAGHARABARI GREEN LAND UNNAYAN SAMITY
(BGUS)
HOUSE NO 43, GREEN LAND PATH, BAGHARABARI ROAD,
PANJABARI, GUWAHATI, PIN 781037
(Registered under Society Registration Act, 1860)
Regn No. RS/KAM(M)/263/BFSRS/2025/02108 of 2025-26
Phone: 9706037870/ 9435100257

শোক প্রস্তাৱ



আজি ইং ১৬ নাযম্বৰ তাৰিখে বাঘৰবৰী গ্ৰীণলেণ্ড উন্নয়ন সমিতিৰ উদ্যোগত অনুষ্ঠিত এখন শোক সভাত বাঘৰবৰী গ্ৰীণলেণ্ড নিবাসী, আৰু বাঘৰবৰী গ্ৰীণলেণ্ড উন্নয়ন সমিতিৰ অতি সক্ৰিয় কাৰ্যবাহী সদস্য শ্ৰীযুত অচ্যুত গোস্বামী দেৱৰ যোৱা ১১ নবেম্বৰৰ ৰাতি অভাৱনীয় আৰু অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়। কেইবাগৰাকীও বক্তা আৰু স্বৰ্গীয় গোস্বামীৰ প্ৰশংসকে তেখতৰ গুণৰাজিৰ আৰু তেখেতৰ সদহাস্যময়, মানৱদৰদী, মধুৰ ব্যক্তিত্বৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। গ্ৰীণলেণ্ডক লৈ সদায় গৰ্ব বোধ কৰা আৰু গ্ৰীণলেণ্ডৰ উন্নতিৰ হকে যি কোনো কাম কৰিবলৈ সদা প্ৰস্তুত অচ্যুত গোস্বামীৰ অকাল বিয়োগ গ্ৰীণলেণ্ড বাসী বাইজৰ বাবে এক অপূৰণীয় ক্ষতি।

ভৱিষ্যত কালত তেখেতে গ্ৰীণলেণ্ডৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ হকে আগবঢ়োৱা অৱদান সদায় অমাৰ মাত্ৰত স্মৰণীয় হৈ ৰব। তেখেতৰ অমায়িক ব্যৱহাৰ আৰু আদৰ্শ আমাৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ থাকিব।

সদ্য সমাপ্ত স্বচ্ছ গুৱাহটী প্ৰতিযোগিতাত বাঘৰবৰী গ্ৰীণলেণ্ড উন্নয়ন সমিতিয়ে সদৌ গুৱাহাটীৰ ভিতৰতে শ্ৰেষ্ঠ বিবেচিত হোৱাৰ ক্ষেত্ৰত স্বৰ্গীয় গোস্বামীৰ অমলা অৱদানৰ কথা সভাত উপস্থিত সকলোৱে একমুখে আৰু পৰম কৃতজ্ঞতাৰে সোঁৱৰে।

আজিৰ এই শোক সভাই স্বৰ্গীয় গোস্বামীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। লগতে এই শোক প্ৰস্তাৱৰ এটি প্ৰতিলিপি মৃতকৰ পৰিয়াললৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

তাৰিখ : ১৬ নবেম্বৰ, ২০২৬

শ্ৰীযুত গোস্বামী

সভাপতি
বাঘৰবৰী গ্ৰীণলেণ্ড উন্নয়ন সমিতি

বিশ্ব হিন্দু মহাসংঘ

VISHWA HINDU MAHASANGHA

গুৱাহাটী মহানগৰ সমিতি ।। GUWAHATI MAHANAGAR SAMITI

বাঘৰবৰি ▪ পাঞ্জাবাৰী ▪ গুৱাহাটী ▪ অসম ।। BAGHORBORI ▪ PANJABARI ▪ GUWAHATI ▪ ASSAM

সভাপতি
প্রভাত চন্দ্র ঠাকুৰীয়া
(প্রাক্তন সভাপতি,বিশ্ব হিন্দু পৰিষদ, খানাপাৰা প্রখণ্ড)

সাধাৰণ সম্পাদক
ৰঞ্জন কুমাৰ চক্রৱর্তী
(প্রাক্তন ডেপুটী এডিটৰ,আমাৰ অসম)

ওঁ

শোক প্রস্তাৱ



হিন্দুত্ববাদী আন্দোলনৰ বর্তমান সময়ৰ বাটকটীয়া, বিশ্ব হিন্দু মহাসংঘৰ জ্যেষ্ঠ কার্যকর্তা, সংগঠনটোৰ গুৱাহাটী মহানগৰৰ উপ-সভাপতিৰ পদ আসীন কৰা অচ্যুত গোস্বামীৰ বিয়োগত আমি অত্যন্ত মর্মাহত হৈছোঁ। দীর্ঘসময় ধৰি হিন্দুত্ববাদী সংগঠনৰ সৈতে সংপৃক্ত হৈ থকা প্রবীণ সমাজ সংগঠকগৰাকীৰ পৰলোকপ্রাপ্তিত আমি এগৰাকী প্রকৃত সমাজসেৱী-কার্যকর্তা হেৰুৱলোঁ। চলিত বর্ষৰ ১১ নৱেম্বৰত ইহলীলা সম্বৰণ কৰা অচ্যুত গোস্বামীৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিলোঁ।

(ৰঞ্জন কুমাৰ চক্রৱর্তী)
সাধাৰণ সম্পাদক
বিশ্ব হিন্দু মহাসংঘ
গুৱাহাটী মহানগৰ

যোগাযোগৰ ঠিকনা : গৃহ নং: ৩১/এ ▪ সাতগাঁও-বাঘৰবৰি পথ ▪ বাঘৰবৰি ▪ পাঞ্জাবাৰী ▪ গুৱাহাটী-৭৮১০৩৭



শ্রীশ্রী জগন্নাথ ও কালী মন্দিৰ পৰিচালনা ও গাঁও উন্নয়ন সমিতি

টঙ্গাৰকুৰ ঃঃঃ পাটাছাৰকুছিঃঃঃ জিলাঃঃঃ বজালী (অসম)
পিন নং - ৭৮১৩২৬





জন্ম : ০১/০৩/১৯৬৪ ইং মৃত্যু : ১১/১১/২০২৬ ইং

প্রয়াত অচ্যুত গোস্বামী দেৱলৈ শ্রদ্ধাঞ্জলি

ওঁম শান্তি

মৃত্যু এক চিৰন্তন সত্য যদিও, আপোনাৰ বিয়োগ আমাৰ বাবে এতিয়াও অবিশ্বাস্য যেন অনুভৱ হৈছে। আপোনাৰ এই প্রয়াণে আমাৰ সকলোৰে মাজত এক গভীৰ শোকৰ ছাঁ পেলোৱাৰ লগতে এক অপূৰণীয় ক্ষতিৰ সৃষ্টি কৰিছে।মাৰ পূজাভাগত আটাইকেইদিনতে আপুনি উপস্থিত থাকি হঠাৎ নহোৱা হৈ যোৱাটো কল্পনাতীত।

আমাৰ মা কালী পূজা তথা মন্দিৰৰ সেৱা আৰু জগন্নাথ সংঘ পুথিভড়ালৰ উন্নয়নৰ ক্ষেত্রত আপোনাৰ অৱদান, নিষ্ঠা আৰু সহযোগিতা আমি কেতিয়াও পাহৰিব নোৱাৰিম। আপোনাৰ এই অৱদান আমাৰ লগতে আগন্তুক প্রজন্ময়ো চিৰদিন শ্রদ্ধা আৰু কৃতজ্ঞতাৰে স্মৰণ কৰিব।

শেষত এক গভীৰ বেদনাবিধুৰ হৃয়দৰে জগতজননী মা কালী আৰু মহাপ্রভু জগন্নাথ দেৱৰ শ্রীচৰণত প্রণিপাত জনাই প্রার্থনা কৰিছোঁ, আপোনাৰ বিদেহ আত্মাই চিৰশান্তি লাভ কৰক।

ওঁম শান্তি, শান্তি, শান্তি।
সমূহ গাঁওবাসীৰ হকে

শ্রীগোপেশ চন্দ্র শর্মা
সভাপতি
১৮-১১-২০২৬ ইং

শ্রীউজ্জ্বল শর্মা
সম্পাদক
১৮-১১-২০২৬ ইং

Brihattar Chaymile-Panjabari Nagarik Unnayan Manch
(A Citizens' Forum for Local Development and Welfare)
Registration No. RS/KAM(M)/263/RFSRS/202505824 OF 2025-2026

আজি ২০২৬ চনৰ ১৮ নৱেম্বৰ তাৰিখে বৃহত্তৰ ছয়মাইল-পাঞ্জাবাৰী নাগৰিক উন্নয়ন মঞ্চৰ উদ্যোগত অনুষ্ঠিত এই শোক সভাত গ্ৰীণলেণ্ড নিবাসী তথা সমিতিৰ অতি সক্ৰিয় কাৰ্য্যবাহী সদস্য শ্ৰী অচ্যুত গোস্বামীদেৱৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰা হয়। তেখেত যোৱা ১১ নৱেম্বৰৰ নিশা হঠাতে হৃদৰোগত আক্ৰান্ত হৈ বৈকুণ্ঠগামী হয়।

সেইগৰাকী বন্ধুবৎসল, সদালাপী, সমাজহিতৈষী আৰু মানৱদৰদী ব্যক্তিৰ মৃত্যুৱে সমগ্ৰ অঞ্চলবাসীক মৰ্মাহত কৰি তুলিছে। মৃত্যু হৈছে জীৱনৰ এক চিৰন্তন আৰু সৰ্বজনস্বীকৃত সত্য, যাৰ পৰা কোনো মানৱেই ৰেহাই পাব নোৱাৰে। তথাপি প্ৰিয়জনৰ বিদায়ে হৃদয়ত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰে। স্বৰ্গীয় অচ্যুত গোস্বামীদেৱৰ অকাল বিয়োগো বৃহত্তৰ ছয়মাইল-পাঞ্জাবাৰী অঞ্চলৰ সমগ্ৰ ৰাইজৰ বাবে এনে এক অপূৰণীয় ক্ষতি, যি হয়তো সহজে পূৰণ নহ'ব।

জীৱিত কালত তেওঁ অঞ্চলটোৰ সৰ্বতোপ্ৰকাৰ উন্নয়ন আৰু সামাজিক কল্যাণমূলক কামত নিষ্ঠাৰে আত্মনিয়োগ কৰিছিল। সমাজৰ প্ৰতি তেওঁৰ আন্তৰিকতা, কৰ্মনিষ্ঠা আৰু আদৰ্শ সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। অঞ্চলটোৰ যিকোনো প্ৰয়োজনীয় কামত তেওঁ সদায় আগভাগ লৈ সহায়-সহযোগিতা আগবঢ়াইছিল আৰু সকলোৰে মৰম-শ্ৰদ্ধা লাভ কৰিছিল।

আজিৰ এই শোক সভাই স্বৰ্গীয় অচ্যুত গোস্বামীদেৱৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌনতা অৱলম্বন কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। লগতে এই শোক প্ৰস্তাৱৰ এটি প্ৰতিলিপি মৃতকৰ পৰিয়ালবৰ্গলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ঈশ্বৰে যেন বিদেহী আত্মাক চিৰশান্তি প্ৰদান কৰক আৰু শোকাহত পৰিয়ালক এই অপূৰণীয় ক্ষতি সহ্য কৰাৰ শক্তি আৰু সাহস দিয়ক।

19/11/26

জিতেন্দ্ৰ নাথ বৰুৱা
সভাপতি

19/11/2026.

গদাধৰ কলিতা
সাধাৰণ সম্পাদক







ন জায়তে ম্রিয়তে বা কদাচিন
নায়ং ভুত্বা ভৱিতা বা নভূয়ঃ
অজো নিত্যঃ শ্বাশ্বতো হয়ং পূৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।

